


কৃষ্ণকান্ত সন্দিকৈদেৱৰ ১২২ সংখ্যক জন্মদিৱসত বিশ্বমুখী যুগবার্তা পৰিয়ালৰ হৈ তেখেতলৈ সশ্ৰদ্ধ প্ৰণিপাত জনালো

বিশ্বমুখী

# যুগবার্তা

বার্তালোচনী

RNI No: ASSASS01376

❑ BISHWAMUKHI JUGABARTA ❑ 3RD YEAR ❑ 4TH ISSUE ❑ SATURDAY ❑ 20TH JULY, 2019.

তৃতীয় বৰ্ষ ❍ চতুৰ্থ সংখ্যা ❍ শনিবাৰ ❍ ৩ শাওন ❍ ১৯৪০ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা

## ডোনাল্ড ট্ৰাম্পৰ ঐতিহাসিক উত্তৰ কোৰিয়া ভ্ৰমণ



❑ পদ্মেশ্বৰ কাটনী

"It's Great day for the world and it's an honour for me to be here"- কোৰিয়াৰ মাটিত ভৰি দি প্ৰথমজন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ঘোষণা কৰিছিল যে আৰু বহুত কিবা-কিবি ঘটিব। ২০১১ চনত কোৰিয়াৰ মুখ্য প্ৰশাসকৰ দায়িত্ব লৈ সমগ্ৰ বিশ্বকে নিজ ডেমাকিৰে সচকিত কৰি তোলা উত্তৰ কোৰিয়াৰ শাসক কিম জন উনক Demilitarized Zone ত ভৰি থৈ কৰমৰ্দন কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতিজনে সদম্ভে ঘোষণা কৰিলে এই কথা। ১৯৫০-৫৩ চনত কোৰিয়ান যুদ্ধৰ বিভীষিকা চলা শূণ্য ২ পৃষ্ঠাত...

## মুখ্য উপদেষ্টাৰ কলম

### শিক্ষানুষ্ঠান পৰিচালনাত কৃষ্ণকান্ত সন্দিকৈৰ ভাৱাদৰ্শৰ প্ৰয়োজনীয়তা

❑ আনন্দ শইকীয়া



উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চশিক্ষাৰ বাটকটীয়া পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱৰ আজি ১২২ সংখ্যক জন্মদিন। চিনামৰা মহাবিদ্যালয়ত বিগত বছৰবিলাকত ধাৰাবাহিকভাৱে তেখেতৰ জন্মদিন পালন কৰি অহা হৈছে। তেখেতৰ জন্মজয়ন্তীবিলাকত তেখেতৰ জীৱন দৰ্শনৰ ওপৰত ভালেকেইখন আলোচনাচক্ৰ অনুষ্ঠিত হ'ল। কোৱা বাহুল্য, সন্দিকৈদেৱৰ বিভিন্ন প্ৰতিভাৰ ওপৰত হোৱা প্ৰতিটো আলোচনাচক্ৰ, বক্তৃতানুষ্ঠান অতি মনোগ্ৰাহী, তত্ত্বগধুৰ আৰু সময়োপযোগী হৈছিল। আজি সন্দিকৈদেৱৰ ১২২ সংখ্যক জন্মজয়ন্তীত মহাবিদ্যালয়ৰপৰা প্ৰকাশ পোৱা 'বিশ্বমুখী যুগবাৰ্তা'ৰ তৃতীয় বৰ্ষৰ চতুৰ্থ সংখ্যাটো এক বিশেষ সংখ্যা হিচাপে প্ৰকাশ পাইছে। এই সংখ্যাত তেখেতৰ জীৱনৰ অন্য মহৎ আদৰ্শ বাদ দি ১৭ পৃষ্ঠাত...

## নিবনুৱা সংস্থাপনত চূড়ান্ত ব্যৰ্থতা

❑ ডঃ অনিল কুমাৰ শইকীয়া

নিযুক্তি আৰু উপযুক্ত স্থানত শ্ৰম শক্তিৰ ব্যৱহাৰে এখন দেশৰ সাধাৰণতে সুখ-সমৃদ্ধি সম্ভৱ কৰি তুলিব পাৰে বুলি ডেনিয়েল ৰেবাৰে বৰ সুন্দৰ আৰু অৰ্থবহ বক্তব্য আগবঢ়াইছিল। সাম্প্ৰতিক সময়ত ৰেবাৰৰ বক্তব্যৰ আঁত ধৰি যদি আমাৰ দেশৰ নিযুক্তি আৰু শ্ৰম শক্তি ব্যৱহাৰৰ সম্পৰ্কে বিশ্লেষণ কৰা হয় তেনেহ'লে এই কথা সন্দেহাতীতভাৱে ক'ব পাৰি যে ভাৰতবৰ্ষত কৰ্মসংস্থাপন আৰু জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত ভয়ানক সংকটে দেখা দিছে। বিগত ২০১২ চনৰ পৰা দেশৰ আৰ্থিক বিকাশে গৰিষ্ঠ সংখ্যকৰ বাবে নিশ্চিত নিৰাপত্তা, স্থায়ী আৰু উন্নত উপাৰ্জনৰ সুবিধা দিয়াত ব্যৰ্থ হৈছে। বিশেষকৈ অসংগঠিত অথবা অনানুষ্ঠানিক খণ্ডটোত ইয়াৰ ভয়াবহতা উদ্বেগজনক হৈ উঠিছে।

চৰকাৰীভাৱে প্ৰকাশিত পৰিসংখ্যাৰ তথ্য অনুযায়ী এই কথা ক'ব পাৰি যে ২০১২-১৬ চনৰ ভিতৰত ভাৰতবৰ্ষৰ আৰ্থিক বিকাশৰ হাৰ সন্দেহজনক নাছিল। ইয়াৰ পিছত বিমুদ্ৰাকৰণ আৰু সেৱা সামগ্ৰী কৰ প্ৰযোজ্য কৰি চৰকাৰে যি অপৰিপক্ক আৰু অদূৰদৰ্শী আৰ্থিক নীতি গ্ৰহণ কৰিলে তাৰ ফলত দেশৰ অৰ্থনীতিলৈ অধিক সংকট নমাই আনিলে। ২০১৫ চনৰ আগষ্ট মাহৰ পৰা ২০১৮ চন পৰ্যন্ত আৰ্থিক বিকাশৰ হাৰ দ্ৰুতভাৱে উঠা-নমা কৰি থকাত সংস্থাপন সৃষ্টি আৰু কেইটামান প্ৰধান খণ্ডত উৎপাদন বৃদ্ধি কৰাত চকুত লগাকৈ চৰকাৰখন ব্যৰ্থ হৈছিল। ইয়াৰ ফলত আশা কৰা ধৰণেৰে উপাৰ্জনো নাবাঢ়িল। ইয়াৰ উপৰিও বিমুদ্ৰাকৰণ নীতি কাৰ্যকাৰিতাৰ প্ৰভাৱত গ্ৰামাঞ্চলৰ কৃষি আৰু অসংগঠিত খণ্ডৰ প্ৰায় ২২৫ নিযুত শ্ৰমিকে কৰ্মসংস্থাপন হেৰুৱাব লগা হ'ল আৰু এইসকলে পুনৰ কাৰ্যকৰী মূলধন লাভ কৰি জীৱিকা নিৰ্বাহৰ বাবে সংস্থাপন পাবলৈ হ'লে প্ৰায় তিনিবছৰ অপেক্ষা কৰিব লাগিব বুলি অৰ্থনীতিৰ বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

আজিম প্ৰেমজী বিশ্ববিদ্যালয়ৰ বহনযোগ্য নিয়োগ কেন্দ্ৰৰ অধ্যয়ন এটাত এই কথা প্ৰকাশ পাইছে যে অধিক বছৰ ধৰি দেশৰ আৰ্থিক বিকাশ আৰু নিযুক্তিৰ মজত থকা ১৪ পৃষ্ঠাত...

## বিগত সময়চোৱাৰ কেতবোৰ উল্লেখযোগ্য বাৰ্তা

❑ অভিষেক হাজৰিকা

**আন্তঃৰাষ্ট্ৰীয় বাৰ্তা**

দ্ৰুতভাৱে গলিছে হিমালয়ৰ হিমবাহ ঃ

শীতল যুদ্ধৰ সময়ত কৃত্ৰিম উপগ্ৰহৰে তোলা ছবি আৰু শেহতীয়াকৈ তোলা ছবিৰ বিশ্লেষণেৰে এটা অধ্যয়ণত প্ৰকাশ পাইছে যে হিমালয়ৰ হিমবাহ সমূহ পূৰ্বতকৈ দ্বিগুণ দ্ৰুতভাৱে গলিবলৈ আৰম্ভ কৰিছে। অধ্যয়নটোৰ মতে জলবায়ু পৰিৱৰ্তনৰ বাবে হিমালয়ৰ হিমবাহ সমূহৰ গলন পূৰ্বতকৈ দ্ৰুত হৈছে। যাৰ বাবে দক্ষিণ এছিয়াৰ বিভিন্ন দেশত থকা কোট কোটি মানুহৰ জীৱনলৈ ভাবুকি অহাৰ আশংকা আছে।

বিশ্বৰ একমাত্ৰ ব্যতিক্ৰম বিদ্যালয় ঃ

ৰাষ্ট্ৰসংঘ আৰু বি বি চিৰ দৰে সংবাদ মাধ্যমৰো চকুত পৰা এই বিদ্যালয়খন আছে অসমত। গুৱাহাটীৰ পামহীত থকা বিদ্যালয়খনৰ নতুনত্ব হ'ল এই বিদ্যালয়ত পঢ়িবলৈ মাছুলৰ বিপৰীতে দিব লাগে পেলনীয়া পলিথিন জাতীয় সামগ্ৰী। বিশ্ব ৰক্ষাক মূলমন্ত্ৰ হিচাপে আগবঢ়া বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক ১৮ পৃষ্ঠাত...

## গোলকীয় উষ্ণতা বৃদ্ধি ঃ বিপন্ন আজি সুন্দৰবনৰ সুন্দৰ দ্বীপবোৰ

❑ মাধুৰ্য মিলি

বিপন্ন আজি বিশ্ব প্ৰকৃতি। বিপন্ন আজি জৈৱিক সভ্যতা। পৰিৱেশ সংকটৰ চিত্তশিহৰণকাৰী এনে পৰিণতি হ'ল একবিংশ শতিকাৰ শাণিত সত্য উপলব্ধি। বিজ্ঞানী নিউপল্ডে ১৯৪৯ চনতেই বিশ্ববাসীৰ সাৱধানবাণী শুনাই গৈছিল- "Man was out of balance with his nature and we not pay the consequences"। মানুহে প্ৰকৃতিক লৈ ভাৰসাম্য হেৰুৱাই পেলাইছে। আমি তাৰ পৰিণতি ভোগ কৰিব লাগিব। কোনেও কাণসাৰ নিদিলেও ভোগ আৰু সম্পদ বৃদ্ধিৰ থৈয়া-নথৈয়া আমোঘ ৰণত বিশ্বৰ আগশাৰীৰ ধনী দেশবোৰ নিমজ্জিত হ'ল। আগবঢ়াৰ সংগ্ৰামত তৃতীয়বিশ্বৰ ২ পৃষ্ঠাত...

## চেনিমৰা হাট

❑ নীলকান্ত দত্ত

"উকিয়াই উকিয়াই ৰেলগাড়ী চলি যায়,
চেনিমৰা বজাৰৰ কাষে..."।

'জে. পি. আৰ শাখা ৰে'লবোৰৰ জংচন আছিল চেনিমৰা। আমি দেখাৰ দিনলৈ চেনিমৰা-তিতাবৰ লাইনটো উঠি গ'ল। গড় আলিটো বহল হ'ল। যোৰহাটৰ পৰা চেনিমৰা হাটৰ নাতি দূৰেদি মিটাৰ গজ লাইনৰ ৰে'লবোৰ চলে। এতিয়া গড়আলি ৰে'ল ক্ৰচিঙৰ পৰা কেইগজমান দূৰতে নতুন বজাৰলৈ সোমোৱা বাট। মৰিয়নি ৰাষ্টা আৰু গড়আলিৰ তিনি আলিটোৰ কিছু উত্তৰফালে পুৰণা হাটখনলৈ সোমোৱা বাট। এই বাটেদি অলপ অলপ আগুৱাই গৈ ৰে'ল আলিটো পাৰ হৈয়েই পুৰণা বজাৰলৈ সোমোৱা বাটটো। তাতে ৰৈ থাকে হাট-খোৱা কেইজনমান। তেওঁলোকৰ কাম, বেচিবলৈ অনা সামগ্ৰীৰ পৰিমাণ অনুযায়ী বিক্ৰেতাজনৰ পৰা বজাৰ কৰ সংগ্ৰহ কৰা। সোমায়েই পশ্চিমৰ শাৰী শাৰী বজাৰ বহা ঘৰ পোৱা যায়। এনেকুৱা আৰু ৩/৪ শাৰী বজাৰ গৃহ পোৱা যায়। এইবোৰ লোহাৰ খুটা-চ'টিৰ ওপৰত অৰ্দ্ধ বৃত্তাকাৰ কৰি টিঙৰ ছেদ দিয়া। বনুৱাসকলৰ কিনা-বেচাৰ সুবিধাৰ্থে ইংৰাজ কোম্পানীয়ে এইবোৰ সজাই দিছিল। টিঙৰ ছেদবোৰেৰে বেষ্টিত মাজৰ হাটখোলা খনত সৰু সৰু মাটিৰ ভেঁটি। তাতে বহুজন সামৰ্থ্যবান দোকানদাৰে নিজাকৈ সৰু সৰু বাঁহ খেৰৰ ছেদ সাজি লৈছিল। সেইবোৰত গেলামালৰ ১২ পৃষ্ঠাত...

১ পৃষ্ঠাৰ পৰা

## ডোনাল্ড ট্ৰাম্পৰ ঐতিহাসিক ..

অঞ্চলত ভৰি থোৱা ট্ৰাম্পক উষ্ণ আদৰণি জনাই কিম জন উনে টুইটাৰত জনোৱা আহ্বানক সঁহাৰি জনাই অহা ৰাষ্ট্ৰপতিগৰাকীৰ লগত পাৰস্পৰিক বাৰ্তালাপ কৰে। বিশ্বৰ ৰাজনৈতিক পৰ্যবেক্ষক মহলে ভাৱিব নোৱাৰাধৰণে হঠাতে লোৱা এই কাৰ্যসূচীৰ অন্তৰালত আমেৰিকা বা উত্তৰ কোৰিয়া কাৰ কি ভৱিষ্যত ৰাজনৈতিক কাৰ্যকলাপৰ উৎস জড়িত আছে তাক সতকাই কোৱা টান যদিও আমেৰিকাত নিজৰ কিছুমান সিদ্ধান্ত জনতাৰ বিদ্বেষী বুলি চিনাক্ত কৰা বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰখনৰ প্ৰধানজনে চলেৰে নোৱাৰি বলেৰে কিমৰ দৰে 'মাৰি যাম মৰি যাম' ধাৰণাৰ দ্বাৰা পৰিচালিত ৰাষ্ট্ৰনেতাক বশ কৰি নিজৰ স্থিতি কিছু হ'লেও উজ্বলাই ৰাখিব খুজিছে। কাৰণ আমেৰিকাৰ ৰাষ্ট্ৰপ্ৰধানৰ দায়িত্ব লৈয়ে জং উনৰ দৰে নেতাক তিলিকতে উৰুৱাই দিয়াৰ ভাবুকি প্ৰদান কৰা ডনাল্ড ট্ৰাম্পে কিয় জি-২০ গোটৰ সন্মিলনৰ পৰা বাহিৰে বাহিৰে শত্ৰু ৰাষ্ট্ৰখনত ভৰি থ'বলৈ মন গ'ল সেয়া সময়েহে প্ৰমাণ দিব।

অন্যহাতে কোৰিয়াৰ ৰাষ্ট্ৰপ্ৰধান কিম উনে ক'লে, 'আমি অমাৰ্জিত আৰু অকথিত অতীত পাহৰি যাব বিচাৰিছো। এইয়া এক সাহসী আৰু নিৰ্ধাৰিত কাৰ্যপন্থা'। উত্তৰ কোৰিয়াৰ গত ৬৬ বছৰীয়া শত্ৰু ৰাষ্ট্ৰ দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি মুন জ্যোও উপস্থিত থকা উক্ত অনানুষ্ঠানিক আলোচনা অনুষ্ঠিত হৈছিল দক্ষিণ কোৰিয়াৰ ভূমিভাগত থকা Freedom House ত। 'এক নতুন ভৱিষ্যতৰ কল্পনাৰে আগবঢ়াৰ সৌহাদ্যপূৰ্ণ আলোচনাৰ ক্ষণ দুয়োখন ৰাষ্ট্ৰ বাবেই'- কোৰিয়াৰ শাসক জেনেৰেল কিমৰ ঘোষণা। ২০১৯ চনতে ভিয়েটনামৰ হানৈত দ্বিপাক্ষিক আলোচনা কালত মুখামুখি হোৱা দুয়োজন ৰাষ্ট্ৰপ্ৰধানৰ এইয়া আছিল দ্বিতীয়বাৰৰ আলোচনা। ডনাল্ড ট্ৰাম্পৰ কাৰ্যালয়তে তৎ ধৰিব নোৱাৰা এই ভ্ৰমণে পৰমাণু নিৰস্ত্ৰীকৰণ কাৰ্যসূচীৰ প্ৰাক ক্ষণত বৰফ গলোৱাৰ (Ice Breaking) প্ৰচেষ্টা বুলি ক'ব পৰা যায় যিটো জৰ্জ ডব্লিউ বুশ্বেও কৰিব পৰা নাছিল। যাৰ কাৰণে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি মুনে ৰাষ্ট্ৰপতি ট্ৰাম্পক The Peacemaker of Korean Peninsula বুলি ক'বলৈও কুণ্ঠাবোধ কৰা নাই।

ইয়াৰ মাজতে বাতৰি ওলাইছে আমেৰিকাৰ অনুসন্ধান সংস্থাই চলোৱা সমীক্ষাত প্ৰকাশ যে পৰমাণু অস্ত্ৰৰ নিৰ্মাণ হ্ৰাস কৰাৰ পক্ষপাতি নোহোৱা উত্তৰ কোৰিয়াই আধা ডজন পৰমাণু অস্ত্ৰ ইন্ধনসহ সাজু কৰি ৰখাৰ উপৰিও যোৱা মে' মাহত পুনৰ পৰমাণু শক্তিসম্পন্ন হ্ৰস্ব দূৰত্বৰ ক্ষেপনাস্ত্ৰ পৰীক্ষা কাৰ্যসূচী লৈছিল যাৰদ্বাৰা ৰাষ্ট্ৰসংঘৰ পৰমাণু নিৰস্ত্ৰীকৰণ প্ৰস্তাৱক উলাই কৰি চলাটোৱেই মূল লক্ষ্য আছিল।

১ পৃষ্ঠাৰ পৰা

## গোলকীয় উষ্ণতা বৃদ্ধি . .

পশ্চাদপদ দেশবোৰেও মৰো জীউ সোঁ অধিকৈ চেষ্টাৰ ত্ৰুটি কৰা নকৰিলে সম্পদ বৃদ্ধিৰ বাসনাক বাস্তবায়িত কৰিবলৈ। পৰিণতিত এতিয়া আৰম্ভ হৈছে বিশ্বজুৰি মহাৰণ। এই মহাৰণ প্ৰাকৃতিক পৰিৱেশত আৰশ্যম্ভাবী ঘাতকী দুৰ্যোগৰ পৰা উদ্ধাৰ কৰাৰ। এই মহাৰণ বিশ্ব মানৱ সভ্যতাৰ তাৰ নিশ্চিত ধ্বমসৰ পৰা ৰক্ষা কৰাৰ মহাৰণ।

গোলকীয় গড় উষ্ণতাই ০.৫০ ডিগ্ৰী ছেণ্টিগ্ৰেড বৃদ্ধি পাওঁতেই আৰম্ভ হৈছে দুই মেৰু দেশৰ প্ৰকাণ্ড প্ৰকাণ্ড বৰফৰ টুকুৰাৰ গলন। সমুদ্ৰত উটি ভাঁহি ফুৰিছে বিশাল বৰফৰ খণ্ড। হিমালয়ৰ হিমবাহৰো গলন আৰু পতন আৰম্ভ হৈ গৈছে। ইঞ্চি-ইঞ্চিকৈ বৃদ্ধি পাব ধৰিছে সমুদ্ৰ পৃষ্ঠৰ উচ্চতা। এনে পৰিঘটনাৰ পৰিণতিয়ে সকলোৰে আগোচৰে মাতি আনিছে বিশ্বৰ সমুদ্ৰৱতী নিম্নাচলবোৰৰ বিসৰ্জন প্ৰক্ৰিয়াত। নিঃশেষ হৈ যাবলৈ উপক্ৰম কৰিছে নিম্নভূমিৰ সেউজ শ্যামল উপকূল আৰু সমুদ্ৰৰ বুকুৰ মনোৰম দ্বীপবোৰ। অজগৰে ভক্ষণ কৰাৰ দৰে লাহে লাহে বিশ্বৰ সমুদায় নিম্ন উপকুলবোৰৰ উচ্চতা সমুদ্ৰ পৃষ্ঠৰ পৰা মাথো ৮-১০ মিটাৰ ওপৰ। সেই সকলোবোৰ সোমাই পৰিব সমুদ্ৰৰ বিশাল বক্ষত।

গোলকীয় উত্তাপৰ প্ৰভাৱ ইতিমধ্যে আৰম্ভ হৈ গৈছে। ধীৰে ধীৰে অজগৰ গতিৰে আগবাঢ়িছে এই বিনন্দীয়া মেদিনীক গ্ৰাস কৰিবলৈ। দূৰলৈ যাব নালাগে, আমাৰ একেবাৰে ওচৰত সেই তাণ্ডৱৰ আঁচোৰ সৃষ্টি কৰিছে হৃদয়বিদাৰক যন্ত্ৰণা। সুন্দৰবন, ৰয়েল বেফল টাইগাৰৰ বাসভূমি গঙ্গা, ব্ৰহ্মপুত্ৰৰ মোহনাত গঢ় লোৱা এলানি ব-দ্বীপ। বঙ্গোপসাগৰৰ উত্তৰ তীৰত পৰিব্যাপ্ত শাৰী শাৰী এই ব-দ্বীপবোৰ ক্ৰমশঃ সোমাই পৰিছে সমুদ্ৰ গৰ্ভত, সোমাই পৰিছে আপুৰুগীয়া, জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ উপাদানবোৰো। উপগ্ৰহই তোলা ছবিত বিচাৰি পোৱা নাই কেইটিমান দ্বীপ। আগন্তুক কেইটামান বছৰতে এনেদৰেই হেৰাই যাব আৰু পোন্ধৰটামান দ্বীপ। যাদৱপুৰ বিশ্ববিদ্যালয়ৰ সমুদ্ৰ বিজ্ঞান বিভাগৰ মুৰব্বী ড° সুগত হাজৰাই দীৰ্ঘদিন চলোৱা পৰ্যবেক্ষণৰ পৰা নিৰ্দ্ধাৰিত কৰিছে যে বিগত দুটা বছৰত সুন্দৰবনৰ জলস্তৰ বৃদ্ধি পাইছে প্ৰতি বছৰে ৩.১৪ মিলিমিটাৰকৈ। আনহাতে সমগ্ৰ বিশ্বৰ বাবে এই হাৰ হ'ল ২.০ মিলিমিটাৰ। বঙ্গোপসাগৰৰ জলপৃষ্ঠৰ পৰা সুন্দৰবনৰ উচ্চতা ১০-১২ ফুটতকৈ বেছি নহয়। অথচ জোৱাৰৰ ঢৌ উঠি আহে ১৫-১৬ ফুট ওপৰলৈ। সুন্দৰবনৰ ক্ষেত্ৰত গোলকীয় উত্তাপৰ বাবে হোৱা সমুদ্ৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধিৰ হিচাবটো এনেধৰণৰ- সমুদ্ৰৰ জলপৃষ্ঠ ১০ ছেণ্টিমিটাৰকৈ বাঢ়িলে প্লাৱিত হাৰ ১৫ শতাংশ অঞ্চল; ২৫ ছেণ্টিমিটাৰ বাঢ়িলে ডুবিব ৪০ শতাংশ আৰু ১ মিটাৰ বাঢ়িলে নিশ্চিহ্ন হ'ব সমগ্ৰ সুন্দৰবন। ৪২৫ টি প্ৰজাতিৰ গছৰ লগতে হৰিণ, ঘঁৰিয়াল, গাহৰি, বান্দৰকে ধৰি নিঃশেষ হৈ যাব ২৪৬ বিধ প্ৰজাতিৰ বন্যজন্তু।

কেৱল সুন্দৰবনেই গোলকীয় উত্তাপ বৃদ্ধিৰ হস্বিতম্বি হৈ থকা নাই, তাৰ প্ৰসাৰতা সিচৰিত হৈ পৰিছে ভাৰতবৰ্ষৰ সৰ্বত্ৰতে। উত্তৰ-পূৱ ভাৰতৰ ক্ৰমশঃ বাঢ়ি অহা বৰষুণ অনিশ্চয়তাৰ লগত ভাৰতৰ পশ্চিমাঞ্চলত ইয়াৰ গতি বিপৰীত। ৰাজস্থানত বানপানী নোহোৱা নোপোজা ঘটনা। ২০০৫ চনৰ ২৬ জুলাইত মুম্বাইত হোৱা এদিনতে ৯৫৪ মিলিমিটাৰ বৰষুণে বিগত ১০০ বছৰৰ ৰেকৰ্ড অতিক্ৰম কৰিলে। চেন্নাই আই. আই. টিৰ অধ্যাপক এচ. এচ. ৰাজন গ্ৰীণপিছে দিয়া প্ৰতিবেদনত উল্লেখ আছে যে সমুদ্ৰপৃষ্ঠ বৃদ্ধিৰ পৰিণতিয়ে বাংলাদেশৰ ৭০০ কোটি মানুহক গৃহহাৰা কৰিব; এই সকলে আহি আশ্ৰয় বিচাৰিব চুবুৰীয়া দেশ ভাৰতবৰ্ষৰ অসম, পশ্চিমবংগ আদি ৰাজ্যত। বাঢ়িব ঘূৰ্ণিবতাহৰ সংখ্যা আৰু তীব্ৰতা। প্ৰায় ১.০ কোটি মানুহে বিচাৰিব লাগিব নতুন আশ্ৰয়স্থলী। সুন্দৰবন সমুদ্ৰৰ বুকুত জাহ যোৱাৰ বাবেই ঘূৰ্ণিবতাহৰ বিধ্বংসী প্ৰলয় তাণ্ডৱে কলকাতা, হুগলি, মেদিনীপুৰ, নদীয়াক ধুই পেলাব।

বিশ্বজুৰি পৰিব্যাপ্ত আৰশ্যম্ভাৱী বিশ্ব প্ৰকৃতিৰ মহাপ্ৰলয়ক নিয়ন্ত্ৰণ কৰা, প্ৰাৱল্য হ্ৰাস কৰা আৰু তাক প্ৰতিৰোধ কৰাৰ সংগ্ৰাম নিৰন্তৰ চলাই গৈছে সকলো সমাজসচেতন মানুহে। মানুহৰ কৰ্মৰ পৰিণতিতে এই মহাপ্ৰলয়ৰ আগমণ আৰু মানুহেই বিচাৰি উলিয়াব লাগিব ইয়াৰ প্ৰতিকাৰ।

*(লেখক মৰিয়নী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহকাৰী অধ্যাপক)*

১৫ পৃষ্ঠাৰ পৰা

## মুকলি আকাশৰ মুক্ত বিহগ . . .

কাৰ্যৰ দ্বাৰা পৰিচালিত হওঁক জীৱন, যি জীৱনৰ মাজত গতি আছিল স্পৃহাৰ ঐশ্বৰ্য। জীৱনৰ অৰ্থ বিচাৰি থকাতকৈ জীৱনক ভালপোৱাটো হে আছিল তেওঁ অন্যতম সৃষ্টিৰ সম্বল। নৈতিক-অনৈতিক আদিৰ মাজত জীৱনটো এৰি নিদি আগবাঢ়ি যোৱাটো আছিল লক্ষ্য। নিয়ম নমনাৰ বাবে ছাগে বহুবাৰ বিৰ্তকৰ মাজত সোমাই পৰিছিল। অভিযুক্ত হৈছিল কৰফাঁকি আৰু ড্ৰাগছ সেৱনৰ দোষত। ড্ৰাগছৰ বাবে উপাৰ্জিত ধনৰ বৃহৎ অংক ব্যয় কৰিছিল। ১৯৮৫ চনত ফৰাচী ৰাষ্ট্ৰপতি ফ্ৰাছোৱা মিতেৰাৰ লগত কম্পোডিয়া ভ্ৰমণকালত হেলিকপ্টাৰত ৱভাৰডোঝ কোকেন সেৱন কৰি অসুস্থ হৈ পৰিছিল। অৱশ্যে তাৰ পৰা ৰক্ষা পৰে।

এবাৰ এক বিস্ফোৰক সাক্ষাৎকাৰত ছাগে কৈছিল— মোৰ অবিশ্বাস্য ভাগ্য, কাৰণ মই যেতিয়া ডাঙৰ হৈছো, তেতিয়াৰে পৰা গৰ্ভনিৰোধক পিল আহিছে। যেতিয়া মই অন্তঃসত্ত্বা হোৱাৰ ভয়ত শংকিত আছিলো। তাৰপিছত আহিল প্ৰেম আৰু প্ৰেম আছিল বন্ধনহীন আৰু ৩০বছৰ কোনো বিপৰ্যয় এৰি থাকি। তাৰপিছত আহিল এইডছ।'

ঔপন্যাসিক ছাগ আৰু ব্যক্তি ছাগক কেন্দ্ৰ কৰি প্ৰকাশিত হৈছে বহুতো জীৱনী গ্ৰন্থ। মাৰিদমীনিক লোলিভে ছাগৰ জীৱনীত লেখিছে— পাঠকে সঁচাকৈ একাত্মবোধ কৰিব তেওঁৰ লগত। সৰুৰেপৰা ককা-আই তালৈকে সকলো বয়সৰ লোকে তেওঁৰ লেখনি পঢ়িছে।'

ফ্ৰাছোৱাজ ছাগৰ উপন্যাসৰ অৱলম্বনত বহুকেইখন বোলছবি নিৰ্মাণ হৈছে। তেওঁ নিজে লেখা নাটকৰ পৰিছলনাও কৰিছে। পৰিছালনা কৰিছিল বোলছবি 'লে ফুজে বল্লুছ ১৯৭৭ চনত। হলিউডৰ বোলছৱিজগতত বহুজনৰে লগত অন্তৰংগতা আছিল ছাগেৰ। ইয়াৰ ভিতৰত ইনগ্ৰীড বাৰ্গমেনক বোজৰ থি্ৰছতেছত অভিনয় কৰিবলৈ কোৱা হৈছিল। কিন্তু অনৈতিক বুলি তেওঁ চৰিত্ৰটো অভিনয় কৰা নাছিল। পিছত এড্ৰে হেপবোৰ্ন ছৱিখন কৰিবলৈ সন্মত হয়।

১৯৫৮চনত নিজতকৈ ২০বছৰৰ ডাঙৰ গি ছোলাৰকৰ লগত বিবাহৰ পাশত আবদ্ধ হয়। তেতিয়া ছাগৰ বয়স মাত্ৰ ২২ বছৰ। বিয়াৰ পিছতো ছাগে কাফে, ক্লাৱত যাপন কৰিছিল নৈশ জীৱন। এক বৃত্তৰ পৰিধিৰ মাজত জীৱন অতিবাহিত কৰাটো ছেগৰ বাবে আছিল স্বভাৱবিৰোধী। ফলত ১৯৬০চনত বিবাহ বিচ্ছেদ ঘটে। ইয়াৰ দুবছৰৰ পিছত আমেৰিকাৰ চিত্ৰশিল্পী আৰু ভাস্কৰ্যবিদ ৰবাৰ্ট ৱেষ্ট থফৰ লগত পুনৰ ১৯৬২চনৰ ১০ জানুৱাৰীত বিবাহ হয়।

দুয়োৰে যুগ্মজীৱনৰ স্বাক্ষৰ হিচাপে ১৯৬২ জুনত পুত্ৰ দনীৰ জন্ম হয়। পেৰিছৰ আমেৰিকান চিকিৎসালয়ত শিশুটোৰ জন্ম দি মাতৃ হোৱাৰ অসাধাৰণ এক অনুভূতি ব্যক্ত কৰিছিল এনেদৰে— 'আজি মই শাখা-প্ৰশাখাৰে এজোপা বৃক্ষ।'

১৯৬৩ চনত দ্বিতীয় বিবাহৰো বিচ্ছেদ ঘটে। তথাপি দুয়োজনৰ মাজত বন্ধুত্বৰ সম্পৰ্ক অটুট আছিল। এই প্ৰসংগত ফ্ৰাছোৱাজৰ অভিমত—'মই ভাবো বিবাহিত পুৰুষতকৈ অবিবাহিতা অধিক সন্মোহক।' নিজৰ আত্মজীৱনীত পুত্ৰ দনিৰ কথা লেখিছে এনেদৰে—' অতি সুখী আৰু প্ৰেমময় দম্পতিৰ সন্তান হিচাপে তাৰ জন্ম। যি নিশা উদ্‌যাপন কৰে আৰু দিনত শুই থাকে। মাক-বাপেকৰ পৰস্পৰ বুজাবুজি অতি ভাল আছিল ফলত বিচ্ছেদৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত।'

নিৰ্মাণ আৰু ভাঙোনৰ আশ্বৰ্য জীৱন আছিল ফ্ৰাছোৱাজৰ। জীৱনৰ ৪৪টা বছৰ আছিল কষ্টকৰ, কঠিন দিন যাপন, ভাগিপৰা শৰীৰ, লাখুটিৰ সহায় নহ'লে এখোজ যাৱ নোৱাৰা। দুবাৰকৈ অভিযুক্ত হৈছিল ড্ৰাগছ সেৱনৰ অপৰাধত। কিন্তু তেওঁৰ যুক্তি— 'আমাৰ অধিকাৰ আছে নিজক হত্যা কৰাৰ।' নিজৰ চিৰ বিদায় সৰ্ম্পকত ১৯৬৩ চনতেই কৈছিল—'মই আৰু ৩০-৪০বছৰ জীয়াই থাকিম। তাৰপিছত ছালাম।...চিৰশান্তি।' সঁচাকৈ অজস্ৰ খ্যাতি, সফলতাক বুকুৰ মাজতলৈ ২০০৪ চনৰ ২৪ ছেপ্টেম্বৰত মাত্ৰ ৬৯বছৰত চিৰবিদায় গ্ৰহণ কৰে ফ্ৰাচোৱাজ ছাগে। চাগৰ পুত্ৰই মাতৃৰ নামত ২০০৯ চনৰ পৰা এটি বঁটা প্ৰতি বছৰে প্ৰদান কৰি আহিছে। সংস্কাৰমুক্ত, স্বতঃস্ফূৰ্ত, দ্বিধাহীন আৰু মুক্ত চেতনাত বিশ্বাসী ছাগে সামাজিক আৰু ৰাজনৈতিক অৱদানৰ বাবে সদায় স্মৰণীয় হৈ থাকিব— The law are made to be adopted to people & not the other way round.

*(লেখক নেইমচ গ্ৰুপ অৱ কলেজৰ প্ৰশাসনিক বিষয়া)*

# আধুনিক অসমৰ ঐতিহাসিক গৱেষণাৰ বাটকটীয়া ঐতিহাসিক শ্ৰদ্ধেয় ডঃ সূৰ্যকুমাৰ ভূঞা

❑ যতীন্দ্ৰনাথ হাজৰিকা

ইংৰাজীৰ অধ্যাপক সূৰ্য কুমাৰ ভূঞাই Anglo-Assamese Relation বিষয়ত থিচিচ লিখি ১৯৩৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট পাইছিল। ঐতিহাসিক গৱেষকস্বৰূপে লণ্ডন বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি পোৱা প্ৰথমজন অসমীয়া পণ্ডিত আছিল ডঃ সূৰ্য কুমাৰ ভূঞা।

১৯৩৩ চনৰ পৰাই ডঃ ভূঞা অসমৰ ইতিহাস আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালক হৈ আছিল। তেখেতৰ যত্নতেই অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটোৱে গা কৰিব পাৰিলে। “নাৰায়ণী সন্দিকৈ ইনষ্টিটিউট’ ভূঞাদেৱৰ চেষ্টাত গঢ়িব পৰা হৈছিল। ঐতিহাসিক গুৰুত্ব থকা দুষ্প্ৰাপ্য পাণ্ডুলিপিবিলাক সংগ্ৰহ কৰি সংৰক্ষণ কৰা, সংকলন আৰু প্ৰকাশ কৰাই এই বিভাগৰ প্ৰধান কাম আছিল। অধ্যাপক ভূঞাই অসমীয়া আৰু টাই ভাষাত অতি দুষ্প্ৰাপ্য বুৰঞ্জীবিলাক সংগ্ৰহ কৰিলে; এইবিলাক অনুবাদ কৰাই তেখেতৰ পাতনিৰে ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰকাশ কৰাৰ দিহা কৰিলে। এইখিনি কাম নিয়াৰিকৈ কৰিব পাৰিছিল বাবেই শ্ৰদ্ধেয় ৰাধাকান্ত সন্দিকৈ দেৱে বুৰঞ্জী আৰু পুৰাতত্ত্বৰ গৱেষণাৰ কাম নিয়াৰিকৈ চলাবৰ কাৰণে নাৰায়ণী সন্দিকৈ ইন্‌ষ্টিটিউট স্থাপন কৰিবৰ কাৰণে সকলোখিনি খৰছ বহন কৰিলে। এই অনুষ্ঠানটি অধ্যাপক ভূঞাৰ জীৱনৰ কীৰ্তি স্তম্ভ বুলি শ্ৰদ্ধেয় বেণুধৰ শৰ্মাই উল্লেখ কৰিছিল। অসমৰ অতীত ইতিহাসকত আধুনিক চিন্তভাৱনাৰ সহায়ত পোহৰলৈ আনিবৰ কাৰণেই অধ্যাপক ভূঞাই দেহেকেহে খাটিছিল।

ডঃ ভূঞাই ইতিহাসচৰ্চাৰ বাবে এডৱাৰ্ড গেইট চাহাবৰ অসম বুৰঞ্জীৰ পৰাই অনুপ্ৰেৰণা পাইছিল বুলি অসমৰ তৰুণ ঐতিহাসিকসকলে ক’ব খোজে। তেখেতে লিখা Anglo-Assamese Relations খনত ১৭৭১ চনৰপৰা ১৮২৬ চনলৈ মুঠ দুকুৰি পোন্ধৰ বছৰ কালছোৱা পৰ্যালোচনাৰ বাবে বাচি লৈছিল। আহোম ৰাজত্বৰ শেষ অৱস্থা, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, অসমলৈ ব্ৰিটিছৰ আগমন, অসমীয়াৰ লগত ইংৰাজ বনিকৰ বেহা-বেপাৰ আৰু ইয়াণ্ডাবু চুক্তিৰ লগতে স্বাধীন অসমৰ বেলি মাৰ যোৱাৰ কাহিনীৰ তেখেতৰ গৱেষণা গ্ৰন্থখন প্ৰণয়ন কৰা হৈছিল।

ডেকা ঐতিহাসিক ডঃ ধ্ৰুৱজ্যোতি বৰাৰ মতে অধ্যাপক ভূঞাই অসমৰ প্ৰাচীন হাতে লিখা বুৰঞ্জীবোৰৰ পাঠ উদ্ধাৰ কৰি সেইখিনি কষ্ট কৰি সম্পাদনা কৰাৰ কামটো তেখেতৰ অন্যতম কৃতিত্ব বুলি কৈছে। এই ডেকা ঐতিহাসিকজনৰ মতে অধ্যাপক ভূঞাই কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী আৰু ‘ত্ৰিপুৰা বুৰঞ্জী’ — এই তিনিওখন বুৰঞ্জী সম্পাদনা কৰি প্ৰকাশ কৰাৰ বাবে তেখেতক ভাৰতবৰ্ষৰ নৃগোষ্ঠীক ইতিহাস চৰ্চাৰ (Ethno History) প্ৰথম বাটকটীয়া বুলি উল্লেখ কৰিছে। ইয়াৰ উপৰি বৰাই লিখিছে যে, ‘দাতিঅলীয়া বুৰঞ্জী’ত কাৰ্বি, তিৱা, খাচিয়া আদি জনগোষ্ঠীৰ সম্পৰ্কে বহুতো তথ্য পোৱা যায়। সেইদৰে ‘স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ’ নামৰ কিতাপখনত অধ্যাপক ভূঞাই অসমৰ মুছলমান সম্প্ৰদায়ৰ বিষয়েও বহুতো তাৎপৰ্যপূৰ্ণ কথা লিখিছে। বৰাই আৰু লিখিছে—

“কছাৰী বুৰঞ্জীখনত অসমত কছাৰী জাতিৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি কছাৰী ৰাজ্যৰ ইতিহাস, ৰাজ্য গঠন, অৰ্থনৈতিক উত্থান-পতন, বিশেষকৈ আহোমৰ লগত যুঁজবাগৰ আৰু ক্ৰমাগত পশ্চাৎ জাগৰণৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে। তেখেতে ব্যৱহাৰ কৰা সূত্ৰবোৰৰ মূলতেই হ’ল আহোম যুগৰ বুৰঞ্জীসমূহ আৰু কিছু লোকশ্ৰুতি। বৈজ্ঞানিক অৰ্থত এই বুৰঞ্জীখন ব্ৰহ্মপুত্ৰ উপত্যকাত বৃহৎ বড়ো কছাৰী জাতিৰ পূৰ্ণাংগ ইতিহাস নহ’লেও বা নৃগোষ্ঠীক ইতিহাসৰ আধুনিক চৰ্তসমূহ এইখনে সম্পূৰ্ণভাৱে পূৰণ নকৰিলেও এটা যুগৰ ৰাজনৈতিক ঘটনাৱলীৰ এক দলিল হিচাপে এই সংকলনটোৰ গুৰুত্ব নথকা নহয়। একেদৰেই ‘জয়ন্তীয়া বুৰঞ্জী’ত জয়ন্তীয়া ৰাজ্যৰ মধ্যযুগৰ ঘটনাৱলীৰ সংকলন কৰা হৈছে আৰম্ভণিতে থকা জয়ন্তীদেৱীৰ উপাখ্যানৰপৰা; এই ইতিহাসে জয়ন্তীয়া সমাজৰ মাজত হিন্দুধৰ্ম সোমোৱাৰপৰা আৰু সেই ধৰ্মৰ দিশৰপৰাই জয়ন্তীয়াসকলৰ উৎপত্তি ব্যাখ্যা কৰিব বিচৰা প্ৰয়াসক লিপিবদ্ধ কৰা হৈছে। ‘ত্ৰিপুৰা বুৰঞ্জী’তো আহোম ৰজা ৰুদ্ৰ সিংহৰ



শাসনকালৰ সমসাময়িক ত্ৰিপুৰা (টিপেৰাই) পাৰ্বত্য ৰাজ্যৰ এটা ঘটনা বহুল খণ্ডিত ইতিহাসৰ সম্ভেদ পোৱা যায়। এই ত্ৰিপুৰা ৰাজ্যই হ’ল বৰ্তমানৰ জনজাতীয় ত্ৰিপুৰীসকলৰ আদি ৰাজ্য। ওপৰত উল্লেখ কৰা এই আটাইকেউখন সংকলনেই ইয়াৰ সমগ্ৰ সীমাবদ্ধতা সত্ত্বেও অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰধান জনজাতীয় গোষ্ঠীকেইটাৰ ইতিহাস চৰ্চা আৰু নিৰ্মাণৰ ক্ষেত্ৰত বাটকটীয়া প্ৰচেষ্টা”। — ডঃ সূৰ্যকুমাৰ ভূঞাৰ ঐতিহাসিক অৱদান, ডেউকা, অক্টোবৰ-নভেম্বৰ ১৯৯৪, পৃ. ১২-১৩। ডঃ বৰাৰ মতে অধ্যাপক ভূঞাৰ ইতিহাসচৰ্চা মূলতঃ বৰ্ণনাত্মক। কি আছিল কি ঘটিছিল এই বিষয়ে কষ্ট কৰি অনুসন্ধানেৰে তথ্য সংগ্ৰহ কৰি সেইবোৰ তথ্যৰ উপস্থাপন অধ্যাপক ভূঞাৰ লিখনিত বঢ়িয়াকৈ পোৱা যায়।

ডাঃ বৰাৰ মতে বৰ্ণনা আৰু তথ্যৰ দিশৰ পৰা অধ্যাপক ভূঞাৰ ঐতিহাসিক লিখনিবিলাক চহকী হ’লেও তেখেতৰ ইতিহাস চৰ্চাত বিশ্লেষণাত্মক দিশটো আৰু ঐতিহাসিক অৰ্ন্তদৃষ্টি যথেষ্ট দুৰ্বল।

ডঃ অমলেন্দু গুহই কৈছে— ‘সূৰ্যকুমাৰৰ জীৱনৰ মূল চালিকা শক্তি আছিল দেশ প্ৰেম আৰু ইতিহাস প্ৰেম। নিজৰ ভাষা সাহিত্যৰ প্ৰতি গভীৰ মমতাবোধ। সৰ্বভাৰতীয় ঐতিহ্য সম্পৰ্কেও তেওঁ সমানে শ্ৰদ্ধাশীল আছিল।” — “সূৰ্যকুমাৰ ভূঞা আৰু বেনুধৰ শৰ্মা” এটি দৃষ্টিভঙ্গী, ডেউকা— অক্টোবৰ -নভেম্বৰ ১৯৪৪, পৃ. ৪। ডঃ গুহই তেখেতৰ প্ৰবন্ধটো অধ্যাপক ভূঞাৰ তলত দিয়া উদ্ধৃতিৰে মোখনি মাৰিছে —

“সূৰ্য্য কুমাৰে দাবী কৰিছে যে তেওঁৰ ইতিহাস ৰচনাই অসমীয়া মনৰ পাৰিপাৰ্শ্বিকৰ লগত ক্ৰিয়া প্ৰতিক্ৰিয়াৰ এখন ছবি দাঙি ধৰে। তেওঁৰ ভাষাত As the Assamese people have been subjected to indellible influences and changes in the modern times, and intimately study of the past is the only way by which we can get the core of the Assamese spirit and temper।— ডেউকাৰ ওপৰত উল্লেখ কৰা প্ৰবন্ধ, পৃ. ৪।

অধ্যাপক ভূঞা এজন বিখ্যাত ঐতিহাসিক জীৱনীকাৰ আছিল। প্ৰবল জাতীয়তাবোধৰ আদৰ্শৰে অনুপাৰিণত হৈ তেখেতে Lachit Borphukan & his times (1947) Atan Buragohain and his times (1957) আদি গ্ৰন্থ ৰচনা কৰিছিল। ইয়াৰ উপৰি মহাত্মা, গোপাল কৃষ্ণ গোখলে (১৯১৬), ৰবীন্দ্ৰ নাথ ঠাকুৰ (১৯২০), আনন্দৰাম বৰুৱা (১৯২০), ৰমণী গাভৰু (১৯৫১), লাচিত বৰফুকন (১৯৬২) আদি জীৱনীগ্ৰন্থ লিখিছিল। শ্ৰদ্ধেয় বেণুধৰ শৰ্মাৰ মতে “ডঃ ভূঞাৰ মহৎ কীৰ্তিস্তম্ভ আনন্দৰাম বৰুৱাৰ জীৱন চৰিতখনি। লম্বোদৰ বৰাই সেই গৰাকী প্ৰতিভাশালী মহাপণ্ডিতৰ জীৱনী লিখিবলৈ লওঁতেই তেওঁৰ জীৱনী লেখকে লেখিব লগা হ’ল। বৰাৰ সংকল্পটি সম্পূৰ্ণ কৰিলে ভৰ যৌৱনতে, ডঃ ভূঞাই জীৱন মৰণ পণ কৰি। ইয়েই ঐতিহাসিকৰ ধৰ্ম”। — আৰ্য্যাৱলী, পৃ. ৯০।

ড° ধ্ৰুৱজ্যোতি বৰাই তেওঁৰ আগতে উল্লেখ কৰা প্ৰবন্ধত ডঃ ভূঞাৰ বৌদ্ধিক কাম-কাজৰ কালছোৱাত প্ৰচলিত দুটা ধাৰাৰ কথা উল্লেখ কৰিছে; সেই ধাৰাৰ কথা উল্লেখ নকৰিলে এই আলোচনা সম্পূৰ্ণ হৈ ৰ’ব। বৰাই কৈছে— ‘ডঃ সূৰ্য্যকুমাৰ ভূঞাই যি সময়ত তেওঁৰ বৌদ্ধিক কাম কাজৰ মূল নিৰ্বাচিত ক্ষেত্ৰ ইতিহাস চৰ্চাত মনোনিৱেশ কৰিছিল, সেই সময়ত ধাৰা হিচাপে অসমত ইতিহাস চৰ্চাৰ দুটা মূল ধাৰা প্ৰচলিত আছিল বুলি ক’ব পৰা যায়। ইয়াৰ প্ৰথমটো হ’ল প্ৰাচীন পাৰম্পৰিক বুৰঞ্জীৰ ধাৰা মধ্যযুগৰ আহোম শাসন কালত লিখিত বুৰঞ্জীবোৰৰ পৰা আৰম্ভ কৰি চৰিত পুথিলৈকে বৃটিছ শাসন কালৰ প্ৰাৰম্ভৰ কাশীনাথ তামূলী ফুকনৰ বুৰঞ্জী তথা হৰকান্ত বৰুৱা সদৰামিনৰ আত্মজীৱনীলৈকে যিটো ধাৰা প্ৰবাহিত। দ্বিতীয় ধাৰাটো আছিল ঔপনিৱেশিক ইতিহাস চৰ্চাৰ ধাৰা। ইয়াৰ মাজত যেনেদৰে পশ্চিমৰ উদাৰনৈতিক ইতিহাস চৰ্চাৰ ধাৰাটোও আছিল তেনেদৰে পশ্চিমৰ ঔপনিৱেশিক শাসনক উন্নত, সুসভ্য আৰু প্ৰাচ্যৰ দেশবোৰৰ প্ৰতি এক প্ৰকাৰৰ ঈশ্বৰ প্ৰদত্ত আশীৰ্বাদ ৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসো আছিল। আনহাতেদি এই সময়ছোৱাত ভাৰতবৰ্ষৰ লগতে অসমৰো বৌদ্ধিক জগতত আৰ্ণল্ড টয়ণ্‌বী, উইল ডুৰাণ্ট আদি পশ্চিমীয়া উদাৰনৈতিক ঐতিহাসিক পণ্ডিতসকলৰ একো চমক পোহৰো পৰিছিলহি। ইয়াৰ উপৰিও ভাৰতৰ স্বাধীনতা আন্দোলনত জন্ম পোৱা জাতীয়তাবাদী ধাৰা— যি ধাৰাই তদানীন্তন ঔপনিৱেশিক শাসনৰ তুলনাত অতীতৰ ভাৰতবৰ্ষৰ শৌৰ্য্য বীৰ্য্য গৌৰৱেৰে গৰীয়ান একপ্ৰকাৰৰ স্বৰ্ণযুগ আছিল বুলি প্ৰতিপন্ন কৰিব বিচাৰে, তাৰো অনুকৰণ অসমত শুনিবলৈ পোৱা গৈছিল। এনে এক পৰিৱেশতেই ডঃ ভূঞাৰ বিকাশ আৰু আত্মপ্ৰকাশ। এই বিভিন্ন ধাৰাৰ মাজত ডঃ ভূঞাই এটা সুকীয়া ইতিহাস চৰ্চাৰ বাট কাটি উলিয়ালে। তেখেতে এহাতেদি পশ্চিমীয়া উদাৰনৈতিক ইতিহাসচৰ্চাৰ ধাৰাটোকে মূল আধাৰ হিচাপে গণ্য কৰি তাৰ সহায়ত অসমৰ ইতিহাস, বিশেষকৈ অসমৰ প্ৰাচীন ‘বুৰঞ্জী’ পুথিবোৰত লিপিৱদ্ধ ঐতিহাসিক সমলক শৃংখলাৱদ্ধভাৱে অধ্যয়ন, সম্পাদনা, উপস্থাপন কৰাৰ কামত লাগি পৰে। এই আধাৰৰ ওপৰতেই তেখেতে তেখেতৰ অন্যান্য বুৰঞ্জীমূলক লিখা মেলাখিনিও কৰে।” — ডেউকাৰ ওপৰত উল্লেখ কৰা প্ৰবন্ধ, পৃ. ১০-১১

১৯৩৫ চনত পুনা চহৰত ভাৰতীয় ইতিহাস কংগ্ৰেছ প্ৰতিষ্ঠা কৰা হৈছিল। জন্মৰেপৰাই ডঃ ভূঞা ভাৰতীয় ইতিহাস কংগ্ৰেছৰ লগত জড়িত আছিল।

আন এজন তৰুণ ঐতিহাসিক অধ্যাপক ৰাজেন শইকীয়াই ডঃ ভূঞাৰ সম্পৰ্কে এইদৰে কৈছে— “অসমৰ মধ্যযুগৰ ইতিহাস উদ্‌ঘাটন, প্ৰকাশ আৰু ব্যাখ্যা তেওঁৰ শ্ৰেষ্ঠতম কীৰ্তি। সূৰ্য্যকুমাৰৰ পিছত আন কোনো ঐতিহাসিকেই এতিয়ালৈকে তেওঁৰ দৰে ব্যাপক পৰিসীমালৈ সেই যুগৰ ইতিহাস চৰ্চা কৰা নাই। নতুন তথ্যৰ আৱিষ্কাৰে পুৰণি তথ্য আৰু মত আংশিক বা সম্পূৰ্ণভাৱে খণ্ডন কৰাটো গৱেষণাৰ স্বাভাৱিক ধৰ্ম। আমি জনাত সূৰ্য্যকুমাৰ ভূঞাৰ প্ৰচেষ্টাত পোহৰলৈ অহা ঐতিহাসিক তথ্য আন কোনো নতুন তথ্যৰ আৱিষ্কাৰে নাকচ কৰিব পৰা নাই। উদ্‌ঘাটিত তথ্যৰ নতুন ব্যাখ্যা, বিশ্লেষণ অৱশ্যেই হৈছে। কিন্তু সেইবোৰ এতিয়াও সৰ্বজনগ্ৰাহ্য হোৱা নাই আৰু ভৱিষ্যতেও তেনে হ’ব বুলি ভাবিবৰ থল নাই।” — ‘সূৰ্য্যকুমাৰ ভূঞাৰ বিষয়ে দুটামান কথা, ‘ডেউকা’ অক্টোবৰ-নভেম্বৰ, ১৯৯৪, পৃ. ১৬-১৭।

শেষত ডঃ ভূঞাৰ নিজৰ এষাৰি কথাৰে আমাৰ এই প্ৰবন্ধৰ মোখনি মাৰিম। ‘বুৰঞ্জীৰ বাণীৰ’ পাতনিত তেখেতে লেখিছে — ‘বুৰঞ্জীত সাধাৰণতে ঘটনাৰ হাড় ছাল মাথোন বিচৰণ থাকে। তাত ৰস সৃষ্টি আৰু আবেগৰ অৱতাৰণা কৰাটো এক প্ৰকাৰৰ অবিধেয়। কিন্তু সাহিত্য লিখকে সত্যৰ অপলাপ নকৰাকৈ বুৰঞ্জীৰ ঘটনাৰ আগ পাছ তাৎপৰ্য দেখুৱাই সঞ্জীৱনী ভাষাৰ সহায়ত তাত নতুন প্ৰাণ সঞ্চাৰ কৰিব পাৰে।” পিতামহজনৰ আন্তৰিকতা আৰু নিষ্ঠাই আমাৰ উত্তৰ পুৰুষক অনুপ্ৰাণিত কৰিব।

# সম্পাদকীয়

## জাতীয় সংগঠনৰ জাতীয় দায়িত্ব

জাতীয় সংগঠনৰ সংজ্ঞা, অৰ্থ যিয়েই নহওক নিজ স্বাৰ্থ বিসৰ্জন দি জাতীয় স্বাৰ্থ, জাতীয় উন্নয়নৰ অৰ্থে কাম কৰা সংগঠনকেই জাতীয় সংগঠন বোলা হয়। প্ৰকৃত জাতীয় সংগঠন ৰাজনৈতিক দল, চৰকাৰ সকলোৰে উৰ্ধত। কোনো পক্ষপাতিত্বমূলকভাৱে তেওঁলোকে কাম নকৰে। ৰাজনৈতিক দল বা চৰকাৰেও জাতিৰ বা দেশৰ উন্নয়নৰ অৰ্থেই কাম কৰে। তথাপি কোনো ক্ষেত্ৰত দলবোৰে নিজৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত কিছুমান কাৰ্যক্ৰমণিকা ৰূপায়ন কৰিব বিচাৰে, যিবোৰ সকলো শ্ৰেণীৰ মানুহে মানি ল'ব নিবিচাৰে। অথবা কোনো সময়ত একোটা জাতি তেওঁলোকৰ অধিকাৰ বা প্ৰাপ্যৰ পৰা বঞ্চিত হ'লে তেনে ক্ষেত্ৰত বৃহৎ গণ আন্দোলন গঢ়ি তুলিব লগা হয়। তেনেক্ষেত্ৰত জাতীয় সংগঠনৰ ভূমিকা বলিষ্ঠ হয়। অসমৰ ভাষা আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন ইয়াৰ উদাহৰণ। জাতিৰ সামগ্ৰিক উন্নয়নত সদৌ অসম ছাত্ৰ সন্থা, বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-সংগঠন, অসম সাহিত্য সভা বা বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ সংগঠন, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আদি জাতীয় সংগঠনৰ চিন্তা আৰু কৰ্মক ৰাইজে অন্তৰেৰে গ্ৰহণ কৰি আহিছে। কিন্তু এই সংগঠনবোৰেও যদি ন্যস্ত স্বাৰ্থ জ়তি কামত অধিক গুৰুত্ব দি আগবঢ়া পৰিলক্ষিত হয় তেতিয়া নিজকে নিজে জাতীয় সংগঠন বুলি কৈ ফুৰিব পাৰিব কিন্তু ৰাইজে নক'ব। অসমত তেনে বহু জাতীয় সংগঠন ওলায় যাক ৰাইজে জাতীয় সংগঠন বুলি নকয়, কিন্তু তেওঁলোকে নিজে জাতীয় সংগঠনৰ কৰ্মী বুলিবলৈ কুণ্ঠাবোধ নকৰে। আজিকালি হকে বিহকে দুই-এজন গোট খাই আৰ.টি.আই. মাৰি আনৰ উন্নয়নত বাধা হৈ নিজে জাতীয় দায়িত্ব পালন কৰিছো বুলি ফিতাহি মৰা লোকৰ অভাৱ নাই। বিহু, সৰস্বতী পূজা, অখণ্ড ভাগৱত পতাৰ নামত চান্দা বিচাৰি জাতীয় সংগঠনৰ পৰিচয় এনেকে দিয়া দেখা যায়। কিন্তু বানপানী, শিক্ষাৰ বিকাশ, স্বাস্থ্য সচেতনতা, দৰিদ্ৰতা নিবাৰণ আদিৰ বাবে সেৱা কৰিব বিচৰা লোক কিমান ওলায়? যিসকল ওলাই আহে তেওঁলোককে জাতিৰ প্ৰতি দায়িত্বশীল কৰ্মী বুলি আখ্যা দিব পাৰি। আমি ক'ব বিচাৰিম, কোনো ব্যক্তি, কোনো সংগঠনৰ সদস্য হওক বা নহওক মানৱীয় দৃষ্টিভঙ্গীৰে যি জাতিৰ সেৱাত আত্মনিয়োগ কৰিছে, নিজ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ প্ৰতি যি সদা সচেতন, যাৰ চিন্তাত জাতিৰ অৰ্থনৈতিক বুনিয়াদ গঢ় ল'ব পাৰে, যাৰ চিন্তাত এটা জাতি বৌদ্ধিকভাৱে আগুৱাই যাব পাৰে তেওঁহে প্ৰকৃত জাতীয় কৰ্মী। তেওঁৰ সংগঠনহে জাতীয় সংগঠন আখ্যা পাবৰ যোগ্য।

## যুগবাৰ্তাৰ কথা

◆ ৰাজনীতি, ধৰ্ম, সম্প্ৰদায়, ব্যক্তি আদিৰ প্ৰতি উদ্দেশ্য প্ৰণোদিত আক্ৰোশযুক্ত সমালোচনামূলক লেখাৰ বিপৰীতে গঠনমূলক, চিন্তাশীল, মৌলিকতা থকা প্ৰৱন্ধহে যুগবাৰ্তাৰ বাবে প্ৰেৰণ কৰিব।

◆ যিকোনো বিষয়ৰ শৈক্ষিক বিশ্লেষণমুক্ত লেখাই যুগবাৰ্তাত অগ্ৰাধিকাৰ পাব।

◆ বিভিন্ন অঞ্চলৰ সংস্কৃতিবান ব্যক্তিৰ কৰ্মজীৱনৰ পৰিচয় প্ৰকাশৰ বাবে ফটোসহ চমু লেখা প্ৰেৰণ কৰিব।

# মুকলি আকাশৰ মুক্ত বিহগ লেখিকা ফ্ৰছোৱাজ ছাগ

❑ ৰুবুল মাইবেলা

এজনী কবিতা ভালপোৱা ছোৱালী। জীৱনৰ ১৮টা বসন্ত অতিক্ৰম কৰাৰ সময়তে আন হাজাৰজনী গাভৰুৰ দৰে তাইও পৰিছিল কবিতাৰ প্ৰেমত। কবিতা আহিবি ৰাতি, পাৰি থম পাটি, তোৰ বাবেই মই নষ্ট চৰিত্ৰৰ কবি বুলি আস্ফালন নকৰি কবি পল এলুৱাৰৰ এটা বহু পঠিত কবিতাৰ পৰা শিৰোণামলৈ ১৯৫৪ চনত প্ৰকাশ কৰিছিল 'বোজৰ থ্ৰিছতেছ' *Bonjour Tristesse* নামৰ উপন্যাসখনৰ। যিখন উপন্যাসে নিশাটোৰ ভিতৰতেই সলনি কৰি দিছিল তাইৰ জীৱন। জীৱনৰ প্ৰথম উপন্যাসখনৰ যোগেদি অভাৱনীয় সফলতা লাভ কৰি সাহিত্যজগতত প্ৰৱেশ গাভৰুজনীৰ নাম আছিল ফ্ৰাছোৱাজ ছাগ।



এখন বিদ্যালয়ত শিক্ষাৰত টিন এজ গাভৰুৰ গ্ৰীষ্মকালীন ৰোমান্স কাহিনী, যি প্ৰকাশ হোৱাৰ লগে লগে ফৰাছী সমাজত প্ৰশংসা, বিৰ্তক, শিহৰণৰ সৃষ্টি হৈছিল। উপন্যাসখনৰ কাহিনীটো এনেধৰণৰ—১৭ বছৰ বয়সত ভৰি দিয়া দিৰা ছেলিন নামৰ এজনী তৰুণী। গ্ৰীষ্মকালীন সময় অতিবাহিত কৰাৰ বাবে দক্ষিণ ফ্ৰান্সৰ কোট দ্যা আজুৰলৈ গৈছে। লগত গৈছে বিপত্নীক পিতৃ আৰু তেওঁৰ তৰুণী বান্ধৱী। সৰুতেই তাইৰ সেই দুঃসাহসিক যাত্ৰা ক্ৰমশ পৰিণত হৈছিল ৰোমান্সলৈ। এজন সুদৰ্শন আইনৰ ছাত্ৰ। কিন্তু অপ্ৰত্যাশিতভাৱে এগৰাকী বয়স্ক মহিলা,যি ছেলিনৰ মাকৰ বান্ধৱী,যাৰ আগমনে ব্যাঘাত জন্মাই তাই ৰ বাসনাত। প্ৰথমতেই মাকৰ বান্ধৱীয়ে নিজৰ কৰ্তব্য পালনত তৎপৰ হ'ল। দায়িত্ববোধৰ অংশ হিচাপে ছেলিনক ৰোমান্স বন্ধ কৰি ঘৰত থকাৰ নিৰ্দেশ দিলে আৰু স্কুল পঢ়া বন্ধ কৰাৰ আদেশ দিলে। এটা পৰ্যায়ত মহিলা গৰাকী আৰু বাপেকৰ প্ৰেম হয়। তেওঁৰ বিবাহ স্থগিত কৰাৰ বাবে জীয়েকে নানানধৰণৰ কূটকৌশলৰ আশ্ৰয় গ্ৰহণ কৰে। পিতৃৰ তৰুণী বান্ধনী সৈতে নিজৰ তৰুণ বন্ধুৰ সম্পৰ্কৰ অপবাদ দিয়ে, যাতে তেওঁলোকৰ প্ৰণয়ত ঈৰ্ষাৰ উদ্ৰেক হয়। এক জটিল পৰিস্থিতিৰ বাবে পিতৃ আৰু মহিলা গৰাকীৰ সম্পৰ্কই পৰিণতি লাভ নকৰে।'

প্ৰকাশৰ লগে লগে নিশাটোৰ ভিতৰত পাঠক আৰু সমালোচকৰ দৃষ্টিত বিখ্যাত হৈ পৰে ফ্ৰাছোৱাজ ছাগ। যিবোৰ নিয়মে দৈনন্দিন জীৱনক শাসন কৰে, অভ্যস্ত অভ্যাসবহিৰ্ভূত সেই সম্পৰ্ক তুমুল সমালোচিত হয়। কমবয়সীয়া এজনী ছোৱালীৰ যৌনতাৰ বিষয়টোৱে সেই সময়ৰ ফৰাছী সামজিক ৰীতি-নীতিৰ বিপৰীত বুলিও নিন্দিত হৈছিল।

লট ভেলিৰ এখন চহৰ কাজাৰকত জন্ম হৈছিল ফ্ৰাছোৱাজ ছাগৰ। ছাগৰ প্ৰকৃত নাম আছিল ফ্ৰাছোৱাজ কোৱাৰেজ। পেৰিছৰ এক অভিজাত এলেকাত এপাৰ্টমেণ্টত বসবাস কৰিছিল। পিতৃ পিয়েৰ কোৱাৰেজ আছিল এগৰাকী বিত্তশালী ব্যৱসায়ী আৰু মাতৃ গৃহিনী। তেওঁলোকৰ তিনি সন্তান ভিতৰত ফ্ৰাছোৱাজ ছাগ আছিল কনিষ্ঠ। ঘৰত মৰমতে কিকি বুলি মাতিছিল। বিদ্যালয় নিয়ম-নীতি ভংগ কৰি ভালপোৱা স্বভাৱৰ ছোৱালী আছিল তাই। যি মন যায় তাকে কৰে। সৰুৰে পৰা কিতাপ পঢ়াৰ ৰাপ আছিল। মাত্ৰ তিনি-চাৰি বছৰ বয়সত কিতাপৰ সৈতে অতিবাহিত কৰিছিল ঘণ্টাৰ পিছত ঘণ্টা সময়। সদায় মাকক প্ৰশ্ন কৰিছিল সেই কিতাপখন মোৰ নে? মাকেও মৰমতে কৈছিল 'হয়, তুমিপঢ়িব পাৰা।' তেওঁ বিশ্বাস কৰিছিল ব্যক্তিৰ প্ৰেমতকৈ সাহিত্যৰ প্ৰতি ভালপোৱা মহৎ। অলপমান ডাঙৰ হৈ নিজকে আৱিষ্কাৰ কৰিছিল কিতাপৰ মাজত। কিতাপে যেন তাইৰ চেতনা আৰু কৰ্মক গভীৰভাৱে ৰেখাপাত কৰিছিল। তেৰ বছৰ বয়সত অদ্ৰে জিদৰ'লে নুবিচ্যুৰ তেৰেস্থ, চৈধ্যত কেমুৰ লো অম ৰেভলতত, যোল্ল বছৰ বয়সত জাবোৰ লে ইলিউমিনাছিও আকু কেইমাহমানৰ পিছতেই আলাবাৰ্ঠিন দিছপাৰু আদি অধ্যায়ন কৰিছিল।

১৯৫৩ চনত গ্ৰীষ্ম বন্ধত পৰিয়ালৰ সৈতে অৱকাশ *১৫পৃষ্ঠাত...*

# ৰজনী পাম দত্ত ঃ ভাৰতৰ এগৰাকী উজ্জ্বল নক্ষত্ৰ

❑ জমশ্বেৰ আলি



ৰজনী পাম দত্ত (দত্) চমুকৈ যি নামেৰে বিশেষভাৱে পৰিচিত আৰ পি ডি আছিল ভাৰতীয় বংশভূত এগৰাকী ব্ৰিটিছ নাগৰিক। প্ৰখৰ মেধাসম্পন্ন আজীৱন সংগ্ৰামী এই ব্যক্তিগৰাকীৰ লগত ভাৰতৰ মাটিৰ কায়িক সম্পৰ্ক নথকা সত্ত্বেও ভাৰত সম্পৰ্কে ব্যক্তিগৰাকীৰ ধ্যানধাৰণা আৰু ইয়াৰ সমস্যাৱলী সম্পৰ্কে তথ্যভিত্তিক জ্ঞান আন যিকোনো ভাৰতীয় লোকতকৈ আছিল বহু পৰিমাণে বেছি। ১৮৯৬ চনত কেম্‌ব্ৰিজত জন্ম লাভ কৰা ৰজনী পাম দত্তই ভাৰতৰ মাটিত প্ৰথম পদাৰ্পণ কৰে ১৯৪৬ চনত যদিও ভাৰতবৰ্ষৰ অৰ্থনৈতিক সমস্যাৱলী অনুধাৱন কৰিবৰ বাবে এই শতিকাৰ অন্যতম ক্ষেত্ৰভিত্তিক গ্ৰন্থ India Today (ইণ্ডিয়া টুডে, অৰ্থাৎ আজিৰ ভাৰত) ইতিমধ্যেই প্ৰকাশিত হৈছিল। তদুপৰি ভাৰতৰ জাতীয় মুক্তি সংগ্ৰামৰ বিভিন্ন স্তৰত তেওঁৰ পৰ্যবেক্ষণ আৰু পৰামৰ্শ আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলৰ বাবে মহত্বম শিক্ষা।

ৰজনীপাম দত্তৰ পিতৃ আছিল বংগদেশৰ এটা দৰিদ্ৰ পৰিয়ালৰ সন্তান উপেন্দ্ৰ কৃষ্ণ দত্ত। ১৮৫৭ চনত জন্মলভা উপেন্দ্ৰই দৰিদ্ৰতা নেওচি ব্ৰিটিছ চৰকাৰৰ বৃত্তিক সম্বল হিচাপে গ্ৰহণ কৰি কেমব্ৰিজত চিকিৎসা শাস্ত্ৰ পঢ়িবলৈ যায়। অধ্যয়নৰ শেষত ভাৰতলৈ ঘুৰি নাহি তেখেতে ইংলেণ্ডতেই স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰে। তাত তেওঁ পৰিয়াল পৰিজনৰ বাধা নেওচ চুইডেন দেশৰ আন্নাপামৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। আন্নাপামৰ পিতৃ আছিল এগৰাকী জিলা পৰ্যায়ৰ বিচাৰক। আন্নাপামৰ সম্পৰ্কীয় ভাতৃ এগৰাকী ওল্‌ফ পাম পৰৱৰ্তী সময়ত চুইডেনৰ প্ৰধানমন্ত্ৰী হৈছিল। স্বাভাৱিকতে দেখা যায় দুটা ভিন্ন সামাজিক আৰু সাংস্কৃতিক পৰিমণ্ডলৰ মিশ্ৰণত জন্মলাভ কৰিছিল তিনি ভাই-ভনী ক্লিমেন্স দত্ত, ৰজনী পাম দত্ত আৰু এলি দত্ত। জন্মৰ পৰাই এওঁলোকে সান্নিধ্য পাইছিল পিতৃৰ ওচৰত খুব সুলভ চিকিৎসাৰ সুযোগ বিচাৰি অহা দৰিদ্ৰ শ্ৰমিকসকল, ভাৰতৰপৰা ইংলেণ্ডলৈ অহা বিভিন্ন দেশৰ বিশেষকৈ ভাৰতৰ মুক্তি আন্দোলনৰ নেতাসকল, লেখিকা মাতৃৰ সৈতে চিঠিৰ যোগাযোগৰ মাজেৰে টলষ্টয়কে আদি কৰি বিখ্যাত লেখক-লেখিকাসকলৰ। এওঁলোকৰ মৰমাপ্লুত সান্নিধ্যৰ মাজতে পাইছিল বৰ্ণ বৈষম্য তিতা-কেঁহা বিভিন্ন অভিজ্ঞতা। এনেধৰণৰ সামাজিক পৰিমণ্ডলৰ পৰাই ক্লিমেন্স, এলীয়ে বিপ্লৱৰ মন্ত্ৰ দীক্ষা লাভ কৰিছিল। সেইকাৰণেই স্কুলীয়া ছাত্ৰ থাকোতেই এওঁলোক সমাজবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়ছোৱাত ৰজনীপাম দত্তই ব্ৰিটেইনৰ হৈ যুদ্ধত অংশগ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। কিন্তু যুদ্ধক্ষেত্ৰতো তেওঁ সমাজবাদী আদৰ্শ প্ৰচাৰ কৰাৰ অপৰাধত তেওঁক কাৰাগাৰত প্ৰেৰণ কৰা হয়। অৱশ্যে কিছুদিনৰ পিছতেই ৰজনী পাম দত্তই মুক্তি লাভ কৰে।

১৯১৬ চনত ইংলেণ্ডত যি ক্ষুদ্ৰ ছোছিয়েলিষ্ট ছোছাইটি গঠিত হয় তাৰ উদ্যোক্তাসকলৰ মাজত ৰজনী পাম দত্ত আছিল অন্যতম। ১৯১৭ চনত ৰুছিয়াৰ অক্টোবৰ বিপ্লৱলৈ সহমৰ্মিতা ব্যক্ত কৰি অক্সফোৰ্ডত এখন সভা অনুষ্ঠিত হয়। সভাৰ অন্যতম উদ্যোক্তা হিচাপে ৰজনী পাম দত্তক বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰা হেতুকে সেই বছৰত ৰজনী পাম দত্তই পৰীক্ষাত বহিব নোৱাৰিলে। অৱশ্যে পৰৱৰ্তী বছৰত তিনিটা *(১৮ পৃষ্ঠাত)*

# অন্যতম পথিকৃত গৱেষক ৰাহুল সাংকৃত্যায়ন

❑ ড° অঞ্জন শইকীয়া



ভাৰতবৰ্ষৰ ইতিহাৰ আকাৰ তথা তথ্য আহৰণৰ পদ্ধতিগত বিষয় সন্দৰ্ভত ঐতিহাসিকসকলৰ মাজত বিতৰ্কৰ অন্ত নাই। কিন্তু যদিহে প্ৰশ্ন কৰা হয় যে ভাৰতৰ ঐতিহ্যসমূহক নিজৰ ঐকান্তিক প্ৰচেষ্টাত তথ্য সংগ্ৰহ কৰি পাঠোদ্ধাৰ কৰাত কোনকেইজন গৱেষকে মনোনিৱেশ কৰিছিল, তেনেহ'লে সেইসকল সমাজবিজ্ঞানীৰ সংখ্যা সম্ভৱতঃ নিচেই লেখত ল'বলগীয়া। গতিকে সেই নগন্য গৱেষকসকলৰ ভিতৰত ৰাহুল সাংকৃত্যায়ন আছি অন্যতম। অৱশ্যে সাম্প্ৰতিক বহু সমাজবিজ্ঞানীয়ে ৰাহুল সাংকৃত্যায়নৰ জীৱনক তিনিটা বিশেষ দৃষ্টিকোণৰপৰা আলোকপাত কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰথমে তেওঁ অন্যতম একছত্ৰী পণ্ডিত যি ভাৰতীয় দৰ্শনৰ ওপৰত বস্তুবাদী ঐতিহ্যৰ কথা স্মৰণ কৰিছিল। ঠিক তেনেদৰে তেওঁ এনে এজন সাহিত্যিক যি মাৰ্ক্সীয় চিন্তাৰ ভিত্তিত প্ৰায় ৪৬ হেজাৰতকৈও অধিক পৃষ্ঠাত ঐতিহাসিক কাহিনীৰ ৰচনা কৰিছিল। তদুপৰি তেওঁ এজন বিশিষ্ট পৰ্যটক হিচাপে জীৱনৰ প্ৰায় পঞ্চাশ বছৰ কাল বিশ্বৰ বিভিন্ন প্ৰান্তৰ জন-জীৱন তথা ৰাজনীতি পুংখানুপুংখভাৱে অধ্যয়নত অগ্ৰসৰ হৈছিল।

উত্তৰ প্ৰদেশৰ আজমগড় জিলাৰ পাণ্ডহ নামৰ অখ্যাত এক অঞ্চলত জন্মগ্ৰহণ কৰা ৰাহুল সাংকৃত্যায়নে (১৮৯৩—১৯৬৩) দেশৰ অধিকাংশ অঞ্চল, মধ্য এছিয়া, দক্ষিণ-পূব এছিয়া, ৰাছিয়া, ইউৰোপ আদিকে ধৰি বহু দেশ পৰিভ্ৰমণ কৰিছিল। তৎসত্ত্বেও তিব্বত আছিল তেওঁৰ ইতিহাস তথা সাহিত্য উন্মেষণৰ প্ৰধান পীঠস্থান। গতিকে পথিকৃত গৱেষক ৰাহুল সাংকৃত্যায়নৰ ঘটনাবহুল জীৱনৰ দিশসমূহৰ ওপৰত সম্যক ধাৰণা পাঠক সমাজলৈ আগবঢ়োৱাটোৱেই হৈছে এই প্ৰবন্ধৰ প্ৰতিপাদ্য বিষয়।

স্মৰ্তব্য যে, প্ৰাক্ ঐতিহাসিক কালৰপৰাই প্ৰাচীন ভাৰতবৰ্ষ আৰু তিব্বতৰ মাজত এক বৌদ্ধিক তথা সাংস্কৃতিক সমন্বয়ৰ আদান-প্ৰদান ঘটিছিল। দাঁতিকাষৰীয়া এই দেশখনৰ বহু বিদ্যাৰ্থীয়ে প্ৰাচীন ভাৰতৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ক্ৰমে নালন্দা, বিক্ৰমশীলা, ওদন্তপুৰী, সোমপুৰী ইত্যাদিসমূহত বুদ্ধ বচন আৰু ভাৰতীয় শাস্ত্ৰসমূহৰ ওপৰত অধ্যয়নৰ হেতু পদাৰ্পণ কৰিছিল। কালক্ৰমত তিব্বতী বিদ্যাৰ্থীসকলেও সেই সময়ৰ বহু ভাৰতীয় পণ্ডিত/আচাৰ্যক তেওঁলোকৰ দেশলৈ নিমন্ত্ৰণ কৰিছিল। ফলস্বৰূপে ভাৰতৰ লব্ধপ্ৰতিষ্ঠিত দাৰ্শনিক পণ্ডিত শান্তিৰক্ষিক, কমলশীল, পদ্মসম্ভাৰ, অতীশ দীপঙ্কৰ, শাক্য শ্ৰীভদ্ৰ, বনৰত্ন প্ৰভৃতিসকলে তিব্বতত বৌদ্ধ ধৰ্মৰ প্ৰচাৰ কৰাৰ উপৰি বহু মূল্যবান গ্ৰন্থ সম্ভাৰো ৰচনা কৰিছিল। উল্লেখযোগ্য যে পৰৱৰ্তী সময়ত সিবিলাকক তিব্বতী ভাষালৈ অনুদিত কৰা হৈছিল। কিন্তু পৰিতাপৰ বিষয় এয়ে যে ভাৰতীয় পণ্ডিতসকলৰ এই দুষ্প্ৰাপ্য লিখনিসমূহ নানা ৰাজনৈতিক তথা প্ৰাকৃতিক দুৰ্যোগবশতঃ ভাৰতৰপৰা নিঃশেষ হৈ গৈছে যদিও তিব্বতী ভাষালৈ ভাষান্তৰ কৰাসমূহ লিখনি আজিও অক্ষত হৈ আছে। সেই কাৰণে ৰাহুল সাংস্কৃত্যায়নে তিব্বতী ভাষাৰ সাংস্কৃতিক মূল্য অপৰিসীম বুলি অভিহিত কৰিছে। তদুপৰি উক্ত পুথিসমূহৰ তাৎপৰ্যক ঐতিহাসি প্ৰেক্ষাপটত টানি আনি সাংস্কৃত্যায়নে এই বুলি মন্তব্য কৰিছে যে লুপ্তপ্ৰায় দুষ্প্ৰাপ্য গ্ৰন্থসমূহতেই নিহিত হৈ আছে প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতৰ হেৰাই যাবলৈ উপক্ৰম হোৱা ধুঁৱলি-কুঁৱলি অস্পষ্ট ইতিহাস। গতিকে নিজ জীৱনৰ সমূহ প্ৰত্যাহ্বানক নেওচি এই অন্ধকাৰ শতকসমূহক আলোকিত কৰাৰ মহৎ উদ্দেশ্য আগত লৈ সাংস্কৃত্যায়নে দৃঢ়ভাৱে তিব্বতৰ প্ৰতি অতি আওহতীয়া, দুৰ্গম অঞ্চল ক্ৰমে লুমপো, তেপুং, নাৰাযং প্ৰভৃতি সু-প্ৰসিদ্ধ বৌদ্ধবিহাৰসমূহ পৰিভ্ৰমণ কৰিছিল। অৱশেষত তেওঁৰ অসাধাৰণ ব্যক্তিত্ব আৰু বৌদ্ধধৰ্মৰ ওপৰত অগাধ পাণ্ডিত্যত মুগ্ধ হৈ তিব্বতৰ বৌদ্ধিক সমাজে ইয়াৰ ইতিহাসৰ তথ্যৰ ভঁৰাল মুকলি কৰি দিছিল। ফলস্বৰূপে প্ৰায় ২২ টা দুৰ্গম পাহাৰ সুৰংগ ভেদ কৰি অতি সযত্নে উদ্ধাৰ কৰা ১৬১৯ খন দুষ্প্ৰাপ্য গ্ৰন্থৰ ভিতৰত কাঞ্জুৰ (বুদ্ধ বচন) আৰু তাঞ্জুৰ (শাস্ত্ৰসমূহ) আদিকে ধৰি বহু তন্ত্ৰ, দৰ্শন, ইতিহাস, সাহিত্য, অভিধান, ব্যাকৰণ, ভেৰজশাস্ত্ৰ, জ্যোতিৰ্বজ্ঞান, জীৱনী সাহিত্য, শিল্প-কলা এইখিনিতে উল্লেখনীয়। তদুপৰি এই উদ্ধাৰসমূহৰ ভিতৰত বিনয়, পিটক, নাৰ্গাজুন, প্ৰভৃতি পণ্ডিতসকলৰ মূল ৰচনা সম্ভাৰসমূহো পোৱা গৈছে। সাংকৃত্যায়নৰ এনে অগাধ পাণ্ডিত্যৰ ওপৰত মোহিত হৈ সেই সময়ৰ ৰাছিয়াৰ বিশিষ্ট প্ৰাচ্য বিশাৰদ স্বেৰ বাৎস্কই সাংকৃত্যায়নে তিব্বতৰপৰা প্ৰায় ৮৪ জন সিদ্ধাচাৰ্যৰ জীৱনী আৰু ৰচনা উদ্ধাৰ কৰাটো তেওঁৰ অন্যতম কৃতিত্ব। প্ৰণিধানযোগ্য যে এই সিদ্ধাচাৰ্যসকলৰ অধিকাংশই বাংলা ভাষাকে ধৰি পূব ভাৰতৰ বহু ভাষাৰ আদি স্ৰষ্টা বুলি বহু ভাষাতত্ত্ববিদে মন্তব্য কৰিছে।

আনহাতে ৰাহুল সাংকৃত্যায়নৰ জীৱনত বৌদ্ধ ধৰ্মৰ প্ৰভাৱো কম নাছিল। তেওঁ এই বৌদ্ধ দৰ্শনৰ যোগেদি দ্বন্দ্বমূলক বস্তুবাদৰ লগত পৰিচয় হ'বলৈ সুবিধা পাইছিল। সেই কাৰণে সাংকৃত্যায়নে নিজেই কৈছে যে বৌদ্ধ ধৰ্মৰ মূল সাৰমৰ্ম হৈছে — যিটো 'সত্য' বা 'বাস্তৱ', সি 'তাৎক্ষণিক' আৰু 'গতিশীল'। এহেগলছ আৰু লেনিনেও দ্বান্দ্বিকতাৰ প্ৰাচীন উৎস হিচাপে ভাৰতৰ বৌদ্ধ আৰু গ্ৰীচৰ হেৰাক্লিচাৰ্টৰ দৰ্শনৰ ওপৰত গুৰুত্ব বহু পৰিমাণে দিছিল। সাংকৃত্যায়নেও এই এঙ্গেলছ আৰু লেনিনৰ তত্ত্বক মূল সূত্ৰ হিচাপে ধৰি বৌদ্ধ আৰু গ্ৰীক দৰ্শনৰ অন্বেষণত আত্মনিয়োগ কৰিছিল। তেওঁ নিজেই এই সন্দৰ্ভত কৈছি যে সেই সময়ত কেৱল অশ্বঘোষৰ মৌলিক কাব্য আৰু নাটক, ৰচনা সম্ভাৰসমুহেই নহয়, গ্ৰীচ-ভাৰতৰ সংমিশ্ৰণত সৃষ্টি হোৱা গান্ধাৰ শিল্প-কলাৰ যোগেদি এক নব্য দৰ্শনৰ সেঁতু প্ৰতিষ্ঠা হৈছিল।

ঠিক তেনেদৰে ৰাহুল সাংকৃত্যায়নৰ জীৱনত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱো গভীৰভাৱে পৰিছিল। উল্লেখনীয় যে ১৯১৭ চনত ৰাছিয়াত সংগঠিত হোৱা বলচেভিক বিপ্লৱৰ যোগেদি সৰ্বহাৰাৰ শাসন প্ৰতিষ্ঠাই সাংকৃত্যায়নক এই দৰ্শনৰ প্ৰতি অধিক ৰেখাপাত কৰাইছিল। সেই কাৰণে পৰৱৰ্তী সময়ছোৱাত জ্ঞানন্বেষণৰ লগতে সাধাৰণ মানুহৰ মুক্তিৰ প্ৰসংগত ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। ফলস্বৰূপে ব্ৰিটিছ শাসনাধীন ভাৰতৰ শোষিত মানুহৰ দুৰ্দশা, ১৯১৯ চনৰ জালিয়ানাৱালাবাগৰ হত্যাকাণ্ড, অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা, অন্যান্য অত্যাচাৰসমূহৰ তীব্ৰ প্ৰতিবাদ কৰাৰ পৰিপ্ৰেক্ষিতত ১৯২২—২৫ চনৰ ভিতৰত একাধিকবাৰ সাংকৃত্যায়নে কাৰাবাস খাটিবলগীয়া হৈছিল। কিন্তু ১৯৩৮ চনৰ পাছৰপৰা সাংকৃত্যায়নে তেওঁৰ ৰাজনৈতিক জীৱনৰ নিৰ্দিষ্ট পটভূমি তৈয়াৰ কৰিছিল। অৱশেষত ১৯৩৯ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টীত প্ৰত্যক্ষভাৱে যোগদান কৰি প্ৰথমে বিহাৰ শাখাৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য হিচাপে দায়িত্ব বহন কৰি ১৯৪০ চনত অনুষিঅঠত হোৱা সৰ্ববাৰতীয় কৃষক সভা সন্মিলনৰ সভাপতিৰ পদ অলংকৃত কৰি সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰিছিল। তদুপৰি সেই সময়ত বিহাৰত সংঘটিত হোৱা 'বখস্ত' আন্দোলনত বিশেষভাৱে অংশগ্ৰহণ কৰি ব্ৰিটিছ চৰকাৰৰ নিদ্ৰা হৰিছিল। যাৰ ফলত ব্ৰিটিছ চৰকাৰে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি ক্ৰমে হাজাৰীবাগ আৰু দেওলি জে'লত কাৰাৰুদ্ধ কৰি ৰাখিছিল। স্মৰ্তব্য যে এই কাৰাবাস থাকোঁতেই 'মানৱ সমাজ', 'বৈজ্ঞানিক ভৌতিকবাদ', 'ভল্গাৰ পৰা গংগা' বৌদ্ধ দৰ্শনৰ অসামান্য গ্ৰন্থ 'দৰ্শন-দিগ্‌দৰ্শন' প্ৰভৃতিৰ নিচিনা বিখ্যাত গ্ৰন্থ ৰচনা কৰি অগাধ পাণ্ডিত্যৰ পৰিচয় দিছিল।

তদুপৰি আচৰিত কথা এইটোৱেই সাধাৰণতে হিন্দী, সংস্কৃত, পালি, তিব্বতী আৰু ভোজপুৰী ভাষাত তেওঁৰ গ্ৰন্থসমূহ প্ৰকাশ পাইছিল যদিও প্ৰায় ৩৪ টা ভাষা সলসলীয়াকৈ ক'ব আৰু লিখিব পৰাটো কম কথা নহয়। তেওঁৰ ৰচিত গ্ৰন্থসমূহত দৰ্শন সংক্ৰান্তীয় মৌলিক গৱেষণা তথা ইতিহাসধৰ্মী গল্প, উপন্যাস, কাহিনীয়ে যেনেদৰে পাইছে, ঠিক তেনেদৰে সিবিলাকত শোষিত, নিষ্পেষিত তথা শ্ৰমজীৱী জনসাধাৰণৰ জীৱনযাত্ৰাৰ ভিন্ন আৰ্থ-সামাজিক সামস্যা, সমাজৰ সঁচা কথা, দুখীয়া মানুহৰ মুক্তি পথ নিৰ্দেশনাৰ প্ৰসংগসমূহো প্ৰতিফলিত হৈছে। একেদৰে ভাৰতৰ প্ৰধান ধৰ্মসমূহৰ গ্ৰন্থসমূহ অধ্যয়ন কৰিবলৈ প্ৰয়োজনীয় আটাইকেইটা ভাষা সাংকৃত্যায়নে আয়ত্ত কৰি লৈছিল। সেই কাৰণে বক্সাৰ কাৰাবাসত আৱদ্ধ হৈ থকাৰ সময়ছোৱাত ইছলাম ধৰ্মৰ মূল ধৰ্মগ্ৰন্থ 'কোৰাণ'ক সংস্কৃত ভাষালৈ অনুবাদ কৰাটো তেওঁৰ অনবদ্য অৱদানেই নহয়, অবিশ্বাস্য পাৰদৰ্শিতাও আছিল।

মুঠৰ ওপৰত কেৱল ভাৰতবৰ্ষৰ ইতিহাসৰেই নহয়, মানৱ ইতিহাসৰ সম্পূৰ্ণ জ্ঞান ৰাহুল সংকৃত্যায়নৰ আছিল আৰু প্ৰয়োগৰ দিশতো তেওঁ আছিল এজন দক্ষ, নিপুণ ব্যক্তি। সেয়েহে তেওঁ হ'ব পাৰিছিল জীৱনজোৰা পথিকৃত গৱেষক তথা ভাৰতত ইতিহাস ৰচনা কৰাৰ ক্ষেত্ৰত History from Below -এই নতুন পদ্ধতিটোৰ অন্যতম বাটকটীয়া। এইখিনিতে উল্লেখ কৰা নিষ্প্ৰয়োজন যে সম্ভৱতঃ ৰাহুল সংকৃত্যায়নৰ চিন্তাধাৰাৰে প্ৰভাৱান্বিত হৈ আমাৰ অসমতো বিষ্ণুৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই এই নতুন ধাৰাৰ প্ৰতিষ্ঠা কৰিছিল বুলি কোৱাৰ থল আছে। যি কি নহওক, ৰাহুল সংকৃত্যায়নে সৃষ্টি কৰি থৈ যোৱা মহৎ সাহিত্যৰাজিৰ মাধ্যমেৰে তেওঁ সদায় আমাৰ মাজত জীয়াই থাকিব।

ফোন ঃ ৯৪৩৫৭৩৮৬৪৫

১৫ পৃষ্ঠাত...

# গ্ৰন্থ পৰিচিতি

যুগুতাইছে বিশ্বমুখী যুগবাৰ্তাৰ হৈ
মনোজ কুমাৰ শৰ্মাই

## পৰেশ চন্দ্ৰ শৰ্মা: এক সজ মূল্যবোধৰ প্ৰতিভূ সম্বৰ্ধনা গ্ৰন্থ




নলবাৰী জিলাৰ উপৰ বৰভাগ মৌজাৰ বৰকুৰিহা গাঁৱৰ নিবাসী আৰু গংগাপুখুৰী বৰকুৰিহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট সমাজকৰ্মী পৰেশ চন্দ্ৰ শৰ্মাৰ (এম এ, বি টি) আশী সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি দক্ষিণ নলবাৰী শাখা সাহিত্য সভা আৰু গংগাজ্যোতি শাখা সাহিত্য সভাই এখন বৃহৎ কলেৱৰৰ মানদণ্ডসম্পন্ন সম্বৰ্ধনা গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। শিক্ষাবিদগৰাকীৰ জন্মদিনৰ লগত সংগতি ৰাখি ৩০ ডিচেম্বৰ, ২০১৮ তাৰিখে প্ৰকাশ তথা উন্মোচন কৰা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি ড° বীৰেন্দ্ৰ ডেকা, উপ-সভাপতি বাপুকণ ৰাজবংশী, সম্পাদক প্ৰদীপ শৰ্মা, সহযোগী সম্পাদকদ্বয় শংকৰ শৰ্মা আৰু কামিনী কান্ত মিশ্ৰ প্ৰমুখ্যে সমিতিৰ কৰ্মকৰ্তাসকলে কৰা শ্ৰমৰ প্ৰমাণ ৫১৬ পৃষ্ঠাৰ গ্ৰন্থখনৰ পাতে পাতে পোৱা যায়। বিশিষ্ট চিন্তাবিদ, সাহিত্যাচাৰ্য শশী শৰ্মাদেৱে শুভেচ্ছাবাণীৰে গ্ৰন্থখনৰ প্ৰকাশৰ কামত উৎসাহ যোগাইছে। শতাধিক লিখনিৰ উপৰি গ্ৰন্থখনত শৰ্মাদেৱৰ কিছু নিৰ্বাচিত লেখা সন্নিৱিষ্ট কৰা হৈছে। সকলো দিশ সামৰি নিপোটলকৈ যুগুটোৱা সম্পাদকীয়টোত সৰবৰহী প্ৰাক্তন শিক্ষক, সাহিত্যিক প্ৰদীপ শৰ্মাদেৱে মাজতে উল্লেখ কৰিছে— "... যি সময়ত (১৯৬৪) মানুহজনে (পৰেশ চন্দ্ৰ শৰ্মা) স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল, ইচ্ছা কৰা হ'লেই এখন কলেজত 'অধ্যাপনা' কৰিব পাৰিলেহেঁতেন। সুযোগা পাইছিল অধ্যাপনা কৰাৰ। কিন্তু জ্যেষ্ঠ পুত্ৰ হিচাপে ঘৰখনৰ প্ৰতি থকা কৰ্তব্য আৰু অঞ্চলটোক বৌদ্ধিক নেতৃত্ব দিয়াৰ মানসিকতাৰেই মেট্ৰিক পৰ্যন্ত অধ্যয়ন কৰা অতি মৰমৰ আৰু স্থানীয় আগশাৰীৰ হাইস্কুলখনত (গংগাপুখুৰী বৰকুৰিহা হাইস্কুল) শিক্ষকতা কৰিবলৈ লৈছিল।" সম্বৰ্ধনা গ্ৰন্থ সম্পাদনাৰ দুৰূহতা জয় কৰা সম্পাদকগৰাকীৰ এই কথাখিনিৰ মাজতেই অশীতিপৰ অথচ তৰুণমনা মহীৰূহ শৰ্মা ছাৰৰ দূৰদৰ্শিতা, বিচক্ষণতা আদি গুণৰো উমান পোৱা যায়। সম্বৰ্ধনা গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি ড° বীৰেন্দ্ৰ ডেকাৰ 'আযাৰ চেৰেক'ৰ মাজৰ এই কথাখিনিতেই গ্ৰন্থখনৰ প্ৰকাশৰ মহান উদ্দেশ্যৰ কথা ফুটি উঠিছে— 'স্পন্দনপূৰ্ণ সমাজৰ ব্যক্তিসকলক জীৱন কালতেই অভিনন্দন জনোৱা হয়। সম্বৰ্ধনা গ্ৰন্থ হৈছে ব্যক্তিজনৰ নিজস্ব কৰ্মৰাজি আৰু সেৱাৰ বৰঙণি সম্বলিত জীৱনীমালা। লেখকসকলে গ্ৰন্থত ব্যক্তিগৰাকীৰ সমাজ জীৱন, কৰ্মজীৱন, সাংসাৰিক জীৱন, ধৰ্মীয় তথা আধ্যাত্মিক জীৱন, যশ-খ্যাতি আদিৰ সম্যক বিৱৰণিৰে অভিনন্দন জ্ঞাপন কৰিবলৈ সুবিধা লাভ কৰে। গ্ৰন্থৰ মাধ্যমেৰে ব্যক্তিসকল জনমানসত অমৰ হৈ ৰয়। নতুন যুৱক-যুৱতীসকলৰ লগতে পঢ়ুৱৈ সমাজে অনুপ্ৰেৰণা লাভ কৰিবলৈ সজাগতা কৰে।" যথাৰ্থভাৱেই এই গ্ৰন্থখনে অঞ্চলটোত ব্যাপক বৌদ্ধিক সজাগতা সৃষ্টিৰ লগতে এগৰাকী ক্ষণজন্মা বৰেণ্য ধীমানক সমুচিত সন্মান জনাবলৈ সক্ষম হৈছে। উদ্যোক্তাসকল এইক্ষেত্ৰত সাধুবাদৰ প্ৰাপক।

### অভিনন্দন গ্ৰন্থ

## নিছলাৰ বান্ধৈ ডাঃ চন্দ্ৰ বৰা ব্যক্তিত্ব আৰু কৃতিত্ব

যোৰহাট জিলাৰ গৌৰৱ, সু-চিকিৎসক ডাঃ চন্দ্ৰ বৰাৰ পঞ্চাশ সংখ্যক ওপজা দিনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা আৰু যোৱা মে'ত উন্মোচন কৰা হয় 'নিছলাৰ বান্ধৈ ডাঃ চন্দ্ৰ বৰা ঃ ব্যক্তিত্ব আৰু কৃতিত্ব' নামৰ অভিনন্দৰ গ্ৰন্থখনি। বামুণীমৈদামৰ তপোবনে প্ৰকাশ কৰা ১৬০ পৃষ্ঠাৰ আকৰ্ষণীয় কলেৱৰৰ গ্ৰন্থখনৰ মুখ্য সম্পাদক দেৱজিৎ বৰা আৰু সম্পাদক দেৱানন্দ বৰাই ডেৰকুৰিৰো অধিক গুৰুত্বপূৰ্ণ প্ৰবন্ধ




সংগ্ৰহ কৰি সংকলনটি কৰিছে। যোৰহাট নগৰৰ উত্তৰ-পশ্চিম দিশৰ দ-গাঁৱৰ কুহুমযোগনীয়া নলিনীখাত অঞ্চলত ডাঃ চন্দ্ৰ বৰাৰ জন্ম হৈছিল। প্ৰাথমিক পৰ্যায়ৰপৰা এজন মেধাৱী ছাত্ৰৰূপে পৰিচয় দি অহা বৰাই পৰৱৰ্তী কালত অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰপৰা এম বি বি এছ আৰু এম এছ ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতে তেখেত 'Laperoscopic Surgery' বিভাগৰ এজন সুদক্ষ চিকিৎসক ৰূপে অকল অসমতে নহয়, দেশ-বিদেশতো জনপ্ৰিয় হৈ পৰে। সঞ্জীৱনী চিকিৎসালয়ৰ সু-পৰিচালনাৰেও তেখেতে বিশেষ খ্যাতি আৰ্জিছে। তেখেতৰ সাধনাৰ কষতি শিলত গঢ়া খ্যাতিময় জীৱনৰ বহু কথাই অভিনন্দন গ্ৰন্থখনত যথাৰ্থভাৱে স্থান পাইছে। ইয়াত চিত্ৰিত হৈছে বৰেণ্য চিকিৎসকগৰাকীৰ শ্ৰম, সাধনা, ত্যাগ, বদন্যতা, দৰিদ্ৰ সেৱা, সমাজ সেৱা, ব্যক্তিত্ব, দৰ্শন আদি বহু দিশৰ নিপোটল কথা। মুখ্য সম্পাদক দেৱজিৎ বৰাই অতি মন পৰশাকৈ নিজৰ কলমত উল্লেখ কৰিছে— ". . . মানুহৰ আপদে-সম্পদে সকলো ক্ষেত্ৰতে বিভিন্ন দিহা-পৰামৰ্শৰে সহযোগিতা কৰা ব্যক্তিত্ব। সহজ আৰু সৰল মানসিকতাৰ পোখা মেলি থকা তেওঁৰ আচৰণ অত্যন্ত উৎসাহবৰ্ধক। মানুহৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ যেন তেওঁক কোনো অধ্যয়নৰ প্ৰয়োজন নাই। দৰিদ্ৰতাৰ লগত সহবাস কৰি তেওঁ নিজৰ জীৱনতেই দুখ-দাৰিদ্ৰৰ সকলো অভিজ্ঞতা সঞ্চয় কৰিছে। সেয়ে হয়তো তেওঁ মানুহৰ তথা ৰোগীৰ মাজত অতিকৈ প্ৰিয়।' এই কথাখিনিয়ে ডাঃ বৰাৰ ব্যক্তিত্বৰ সুপৰিচয় তুলি ধৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় বি পি এ ছাত্ৰ সন্থাৰ অসম ৰাজ্যিক সমিতি, নৈপৰীয়া যুৱ সংঘ, 'গজালি', ত্ৰিহৃদয় গোষ্ঠী, পলস আদি অগ্ৰণী সংগঠন আৰু অনুষ্ঠানে যোৱা ১২-১০-২০১৮ তাৰিখে মাজুলীৰ কমলাবাৰীৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় প্ৰেক্ষাগৃহত ডাঃ বৰাক 'নিছলাৰ বান্ধৈ' উপাধিৰে বিভূষিত কৰে। তেখেতক এই উপাধি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী প্ৰভুৱে আনুষ্ঠানিকভাৱে প্ৰদান কৰিছিল। এই সংক্ৰান্তীয় সবিশেষ তথ্যৰ উপৰি বিভিন্ন ক্ষেত্ৰত তেখেতে জয় কৰা কৃতিসমূহো এই গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। অভিনন্দন গ্ৰন্থৰ সম্পাদকৰ কলমত দেৱানন্দ বৰাই লিখা এই কথাখিনিও তেখেতৰ ভিন্নমুখী পৰিচয়ৰ অন্যতম বাহক — 'একান্ত সাধনা, শ্ৰম আৰু অধ্যৱসায়ৰ মাজেৰে ব্যক্তিৰ পৰা অনুষ্ঠানলৈ পৰিণত হোৱা ডাক্তৰ চন্দ্ৰ বৰাই নিছলা আৰ্তজনৰ নিচেই কাষতে থাকি শাৰীৰিক,মানসিক শক্তি প্ৰদান কৰাৰ লগতে বহুজনক নতুন জীৱন দান দিছে। অত্যন্ত মানৱতাবাদী স্নেহ, ত্যাগ আৰু সহৃদয়তাৰ মাজেৰে চিকিৎসা বদান্যতাৰে স্বকীয় পৰিচয় দাঙি ধৰাসকলৰ ভিতৰত ডাঃ চন্দ্ৰ বৰা অন্যতম। গ্ৰন্থখনত ডাঃ বৰাৰ শিক্ষাগুৰু, বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, অনুৰাগী আদি বিভিন্নজনৰ লেখা সন্নিৱিষ্ট কৰা হৈছে। ৰংমন ৰংজুলিৰ অলংকৰণ আৰু সম্পাদকদ্বয়ৰ সামগ্ৰিক সম্পাদনাই কৃতিত্ব দাবী কৰিব পৰাকৈ গ্ৰন্থখন সুন্দৰ আৰু সম্পূৰ্ণ হৈছে।

## অনেক চিন্তাৰ সঁফুৰা

### (প্ৰৱন্ধ সংকলন )

মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ প্ৰাক্-ক্ষণত মহাবিদ্যালয়খনৰ অধ্যক্ষা জয়শ্ৰী ফুকনৰ সম্পাদনাত প্ৰকাশিত এখন মননশীল প্ৰৱন্ধ সংকলন হ'ল — 'অনেক চিন্তাৰ সঁফুৰা'। অসমৰ বৌদ্ধিক ক্ষেত্ৰখনত স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ থকা উদীয়মান প্ৰতিষ্ঠিত লেখকৰপৰা আৰম্ভ কৰি দীৰ্ঘদিন বৌদ্ধিক ক্ষেত্ৰখনত জড়িত হৈ জ্ঞানৰ সঞ্চিত কৰি ৰখা কেইজনমান লেখকৰ কাপেৰে নিৰ্গত মৌলিক লেখনিসমৃদ্ধ এখনি প্ৰৱন্ধ সংকলন কৰিলে কেনে হয় ?' এনে এক চিন্তাৰ অংকুৰণৰ যথাৰ্থ তথা সাৰ্থক ফচল এই প্ৰৱন্ধ সংলনটিত




এলানি গুৰুত্বপূৰ্ণ প্ৰৱন্ধই স্থান পাইছে। সংকলনটিত ভাষা, সাহিত্য, ঐতিহ্য, শিক্ষা আদি বিষয়ক মননশীল আৰু ব্যতিক্ৰম লেখাকহে স্থান দিয়া হৈছে। সংলকলনটিত স্থান পোৱা ১১ পৃষ্ঠাত...

(গল্প)

# সভাপতিৰ মন্তব্য

❑ মাণিক বৰা

আচলতে মই টান পোৱা কামৰ ভিতৰত কাৰোবাৰ মৃত্যুত আয়োজন কৰা শোকসভাত কথা কোৱাটোও এটা। প্ৰতিজন মৰা মানুহেই যে জীয়াই থকা অৱস্থাত ইমান মহাজ্ঞানী আৰু গুণী হ'ব পাৰে সেই কথা শোকসভাত উপস্থিত নাথাকিলে অনুমানেই কৰিব নোৱাৰি। সৰ্ববৰহী, জনদৰদী, নিষ্কলুষ এজন মানুহ আৰু জনসাধাৰণক চেপি-খুন্দি, ৰাজহুৱা ধন আত্মসাৎ কৰি গাড়ী আৰু ঘৰ-দুৱাৰেৰে সৰু-সুৰা জমিদাৰত পৰিণত হোৱা ডকাইত এজনো একাকাৰ হৈ যায়। সেই চাটুকাৰিতা আচলতে মই সহ্য কৰিবলৈ টান পাওঁ। সেয়েহে শোকসভাবোৰ মই প্ৰায়েই এৰাই চলো।

কিন্তু জ্বৰে এৰিলেও কৰ্পতিয়ে নেৰাৰ দৰে প্ৰায়বোৰ শোক সভাত বিচাই ডকাদি ডকা মই মানুহটোও আজি শোক সভাত সভাপতি হ'ব লগা হ'ল। আমাৰ অফিচৰ বিষয়াজন ছুটীত থকা বাবে আমাৰ অফিচৰে চন্দ্ৰেশ্বৰ শইকীয়াৰ অকাল বিয়োগত আয়োজন কৰা লোক সভাখনৰ জ্যেষ্ঠ কৃষি সম্প্ৰসাৰণ বিষয়া হিচাপে ময়েই সভাপতি হ'ব লগা হ'ল। প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়া দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপ ৰোগত ভূগি আছিল। কেইদিনমান আগতে যোৰহাটৰ নিজৰ ঘৰলৈ যাওঁতে ষ্ট্ৰোক হৈ পৰহি তেওঁ ঢুকাল। তেওঁৰ চাকৰিৰ কাৰ্যকাল আচল বয়সমতে তিনি বছৰমান আগতেই শেষ হ'ব লাগিছিল। বিভিন্ন যুক্তিৰে বয়স কমাই লোৱাৰ ফলত তেওঁৰ চাকৰি আৰু দুবছৰমান আছিলহে। এতেকে চৰকাৰী নীতিমতে তেওঁ কৰ্মৰত অৱস্থাতে ইহলীলা সম্বৰণ কৰিলে।

মই সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিছতে তেওঁৰ চকীখনলৈ প্ৰমোচন হ'বলগীয়া মিহিৰ মহন্তই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। তাৰ পিছত কাৰ্যসূচীৰ তৃতীয় দফা 'সমজুৱাৰ একাষাৰ' মই ঘোষণা কৰাৰ লগে লগে সমজুৱাৰ ফালৰপৰা ক'বলৈ হেতা ওপৰা লাগিল। প্ৰথমজনে প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়াৰ চৌপাশৰ জনপ্ৰিয়তা, বিভিন্ন গুণৰাজি ভগ্ন স্বৰেৰে আৰম্ভ কৰাৰ লগে লগে মোৰ মনৰ লেন্সতো তেওঁৰ অপকৰ্মৰ একোখন স্থিৰ চিত্ৰ বৈ বৈ পাৰ হৈ যাব ধৰিলে।

প্ৰথমজন বক্তা মিহিৰ মহন্তই উদ্দেশ্য ব্যাখ্যাত দেৱতাৰ আসনত প্ৰতিষ্ঠা কৰা প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়া বাৰু কম এটা ভণ্ড আছিলনে? তেওঁৰ দৰে পাষণ্ড কেইজনমান সমাজত একেলগে থাকিলে সেইখন সমাজ বাৰু সমাজ হৈ থাকিবনে?

প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়াৰ লগত বছৰৰ পিছত বছৰ হাঁহি তামাচাৰে চাকৰি কৰি থকা কোনো এজন সহকৰ্মীয়েই নাজানে যে — তেওঁ আচলতে চন্দ্ৰেশ্বৰ শইকীয়া নহয়, মনেশ্বৰ শইকীয়াহে। যোৰহাটৰ বেজবৰুৱা স্কুলৰ দগাবাজ ছাত্ৰ আছিল মনেশ্বৰ শইকীয়া। ফুটবল, চিনেমা আৰু গুণ্ডামীৰে ছাত্ৰ জীৱনৰ সোণালী মুহূৰ্তবোৰ পাৰ কৰাৰ কাৰণে পঞ্চমবাৰ মেট্ৰিক দিও তেওঁ পাছ কৰিব নোৱাৰিলে। তেতিয়াহে তেওঁৰ হুঁচ আহিল। ভৱিষ্যতৰ কথা ভাবি তেওঁ চকুৰে অন্ধকাৰ দেখিলে। মেট্ৰিকটো পাছ কৰা হ'লে ক'ৰবাত দুপইচামান দি কেৰাণী চাকৰি এটা বা মালৌ পথাৰৰ ভাল ম'হৰ দৈ এটেকেলিৰ সৈতে ৰূপ পাঁচশমান উপ-পৰিদৰ্শকক দি প্ৰাইমেৰী স্কুলৰ চাকৰি এটাকে ল'ব পাৰিলেহেঁতেন। পিছে নহ'ল। বিধাতাই তেওঁক সেইকণ সুযোগ নিদিলে। মনৰ দুঃচিন্তাত পুথি-পাঁজি সামৰি কাঠ মিস্ত্ৰীৰ কাম শিকোঁ বুলি ট্ৰাংকৰোডৰ কাষৰ ফাৰ্ণিচাৰ দোকান এখনলৈ অহা-যোৱা কৰিবলৈ ধৰিলে।

পিছে কিনো প্ৰভুৰ মনঙ্গ কৰত-ৰান্দা-বতালিৰ লগত এমাহমান মিতিৰ পতাৰ পিছতেই তেওঁৰ এজন নলে-গলে লগা বন্ধু চন্দ্ৰেশ্বৰ শইকীয়া টাইফয়দ হৈ ঢুকাল। মনেশ্বৰে চন্দ্ৰেশ্বৰৰ বিয়োগত পাৰে মানে কান্দিলে। কান্দি কান্দি চকু উখহাই দহা-কাজৰ কামখিনিত যথেষ্ট সহায় কৰি দিলে। দিন যোৱাৰ লগে লগে মাক-দেউতাকৰ লগতে গোটেই ঘৰখনে চন্দ্ৰেশ্বৰৰ মৃত্যুৰ ব্যথা লাহে লাহে পাহৰি আহিল। ঠিক তেনে সময়তে মনেশ্বৰে চন্দ্ৰেশ্বৰৰ কাগজ-পত্ৰ থকা টেবিলৰ দ্ৰয়াৰটো খুলি তাৰ মেট্ৰিকৰ চাৰ্টিফিকেট, মাৰ্কছিট, এডমিট কাৰ্ড আদি প্ৰয়োজনীয় কাগজখিনি চন্দ্ৰেশ্বৰৰ ভনীয়েকক কৈ লৈ আহিল। আৰু এদিন দেউতাকৰ পৰা টকা দুহেজাৰ খুজি লৈ মাক-দেউতাকক সভক্তিৰে সেৱা জনাই চন্দ্ৰেশ্বৰৰ কাগজ-পত্ৰৰে নিজকে চন্দ্ৰেশ্বৰ সাজি মনেশ্বৰ ভাগ্যৰ সন্ধানত উত্তৰ লখিমপুৰলৈ আহিল। ইয়াৰে দূৰ সম্পৰ্কীয় মামাক এজনৰ সহায়ত কৃষি বিভাগৰ এই অফিচটোতে নিম্নবৰ্গৰ সহায়ক হিচাপে যোগদান কৰি সময়ত উচ্চ বৰ্গৰ সহায়কলৈ প্ৰমোচন পোৱা চন্দ্ৰেশ্বৰ শইকীয়াই পৰহি ষ্ট্ৰোক হৈ যোৰহাটৰ কোৰোকাতলিৰ নিজা ঘৰতে শেষ নিশ্বাস ত্যাগ কৰিলে।

তেওঁৰ জীৱনৰ এই অধ্যায়টোৰ কথা এবাৰ কৃষি বিশ্ববিদ্যালয়ৰ ছেমিনাৰ এখনত যোগদান কৰিবলৈ যাওঁতে তেওঁৰ ঘৰৰ ওচৰৰে মোৰ বন্ধু এজনে কথা প্ৰসংগত কৈছিল।

সেইজন চন্দ্ৰেশ্বৰ শইকীয়াৰ গুণানুকীৰ্তনতে আজিৰ এই শোকসভাত বিভিন্নজনে সিক্ত মনেৰে, দগ্ধ হৃদয়েৰে বক্তৃতা দি গৈছে।

উত্তৰ লখিমপুৰত যে তেওঁ জনপ্ৰিয়তা অৰ্জন কৰিছিল সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। নগৰৰপৰা কিছু নিলগৰ কাৰ্যালয়ৰ ওচৰ-পাজৰৰ গাঁওকেইখনত লাহে লাহে এটাকথা প্ৰচাৰ হ'ল যে চন্দ্ৰেশ্বৰ শইকীয়াই কৰ্ণযুগিনী পোহে আৰু বিভিন্ন অসুখ-বিসুখ ভাল কৰিব পৰা তেওঁ এজন নামী বেজ। তেওঁৰ সৰু কালত মাকে গাঁৱৰ মানুহক গছৰ বাকলি, শিপা, বিভিন্ন ঔষধী বন আদি খুন্দি দৰৱ-পাতি দি সৰু-সুৰা অসুখ-বিসুখ ভাল কৰা তেওঁ দেখিছিল। কিছুমান শিকিও থৈছিল। তাকে মূলধন কৰি দুই-এজনক দৰৱ দিওঁতে মানুহে গুণ পোৱাৰ ফলত এটা কথা প্ৰচাৰ হৈ গ'ল যে কৃষি বিভাগৰ কোৱাৰ্টাৰত থকা কেৰাণীজন এজন ডাঙৰ বেজ। কৰ্ণযুগিনীৰ সহায়ত তেওঁ যিকোনো দুৰাৰোগ্য ব্যাধিৰো দৰৱ দিব পাৰে।

এই কথা ইজন-সিজনকৈ গোটেই মহকুমাতে প্ৰচাৰ হৈ মহকুমাৰ সীমাও চেৰাই যোৱাৰ লগে লগে তেওঁৰ কোৱাৰ্টাৰলৈ বিয়াগোম বিষয়া, ব্যৱসায়ীৰপৰা সাধাৰণ মানুহলৈকে নিচিগা ধাৰেৰে সোঁত ব'ব ধৰিলে। অফিচৰ সময়কণ বাদ দি পুৱা আৰু সন্ধিয়া তেওঁ উশাহ ল'বলৈকে সময় নোপোৱা হ'ল। গছৰ ছাল, বিভিন্ন বন আদিৰপৰা বনোৱা দৰৱ, তাবিজ, ডোল-ফঁহতি আদি দি তেওঁৰ তৰ্ধনি হেৰাই যায়। বস্তিৰ আৰু পূজাৰ খৰচ বুলি যি সামান্য মাননি লয় তাৰেই তেওঁৰ যথেষ্ট ইনকাম হয়। এনেদৰে ব্যস্ত থাকোতে পাগঘৰত সোমাবলৈ তেওঁ আহৰিকে নাপায়।

তেওঁৰ এই অসুবিধাবোৰ দেখি সহকৰ্মী এজনে পৰিয়াল ইয়ালৈকে আনিবলৈ পৰামৰ্শ দিছিল। পিছে তেওঁ পৰিয়াল নানিলে। বৃদ্ধ পিতৃ-মাতৃৰ পৰিচৰ্যা, ল'ৰা-ছোৱালীৰ পঢ়া-শুনা আদিৰ অজুহাত দেখুৱাই তেওঁ উত্তৰ লখিমপুৰত থকা সুদীৰ্ঘ কালত পৰিয়াল কোনোদিনে নানিলে।

অৱশ্যে তেওঁৰ অসুবিধাখিনি দেখি সেইজন সহকৰ্মীয়েই ওচৰৰে কম বয়সীয়া বঙালী বিধবা মহিলা এজনী ঘৰৰ কাম-বন কৰাৰ লগতে ভাত মুঠি ৰান্ধি দিয়াৰ বাবে যোগাৰ কৰি দিলে। ঠিক তেতিয়াৰপৰাহে তেওঁ ভাতমুঠি শান্তিৰে খাব পৰা হ'ল। ছোৱালীজনী ৰাতিপুৱাই আহি ঘৰৰ কাম-বন সকলোখিনি কৰি ভাতমুঠি ৰান্ধি তেওঁক খুৱাই-বুৱাই অফিচলৈ পঠাই নিজেও এমুঠি খাই সামৰি-সুতৰি ঘৰলৈ যায়গৈ। পিছবেলাও আবেলিতে আহি দুপৰ ৰাতিহে ঘৰ সোমাইগৈ।

এইবঙালী বিধবাগৰাকীক কেন্দ্ৰ কৰি অফিচৰ ভিতৰে বাহিৰে বু বু বা বা ওলাইছিল। মুখ ফুটাই কোনেও নক'লেও তেওঁলোক দুয়ো স্বামী-স্ত্ৰীৰ দৰে আছিল বুলি আটায়ে গোপনে আলোচনা কৰিছিল। ওচৰৰ কেইজনমান ডেকাই দুখুন্দামান দিওঁ বুলি হুমিয়াইছিল যদিও বহুতে বাৰণ কৰিলে। যুগিনী পোহা মানুহ- কি অথন্তৰখন ঘটায় কি ঠিক।

এইজন প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়াৰে ব্যৱসায়, চাকৰি বহুবছৰ সুন্দৰভাৱেই চলি আছিল। মানুহ চাই নিজকে এড্‌মিনিষ্ট্ৰেটিভ অফিচাৰ বুলি পৰিচয় দিয়া শইকীয়াই বিপদ চপাই ল'লে অফিচৰ বিহাৰী চকিদাৰ ৰামলগন মাহাতৰ মৃত্যুৰ পিছতহে। ৰামলগন বিহাৰৰ মজফৰপুৰৰ মানুহ। জণ্ডিচ ৰোগত সি ঢুকাল। উত্তৰ লখিমপুৰৰ বিহাৰী কেইজনমানে তাৰ মৃতদেহটো সৎকাৰ কৰিলে। শৱ যাত্ৰাত অফিচৰ আনবোৰৰ লগতে চন্দ্ৰেশ্বৰ শইকীয়ায়ো অংশগ্ৰহণ কৰিছিল। দুদিনমানৰ পিছত তাৰ মৃত্যুৰ খবৰটো বিহাৰৰ ঘৰলৈও পঠাই দিয়া হৈছিল।

ৰামলগনৰ মৃত্যুৰ তিনিমাহমানৰ পিছতো বিহাৰৰপৰা তাৰ ওৱাৰিচ বা পৰিয়ালৰ দেও-মনিচ এটায়ো যেতিয়া খা-খবৰ নকৰিলে, তেতিয়া চন্দ্ৰেশ্বৰ শইকীয়াই কাম এটা কৰিলে। তেওঁৰ ঘৰত ৰাতিটোৰ কেই প্ৰহৰমান বাদ দি প্ৰায় নিগাজিকৈ থকা বিধৱা ছোৱালীজনীৰ টিপ চহী লৈয়ে ৰামলগনৰ ঘৈণীয়েকৰ হৈ দৰ্খাস্ত এখন কৰি বিভাগীয় ফৰ্মেলিটিখিনি সম্পাদন কৰি গ্ৰুপ ইঞ্চুৰেন্সৰ কুৰি হাজাৰ টকা আত্মসাৎ কৰিলে। প্ৰায়েই টুৰত থকা অফিচাৰে সহজ বিশ্বাসেৰে বিল আৰু ফাইলত চহী কৰিলে। বৰ সহজতে এইখিনি হৈ যোৱাৰ কেইমাহমানৰ পিছতো বিহাৰৰ ফালৰপৰা কাৰো অহাৰ উমঘাম নেদেখি একেই ব্যৱস্থাৰে ছোৱালীজনীৰ টিপ চহী লৈয়ে বাকী টকাখিনিও আত্মসাৎ কৰাৰ যাৱতীয় আয়োজন চমু চপাই আনোতেই এদিন শইকীয়াৰ মূৰৰ ওপৰত আকাশখন ভাগি পৰিল।

এদিন পুৱা ন মান বজাত বিভিন্ন দৰ্শনাৰ্থীৰ ভিৰৰ মাজত দৰৱ, তাবিজ আদি দিয়া-মেলাত চন্দ্ৰেশ্বৰ শইকীয়া ব্যস্ত হৈ থাকোতেই এজন বুঢ়াৰ লগত এগৰাকী তিৰোতা আহি তেওঁৰ চোতালত ৰ'লহি। তাইৰ হৃদয়ৰ ৰামলগনে চাকৰি কৰা অফিচৰ চৌহদটো দেখি মানুহজনীৰ হয়তো শোকে খুন্দা মাৰি ধৰিছিল। কিছুবেলি চোতালতে অপেক্ষা কৰাৰ পিছত যেতিয়া তাই হাউ হাউকৈ কান্দি দিলে, শইকীয়াই কোনোবা টান অসুখৰ ৰোগী আহিছে বুলি উঠি গৈ গম পালে সেয়া তেওৰ ওচৰত দৰৱ বিচাৰি অহা মানুহ নহয়, ৰামলগনৰ দেউতাক আৰু ঘৈনীয়েকহে।

চন্দ্ৰেশ্বৰ শইকীয়া ভিতৰি ভিতৰি ঘামি গ'ল। তেওঁ বৰ অস্থিৰ হৈ পৰিল। দৰ্শনাৰ্থীসকলক কিবা জৰুৰী কাম আছে বুলি কৈ তেওঁ বিদায় দিলে। তাৰ পিছত আথে-বেথে তেওঁলোকক ভিতৰলৈ মাতি আনি চাহ-তাহ খুৱাই কথা-বতৰা হওঁতে তেওঁ গম পালে তেওঁলোক ৰামলগনৰ টকা-পইচা সম্পৰ্কীয় কামখিনিৰ বাবেই আহিছে। শইকীয়াই তেওঁলোকক নিৰস্ত্ৰ কৰাৰ মানসেৰে দুই এষাৰ কৈ চাইছিল। পিছে ৰে'ল ষ্টেচনৰ সিহঁতৰ গাঁৱৰে বুকিং ক্লাৰ্কজনে গোটেইখিনি কথা সিহঁতক বুজাই পঠাইছে।

অফিচ খোলাৰ পিছতে ৰামলগনৰ দেউতাকে বিধৱা বোৱাৰীয়েকক লগত লৈ অফিচাৰক দৰ্খাস্তখন দিয়াৰ লগে লগে জোলোঙাৰ মেকুৰী বাহিৰ ওলাল। তেওঁ অত্যন্ত বিশ্বাস কৰা চন্দ্ৰেশ্বৰ শইকীয়াই মৃত ৰামলগনৰ গ্ৰুপ ইঞ্চুৰেন্সৰ কুৰি হাজাৰ টকা আত্মসাৎ কৰিছে। ফাইলটো পুংখানুপুংখভাবে পৰীক্ষা কৰি তেওঁ লগে লগে জিলাৰ উৰ্ধতম বিষয়ালৈ এটা ৰিপোৰ্ট দিলে। দ্বিতীয় দিনাই চন্দ্ৰেশ্বৰ শইকীয়াৰ নিলম্বিতকৰণৰ আদেশ আহিল।

অৱশ্যে তেওঁ বেছিদিন আঁতৰি থাকিবলগীয়া নহ'ল। দুটা কিস্তিত টকাখিনি আদায় দিয়াৰ পিছত এবছৰ পূৰ নহওঁতেই চৰকাৰে তেওঁৰ নিলম্বিতকৰণৰ আদেশ খাৰিজ কৰিলে। অফিচৰ বহুতে মন্তব্য কৰিলে— যুগিনী পোহা চন্দ্ৰেশ্বৰ শইকীয়াৰ চৰকাৰে নোম এডালো লৰাব নোৱাৰিলে।

সেইজন চন্দ্ৰেশ্বৰ শইকীয়াকে কৰ্মযুগিনী, ডোল-ফঁহতি, তাবিজ একোৱেই মৃত্যুৰপৰা বচাব নোৱাৰিলে। তেওঁ মৰিল। আচলতে আদবয়সতেই মৰিল। বিধবা বঙালী ছোৱালীজনীও দ্বিতীয়বাৰৰ বাবে বিধবা হ'ল। তেওঁৰ মৃত্যুত আজি শোকসভা। মই সভাপতি। ইতিমধ্যে কাৰ্যসূচীৰ তৃতীয় দফা অনুসৰি কেইজন বক্তাই তেওঁৰ গুণ-গৰিমা বখানিলে ভাবত বিভোৰ হৈ থাকোতেই মই গমকে নাপালো।

প্ৰবীন বৰগোঁহায়ে বক্তৃতা সামৰোতেই কাৰ্যসূচীৰ সেইটো দফা সামৰি মই ঠিয় হৈ মিহিৰ মহন্তক শোক প্ৰস্তাৱ পাঠ কৰিবলৈ অনুৰোধ জনালোঁ। মহন্তই প্ৰস্তাৱ পাঠ কৰাৰ পিছত এক মিনিট মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰা হ'ল। তাৰ পিছত সভাপতিৰ মন্তব্য আৰু সভাভংগ।

মই ঠিয় হ'লো। সভাঘৰ কাঁহ পৰি জিন যোৱা। আটায়ে মোৰ মুখলৈ চাইছে। কেইজনমানে পৰম আশাৰে মোলৈ চাইছে তেওঁলোকে স্পৰ্শ নকৰা প্ৰয়াত শইকীয়াৰ কি গুণাৱলীয়েইবা মই বখানোঙ্গ ঠিক এই মুহূৰ্তত তেওঁৰ আটাইবোৰ কু-কীৰ্তি, ভণ্ডামী মোৰ এফালৰপৰা কৈ যাবলৈহে মন গৈছে। তেওঁৰ দৰে পাষণ্ড এটাক মৰণোত্তৰভাৱে হ'লেও গৰিহণা দিব লাগে। কিন্তু খুব ধৈৰ্যৰে মই নিজক সংযত কৰিলোঁ। মই মন্তব্যৰ নামত এটা শব্দও নক'লোঁ। তেওঁলোকে জনা চন্দ্ৰেশ্বৰ শইকীয়াজন তেনে ভাৱেই থাকক। সেয়েহে হাঁহি এটা মাৰি মই মাথো ঘোষণা কৰিলোঁ— 'এতিয়া সভা ভংগ'।

# শিক্ষা জীৱনৰ প্ৰত্যাহ্বান

❑ প্ৰতাপ চন্দ্ৰ শৰ্মা

বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অধ্যয়নৰত শিক্ষানুষ্ঠানটিৰ লগত শিক্ষাগুৰু সম্বন্ধিত পৰিৱেশৰ পৰা বিদায় লোৱা মুহুৰ্ত্তটোৰ বিষয়ে হৃদয়ৰ গুঞ্জনখিনি কথাৰে বা ভাষাৰে প্ৰকট কৰিব নোৱাৰি। শিক্ষাগুৰু বা শিক্ষানুষ্ঠানটিৰ বাবে কথাখিনি বৰ মধুৰ, কিন্তু সন্দেহৰ কথা যে মনৰ অনুভূতি তেনে মধুৰ হয়নে নহয়; কাৰণ তেওঁলোকে আগৰে পৰা জানে যে ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ বাবে এই অনুষ্ঠান এৰি যাব লাগিব। এই সুখ-দুখৰ সমাহাৰৰ দিনটো এদিন আহিবই বুলি তেওঁলোকে জানে। এনে অনুষ্ঠানৰ যোগে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাৰ বাবে কৃতজ্ঞতা জনোৱাৰ অনুষ্ঠান আৰু আশীষ শুভেচ্ছা জ্ঞাপনৰ উপাদেয় অনুষ্ঠান। সকলোৰে অনুভৱৰ ভাষা যে কৃতিত্বৰ ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতলৈ নিজৰ শক্তি অনুসৰি দেশৰ সেৱা কৰিব বুলি এক প্ৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ অনুভূত ক্ষণ, কাৰণ তেওঁলোকেই দেশৰ ভৱিষ্যতৰ অভিভাৱক, গুণগ্ৰাহীজনৰ আশা-ভৰষা। শিক্ষাগুৰুসকলৰ পাৰিতোষিক-মাননি গৌণ হৈ পৰে যেতিয়া শিক্ষাগুৰুসকল ছাত্ৰ-ছাত্ৰী অধ্যয়নপিপাষু সকলৰ মাজত থাকি যি আনন্দ সুখ লাভ কৰে, ছাত্ৰ-ছাত্ৰীসকলৰ সমুজ্জ্বল সুখবোৰ দেখি যি তৃপ্তি অনুভূত হয় সেই তৃপ্তি স্বৰ্গীয়, কাৰণ তেওঁলোকৰ বাবে ছাত্ৰ-ছাত্ৰীসকল ফুলনিত থকা একোটিকৈ ফুলৰ কলি। এই কলিবোৰ প্ৰস্ফুটিত হৈ এদিন ফুলৰ সুগন্ধি বিয়পাব পথিক-বাটৰুৱায়ো ঘ্ৰাণ ল'ব। তেওঁলোকে এদিন সমৰ্থবান হৈ দেশৰ-সমাজৰ অভিভাৱকৰ আশাবোৰ পূৰ্ণ কৰিব লাগিব। তেওঁলোকেই সেই সৈনিক যিসকলে ভৱিষ্যতৰ ৰাষ্ট্ৰ আৰু আন্তঃৰাষ্ট্ৰৰ দুৰূহ জটিল সমস্যাবোৰক সমাধান কৰিব লাগিব।

সাম্প্ৰতিক বিশ্বৰ চিন্তাৰ বা চৌপাশৰ পৰিৱেশ পৰিস্থিতিৰ হৈছে ধুমুহা-বৰষুণৰ দৰে অশান্ত আৰু বিশৃঙ্খল। সন্ত্ৰাসবাদ নামৰ শক্তিৰ পয়োভৰ। কাৰো মন স্থিৰ নহয়। ভয়, শংকা, আতংক, হত্যা, আত্মহত্যা, বোমা-বাৰুদ, অপহৰণ বিদ্যমান। চৌপাশৰ পৰিৱেশ সংকটপূৰ্ণ। সেয়ে সকলোৱে বিশ্ব-বসুন্ধৰা পৰিৱেশ সুস্থতাৰ বাবে অলপো সময় নষ্ট নকৰাকৈ নিজ নিজ কৰ্তব্য আৰু দায়বদ্ধতা পালনৰ বাবে দৃঢ় হ'ব লাগে যাতে কল্যাণ সাধিত হয়। মানুহে শান্তিৰ বায়ু উপভোগ কৰিব পাৰে। বিশ্বৰ বুকুত সকলো সুলভ-দুৰ্ল্লভ হ'ল শান্তি। বিকাশ আৰু বিশ্বাস আধাৰিত শান্তি সকলোৰে ইপ্সিত সম্পদ।

তৰুণচাম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিদ্যায়তনিক শিক্ষাৰ লগতে শান্তি-মৈত্ৰীৰ বিষয়েও শিক্ষা লাভৰ সুযোগৰ প্ৰয়োজন। এই সুযোগ কদাপি দূৰৈত থ'ব নালাগে কাৰণ ইয়েই আচল জ্ঞান যি নিজক ৰক্ষা কৰিব। আমাৰ দেশৰ শিক্ষা ব্যৱস্থাই চাকৰীমুখী নাগৰিক হোৱাৰ প্ৰৱণতাক বৃদ্ধি কৰিছে। কিন্তু মানৱীয় প্ৰমূল্যবোধ, মানৱতা শান্তিপূৰ্ণ, সৌহাদ্যতাৰ আনন্দময় জীৱন নিৰ্ব্বাহৰ গুপ্তুতথ্যৰে শিক্ষিত কৰাত সফল হোৱা বুলি ক'বলৈ টান। অৱশ্যে আমাৰ দেশৰ শিক্ষানীতিত আমূল সংস্কাৰ বিচাৰি বিহিত ব্যৱস্থাৰ বাবে মনোনিৱেশ কৰাটো প্ৰত্যক্ষ হৈছে। উল্লেখিত গুপ্ত তথ্য অৰ্থাৎ সত্য আৰু অসত্য, ভাল-বেয়াৰ প্ৰভেদ বিচাৰ কৰিবলৈ প্ৰত্যয় জন্মাব পৰা নাই। যিখিনি প্ৰকৃততে দৰকাৰ, যিখিনিয়ে 'বসুন্ধৈৱ কুটুম্বকম্ উদ্বেষক প্ৰত্যয় জন্মাব। বৰ্তমান মানুহ গ্ৰহ-উপগ্ৰহলৈ গৈ গ্ৰহ উপগ্ৰহ জয় কৰি অহা আনন্দটো বিদ্যমান। অৱশ্যে এইখিনি নৱ প্ৰজন্মৰ দোষ নহয়, দায়িত্ব সেইখিনিৰহে যিখিনিয়ে শিক্ষা ব্যৱস্থা পৰিচালনা কৰিছে। আমাৰ দেশৰ শিক্ষা আয়োগে প্ৰৱৰ্তন কৰা শিক্ষানীতিবোৰ পৰীক্ষামূলক বুলিহে বিবেচিত। শিক্ষা নীতিত অস্পষ্টৰূপত এক পৰিৱৰ্তনৰ বাবে চৰকাৰীভাৱে চিন্তা-চৰ্চ্চা অব্যাহত আছে। শিক্ষা নীতিৰ মধ্যত এখন শান্তিৰ ছবি পৰিস্ফুট হোৱাটো যুগৰ পৰিৱৰ্তন অৱশ্যেই বাঞ্চা কৰে। শান্তিৰ বাৰ্তাৰ হেতু বিবেক-বুদ্ধিৰ উৎকৰ্ষ সাধন শিক্ষাৰ স্ৰোত হোৱা দৰকাৰ। শিক্ষাত পাৰদৰ্শিতা দেখুওৱাৰ সামন্তৰালকৈ সদগুণাৱলীৰ উন্নতি লাভত সমৰ্থৱান হোৱাটো দৰকাৰ। সুন্দৰতা পৱিত্ৰতা, পৰোপকাৰ, সহিষ্ণুতা এইবোৰ স্বৰ্গীয় অনুভূতি। এইবোৰ মনত সাহস আৰু শক্তি যোগায়। শিক্ষা গ্ৰহণ কালত সকলোৰে প্ৰতি মৰম শ্ৰদ্ধা, বিশ্ব বসুন্ধৰা প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা দৰকাৰ। নিজৰ ঘৰখন, প্ৰতিবেশী সমাজ, নিজৰ বিদ্যালয়, সামাজিক অনুষ্ঠান, সংগীত-ক্ৰীড়া এইবোৰ সহিষ্ণুতাৰ শিক্ষাভূমি। অতি সাম্প্ৰতিক সময়ত বহুলভাৱে চৰ্চিত বিষয় হৈছে সামাজিক দ্বায়বদ্ধতা আৰু কৰ্তব্যপৰায়ণৰ তথা নাগৰিকৰ অধিকাৰ। শিক্ষকে শিক্ষকৰ দায়িত্ব, ছাত্ৰই ছাত্ৰৰ দায়িত্ব, পিতৃমাতৃয়ে পিতৃ-মাতৃৰ দায়িত্ব, সন্তানে সন্তানৰ দায়িত্ব, শাসকে শাসকৰ দায়িত্ব পালনত ব্যৰ্থ বা অনীহা প্ৰকাশ কৰিলে বাঞ্চিত ফল প্ৰাপ্তিত বাধাৰ সৃষ্টি হ'বই। প্ৰেম, সৌহাদ্য আৰু সহিষ্ণুতাৰ পৰিৱেশেহে আনন্দময় সহযোগিতা, ভাতৃত্ববোধ বা একতাৰ লগতে বিকাশ সাধন হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকল আনক দুখ দিয়া কামৰ পৰা বিৰত থাকি নিজকে ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰিব লাগে, যাতে তেওঁ নিজ নিজৰ বাবে, ঘৰখনৰ বাবে, সমাজখনৰ বাবে অথবা দেশৰ বাবে কিমান উপযোগী হৈ পৰিব পাৰে। নিজৰ সাধনা বা স্বভাৱ বা অভ্যাসত নিজকে জনাৰ দৰকাৰ। নিজ কৰ্তব্য পালনৰ অভ্যাসে জীৱনৰ বা কৰ্ম্মৰ সফলতা-বিফলতাৰ পূৰ্বানুমান পোৱা যায়। সমাজ আৰু দেশে যিহেতু উত্তৰপুৰুষৰ পৰা আশা কৰে যেয়ে উত্তৰপুৰুষৰ বিশেষণৰ ছাত্ৰ-ছাত্ৰীসকলে আশাবোৰৰ পূৰ্ণতা দিয়াত যোত্ৰবান হোৱা দৰকাৰ।

প্ৰাসংগিক যে সাম্প্ৰতিক সময়ত মানুহ অহেতুক কিছুমান প্ৰতিযোগীতাধৰ্মী কামত যুক্ত হোৱা দেখা যায়। এই অঘোষিত প্ৰতিযোগিতাৰ দৌৰ হৈছে ধন সম্পত্তি মান-যশ, পশ্চিমীয়া সংস্কৃতিৰ নামত নিজ সংস্কৃতিক প্ৰেম পাহৰি যোৱা সাজ-পাৰ, পোচাক-পৰিচ্ছদ উৎসৱ-পাৰ্বনৰ নাম প্ৰতি সংস্কৃতিক সাৱটি লোৱা ইত্যাদি ইত্যাদি। আত্ম পৰিচয় হেৰুৱাব লগা বেদনাৰ বাবে একশ্ৰেণীৰ লোক মুঠেই কম্পিত নহয়। 'আঠুৱা চাই ঠেং মেলা' আপ্ত বাক্য পাহৰি ফোপোলা ভেমৰ পোচাক পৰিধান কৰি নিজ সন্তানক ধ্বংসৰ মুখলৈ ঠেলি দিয়াটো সচৰাচৰ কথা। মেধা শক্তিক নজনাকৈ সন্তানৰ পৰা অধিক প্ৰাপ্তিৰ বাসনাই সন্তানৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱা দিশটো চাবলৈ নতুন এলিয়েট সকলৰ আহৰি নাই। যোগ্যতা নথকাকৈ উচ্চকাংক্ষাৰ পৰ্ব্বত শৃংগত আৰোহন কৰিবলৈ গৈ শ ফুট দ খাৱৈত পৰিব লগা পৰিস্থিতিক অনুধাৱন কৰাৰ বাবে একোচাম মানুহৰ আহৰি নাই; তেন্তে তেনে লোকৰ সম্ভাৱনাময় সন্তানক নিজে সম্ভাৱনাৰ ক্ষেত্ৰখনৰ পৰা নজনাকৈ দূৰৈত ৰাখিছে। অধ্যয়ন বিমুখ ছাত্ৰ-ছাত্ৰীৰ কুশলতাৰ ছবিখন অতিশয় স্পষ্ট। দৰিদ্ৰতা উন্নতিৰ সাধক হ'ব নোৱাৰে। এই কথা আমাৰ ৰাজ্যৰ দুখীয়া পৰিয়ালৰ মেধা ল'ৰা-ছোৱালীয়ে প্ৰমাণ কৰিছে। মনত অযুত সপোন লৈ পৃথিৱীখন জয় কৰিম বুলি ভাবি পঢ়া কিতাপ এৰি হাতত মোবাইল ফোনটো দুপৰ নিশালৈকে পিটিকি থাকিলে জীৱনত বঞ্চিত ফল পোৱাটো সম্ভাৱপৰ নহয়। ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ লক্ষ্য স্থিৰ কৰি প্ৰয়োজনীয় অধ্যয়ন-অনুশীলনত মগ্ন হোৱাটো দৰকাৰ। বলে নোৱাৰা শিলক পৰি নমস্কাৰ বুলি এষাৰ কথা আছে। অভিভাৱকে এই কথাষাৰৰ গুৰুত্ব বুজি সন্তানক অভিৰুচি শিক্ষাৰ বাবেহে প্ৰেৰিত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে নিজকে কি ৰূপত বিচাৰে ইও ডাঙৰ কথা। এওঁলোকৰ প্ৰত্যাহ্বানবোৰ তেওঁলোকেই বিজ্ঞজনৰ কাষ চাপি বিচাৰ-বিশ্লেষণ কৰি ল'ব লাগিব। জীৱনৰ প্ৰত্যাহ্বান জীৱন যুদ্ধত সফলতা। এই সফলতা ব্যক্তিত্বৰ আৰু দহৰ হিতৰ সাপেক্ষে সফলতা হোৱা উচিত। প্ৰকৃতি জগতক অধ্যয়ন কৰি প্ৰকৃতিৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ যত্নপৰ হোৱা উচিত। জীৱ-জন্তু, গছ-গছনি আদি কৰি প্ৰকৃতি নিজৰ প্ৰকৃতি বা আচৰণৰ বিচ্যুতি নঘটায়। গছে ৰ'দত থাকি আনক ছাঁ দিয়ে। নিজৰ প্ৰকৃতিৰ প্ৰতি সজাগ হোৱা দৰকাৰ। আন্দোলনমুখী বা প্ৰতিবাদকণ্ঠ লৈ বহু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নক নেওচি ৰাজনৈতিক দলৰ সৈতে জড়িত হোৱাৰ সুযোগ জীৱনৰ প্ৰাপ্তি বুলি তৃপ্তি লাভ বা অভিভাৱকসকলেও নেতা-পালিনেতাৰ কাষ চপাৰ গৌৰবেৰে এভাৰেষ্ট বিজয়ী আৰু বিজয় ধ্বজাখন ধৰি ৰখাৰ দ্বায়িত্ব সন্তানক দি গৌৰৱবোধ কৰে। এটা কথা অপ্ৰিয় সত্য যে আন্দোলনৰ নেতাবোৰ সদায় নিৰাপদ দূৰত্বত অৱস্থান কৰে। উলংগ-অৰ্দ্ধ উলংগ প্ৰতিবাদে ছাত্ৰ সমাজ বা দেশৰ উপকাৰ সাধনত সহায়ক হ'ব বুলি আমাৰ মনে নধৰে। 'পঢ়াই পঢ়ে ৰোৱে পান'- এই তিনিয়ে নিচিন্তে আন বুলি এষাৰ কথা আছে। ছাত্ৰ-ছাত্ৰীসকলে ৰাজনৈতিক জটিলতাত সোমাই নিজৰ অমূল্য সময় অনাহকত ব্যতিত কৰাটো নিজৰেই অপৰাধ। অৱশ্যে যিসকলে ৰাজনৈতিক ক্ষেত্ৰখনত জড়িত হৈ বিশেষ লক্ষ্যৰে আগুৱাব বিচাৰে তেওঁলোকৰ কথা সুকীয়া। দেখা যায় বহুতো স্বাৰ্থন্বেষীলোকে ছাত্ৰ-ছাত্ৰীৰ মানসিক উদ্যমক নিজস্ব স্বাৰ্থৰ হেতুৰূপে ব্যৱহাৰ কৰে। সেয়ে স্বাৰ্থসিদ্ধিৰ হেতু বলিৰ পঠা হ'বলৈ নিদি নিজকে ৰাজনীতিৰ পৰা দূৰৈত ৰাখিবলৈ সাহসী আৰু সংকল্প হোৱা দৰকাৰ। অৱশ্যে ছাত্ৰাৱস্থাত অন্যান্য শিক্ষণ সংস্থাৰ সৈতে জড়িত হোৱা সুযোগবোৰে ব্যক্তিত্ব বিকাশত কিছু পৰিমাণে সহায় কৰে।

ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক ঔৎসুকতা এনে হ'ব লাগে যে তেওঁলোকে নিজৰ মানসিক আৰু অভিজ্ঞতা লগতে বিজ্ঞলোকৰ পৰামৰ্শৰ দ্বাৰা যিমান দূৰ আগবাঢ়িব পাৰি সিমান দূৰলৈহে যোৱা ভাল। ভাৰতবৰ্ষৰ পূৰ্বৰাষ্ট্ৰপতি ড° কালামে তেওঁ জীৱনৰ অন্তিমটো ভাষণত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৈছিল, সাধনা কৰা সকলৰ বাবে অসাধ্য কোনো নাই। সকলো সাধ্য। অধিক আশা মনত পুহিলে কৰ্তব্য পালন নকৰিলে মনত বেজাৰ পোৱা কথাটো পাশ্চত নিৱন্ধ। ভাৰত পূৰ্ব প্ৰধান মন্ত্ৰী নেহৰুৱে জীয়েক ইন্দিৰালৈ চিঠিত লিখিছিল যে সমৰ্থতা পাবৰ বাবে বিজ্ঞজনৰ লগত দৰকাৰী কথাবোৰ আলোচনা কৰিবা। আলোচনাৰ মাজেদিহে সত্যবোৰ উদ্‌ঘাটন কৰি আগুৱান হ'বা। আজিকালি গুৰু শিষ্যৰ সম্পৰ্কও যি ছাত্ৰই শিক্ষকৰ সান্নিধ্য বিচাৰে শৈক্ষিক সহায়তা বিচাৰে সেইসকল সফল হোৱাটো নিশ্চিত। মই কোন মোৰ অৱস্থান ক'ত আৰু মই কি কৰি আছো এই কথাখিনি ছাত্ৰ-ছাত্ৰীৰ বাবে দৰকাৰী কথা। প্ৰচাৰধৰ্মিতা বা সস্তীয়া জনপ্ৰিয়তাৰ জখলাত বগাব বিচৰা প্ৰৱণতাই মানুহক নিম্নগামী কৰে। ছাত্ৰ জীৱনত বহুতৰ বাবে সাধন কৰিব নোৱাৰা বাসনা হয়। সেইবোৰ পূৰ্ণ কৰিবৰ বাবে বৃথা সময় ব্যতিত কৰাৰ পাৰ্থিৱজগতখন আৰু আমোদ প্ৰমোদৰ পথাৰখনত বিচৰণ কৰি সময়বোৰ কটাবলৈ ধৰে। ৰাষ্ট্ৰসংঘৰ মজিয়াত একবিংশ শতিকাটো ধ্বংসৰ যুগ হোৱাৰ আশংকাৰে আলোচনা হৈছে। সমাজ বিজ্ঞানী আৰু চিন্তাশীল ব্যক্তিসকলে যুৱকালক অৰ্থাৎ তৰুণবয়সক ধুমুহা ঢেৰেকণিৰ যুগ বুলি অভিহিত কৰিছে। সেয়ে তৰুণসকলে আত্মোপলদ্ধিৰে আগুৱান হোৱা দৰকাৰ। সাম্প্ৰতিক সমাজত নৈতিকতা বিশ্বাসযোগ্যতা এক ডাঙৰ সমস্যা। ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠন আৰু ভৱিষ্যতৰ সম্পদ গঢ়াৰ মানৱতাবাদৰ গীত গুঞ্জনৰ বাবে এখনকে মননশীল বিদ্যালয়ৰ প্ৰয়োজন। অৱশ্যে সৰ্ব্বভাৰতীয় শিক্ষণ সংস্থা বিদ্যাভাৰতীৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহত নৈতিক শিক্ষাক গুৰুত্ব দিয়া হৈছে। দেশৰ বাবে সুনাগৰিক হোৱাটো শিক্ষাজীৱনৰ এক প্ৰত্যাহ্বান। দেশত-সমাজত সংঘটিত দুৰ্নীতি-অন্যায় অনীতি, অসুয়া-ইপ্ৰীতি, নৈতিকতাহীন, উন্মাদনী প্ৰতি সংস্কৃতিৰ পয়োভৰ প্ৰত্যক্ষ কৰি তেওঁলোকে নিজকে প্ৰত্যয় জন্মোৱা দৰকাৰ যে পূৰ্বজ বা অগ্ৰজসকলে ক'ৰবাত ভুল কৰি থৈ গৈছে আমি তাৰ পুণৰাবৃত্তি নকৰো। সম্প্ৰতি মানৱতাবাদৰ পূণ্যভূমি ভাৰতীয়ৰ মুখলৈ বিশ্বৰ মানৱে চাবলৈ ধৰিছে; কিয়নো ভাৰতীয়ইহে অহিংসা আৰু মানৱতাৰ বাণীৰ লগতে বিশ্ব ধৰিত্ৰীখনক প্ৰদূষণমুক্ত কৰাৰ বাবে সমৰ্থবান। এতিয়া বিশ্বৰ আগশাৰীৰ দেশসমূহে ভাৰতবৰ্ষৰ শক্তিক উদাৰভাৱে স্বীকাৰ কৰিছে। সাম্প্ৰতিক বিশ্বৰ সকলো দেশে ভাৰতবৰ্ষক যুৱ শক্তিৰ দেশ বুলি মান্যতা দিছে। কিয়নো দেশখনৰ জনসংখ্যাৰ ওচৰা-ওচৰি পয়ত্ৰিশ শতাংশ যুৱ সমাজ। সেয়ে নিজৰ লগতে সমাজ আৰু দেশক উত্তৰণৰ দিশত আগুৱাই নিয়াৰ বাবে গভীৰ অধ্যয়ন, কৰ্ত্তব্যনিষ্ঠাত সমৰ্থ হ'ব লাগিব। শিক্ষা, সাহিত্য-সংস্কৃতি প্ৰযুক্তি বিজ্ঞান, মানৱতাৰ বাবে প্ৰতি গৰাকী অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে নিজ কৰ্ত্তব্য সূচাৰূৰূপে পালন কৰিব লাগিব। সাহিত্য-সংস্কৃতিত, ধৰ্ম, ইতিহাস, মহাপুৰুষসকলৰ মানৱতাবাদী দৰ্শন ছাত্ৰ-ছাত্ৰীসকলে গতিশীল কৰি ৰাখিব লাগিব। ভৱিষ্যতৰ পৃথিৱীখন উত্তৰ পুৰুষে সুৰক্ষিত কৰি ৰাখিব লাগিব। আশাৰ সমুজ্জ্বল মুখবোৰ দেখি আমাৰ হৃদয়ৰ আকুতিৰে ক'ব খোজে হে' মোৰ দেশৰ ভৱিষ্যত, তোমালোকৰ হাততেহ ভৱিষ্যতবোৰ সুৰক্ষিত। প্ৰিয় নবীন দলে উদীত সূৰ্য্যলৈহে প্ৰণাম যদিও আবেলিৰ হেঙুলি ৰহন।

*(লেখক 'ৰ'দালী সভা'ৰ প্ৰধান সম্পাদক)*
*ভ্ৰাম্যভাষ ঃ ৯৮৫৯৩ ৩১২৯৩*

# দিহানাম প্ৰতিযোগিতা আৰু বিচাৰ প্ৰক্ৰিয়া

❑ যোগেন দত্ত

মহাপুৰুষ শঙ্কৰ-মাধৱ দুয়োজনা মহান গুৰুৰ অমৃতময় সৃষ্টিৰাজিৰ অংশবিশেষ 'দিহানাম'। কীৰ্ত্তন, ঘোষা, বৰগীত, ভাওনা, নৃত্য, বাদ্যকে ধৰি অমূল্য সৃষ্টিৰাজিৰ ই অপূৰ্ব্ব সমাহাৰে অসম তথা অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ বৰ ভড়াল চহকী কৰি ভক্তিৰসৰ অমিয়া সুধা বিলাই বিশ্ব দৰবাৰত অসম মাতৃভূমিক চিনাকি কৰাই নহয় এক সুকীয়া আসনত প্ৰতিষ্ঠিত কৰি গৈছে। ভকতপ্ৰাণ ভগৱন্তৰ গুণানুকীৰ্ত্তনত বিশেষভাৱে স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা সঙ্গীতকলাৰ শ্ৰেষ্ঠ গায়ন শৈলীৰ শ্ৰেষ্ঠ বৰগীত আৰু কাব্যিক শ্ৰেষ্ঠ কীৰ্ত্তন ঘোষাই ভক্তি মাৰ্গীয় উপাসনা সঙ্গীতৰ আধ্যাত্মিকতাৰ মান বিশিষ্ট মনোৰম উপাস্য ভাণ্ডাৰ। তাৰোপৰি 'দিহানাম' প্ৰসঙ্গয়ো বিশেষ স্থান অধিকাৰ কৰি ভক্ত সমাজত বহুল প্ৰচাৰ দিশত গতি কৰি আহিছে। উল্লেখ কৰা প্ৰয়োজন যে, গীত বা নাম ৰচনা কালত গুৰু দুজনাই বৰগীত, দিহানাম, হীৰানাম বা অন্যান্য গীতসমূহ নিজে নামকৰণ কৰা নাছিল। পাছত ভক্তপ্ৰাণ ভকত বৈষ্ণৱ তথা শাস্ত্ৰজ্ঞ পণ্ডিত সকলেহে গীত বা কাব্যৰ দৰ্শন, আধ্যাত্মিকতা, সামাজিক সচেতনতা, সাৰমৰ্মাৰ গভীৰতা উপলব্ধি কৰি গীতসমূহৰ স্থান, মান নিৰূপণ কৰি নামকৰণ কৰা হৈছিল বুলি বৈষ্ণৱ পণ্ডিতে মত পোষণ কৰা দেখা যায়।

এই নাম সৰোবৰৰ মাজৰে এটি অংশ বিশেষ 'দিহানাম'। দিহাৰ অৰ্থ পৰামৰ্শ, উপদেশ, বিধান। ভক্তি মাৰ্গীয় সঙ্গীতৰ অন্যতম সৃষ্টি দিহানামৰ বিশেষ বৈশিষ্ট্য হ'ল শ্ৰোতাৰ হৃদয় জিনি যাব পৰা তত্ত্ব গধুৰ মান বিশিষ্ট ভাষিক-কাব্যিক গুণসম্পন্ন চিন্তাধাৰাৰ বৰ্ণিল অনুপম অন্যতম অৱদান। পৰিৱেশন কালত শিল্পীসমষ্টিই সুৰৰ মায়াজালৰ লগতে বাদ্যযন্ত্ৰৰ যৌগিক সমলয়ৰ দ্বাৰা শ্ৰোতা-দৰ্শকক হৃদয় স্পন্দন কৰি গভীৰৰ পৰা গভীৰলৈ মন আৰু প্ৰাণক পুলকিত কৰি সাংগীতিক জোৱাৰ সৃষ্টিৰ সক্ষমতা মন কৰিব লগা।

দিহানামৰ সৃষ্টিৰ আঁৰত পৰমাৰ্থতত্ত্ব বিগলিত ভক্তিৰসৰ প্ৰেমৰ অমৃত সদৃশ নদীত নিজকে সপি দি ভগৱন্তৰ শ্ৰীচৰণত শ্ৰদ্ধা নিবেদিত মাঙ্গলিক কাৰ্য্যৰ এক কৰণি মাত্ৰ। গুৰুৰ প্ৰতি শ্ৰদ্ধাভক্তি, গুণ-গৰিমা প্ৰকাশিত ভক্তি অৰ্ঘ্য সম্বলিত পৰম গুৰুৰ আৰাধনাত যিসমূহ গীত ৰচনা কৰা হৈছিল সেইয়া উপাসনাৰ এক উদ্দেশ্যে মহান সৃষ্টিৰ আঁৰতেই দিহা নাম। মাধৱ গুৰুৰ কাব্য গাঁঠা 'ঘোষা'ত পৰমাৰ্থিক তত্ত্ব গধুৰ দিহা-উপদেশ পৰামৰ্শ পৰিপূৰ্ণ কাব্যৰ এক বিৰল সমাহাৰ।

সঙ্গীত শাস্ত্ৰৰ দৃষ্টিৰে লক্ষ্য কৰিলে দেখা যায় দিহানামত প্ৰতিটো 'স্বৰ' শুদ্ধ। ইয়াত কোমল স্বৰ আৰু বিকৃত স্বৰ ব্যৱহাৰ হ'ব নালাগে। অৰ্থাৎ সা, ৰে, গা, মা, পা, ধা, নি, সকলোবোৰ শুদ্ধ স্বৰ।

আজিকালি গীতিকাৰসকলে দিহানামৰ ঠাছত গীত ৰচনা কৰি সুন্দৰ স্বৰৰ ঢৌৰ সৃষ্টি কৰি কেছেট আদিত পৰিৱেশন কৰি শ্ৰোতাক মনোৰঞ্জন দিয়াত উপকৃত হৈছে যদিও সেইবিলাক দিহানাম নহয়। প্ৰকৃত পক্ষে ক'বলৈ গ'লে সেইবোৰক আধুনিক ভক্তিমূলক গীতৰহে আখ্যা দিব পাৰি। যেনেকৈ বৰগীত গুৰু দুয়োজনাৰ হে সৃষ্টি।

**প্ৰতিযোগী দল সমূহৰ কাৰণে তলত উল্লেখ কৰা নীতি-নিয়ম তথা কিছু পৰামৰ্শ আগবঢ়োৱা হ'ল।**

১। সময় নিৰূপন ঃ প্ৰতিযোগিতাৰ কাৰণে নিৰ্ধাৰিত এক সময় নিৰূপণ কৰা হয়। ধৰা হওঁক ১০/১৫ মিনিট সময় নিৰ্ধাৰিত কৰা হৈছে। উক্ত নিৰোপিত সময়ৰ ভিতৰতেই প্ৰতিযোগিতাত পৰিৱেশন কৰা দিহানাম সম্পূৰ্ণ শেষ কৰিব লাগে। তাৰ বাবে আখৰা কৰোতেই সজাগ আৰু সচেতন হোৱাটো বাঞ্চনীয়। যিহেতু শেষ সংকেটৰ পাছত বিচাৰকে বিচাৰ প্ৰক্ৰিয়াৰ কোনো মূল্যাঙ্কন কৰিব নোৱাৰে বা নকৰে।

২। উপস্থাপন ঃ এই প্ৰক্ৰিয়াটো হৈছে বিচাৰক তথা শ্ৰোতা-দৰ্শকক আকৰ্ষিত কৰিব পৰা এক বিশেষ কৌশল। ইয়াক অৱলম্বন কৰোতে দলটোৰ নিজস্ব জ্ঞান-বুদ্ধি ওপৰতেই নিৰ্ভৰশীল। শ্ৰদ্ধাভক্তিভাবে ধৰ্ম্মীয় অনুভূতিত আঘাট নোহোৱাকৈ আসন গ্ৰহণ কৰাৰ পাছত ভকতক সেৱা জনাই হৰিৰ ধ্বনি দি গুৰু স্মৰণ বন্দনাৰে মূল প্ৰতিযোগিতালৈ অগ্ৰসৰ হ'ব লাগে।

৩। পোচাক পৰিধান ঃ ধৰ্ম্মীয় পৰম্পৰা ৰক্ষা কৰি শুদ্ধ (শুকুলা) বস্ত্ৰ পৰিধান কৰাটো বাঞ্চনীয়। মহিলাই ৰিহা-মেখেলা, চাদৰ-গামোছা, কপাহী বস্ত্ৰ পৰিধান কৰাটো সকলোৰেই কাম্য। সেইদৰে অলঙ্কাৰৰ ক্ষেত্ৰটো অতি সাধাৰণ মাৰ্জিত ৰুচি সম্পন্ন হোৱাটো বাঞ্চনীয়। এই ক্ষেত্ৰত সকলো প্ৰতিযোগী সদস্যৰ সাজপাৰ যাতে সমধৰণৰ হয় তাৰ প্ৰতি লক্ষ ৰখাৰ লগতে ব্যৱহাৰ পদ্ধতিত যাতে ঐক্য সমসাজ (Uniform) হয় তাৰ প্ৰতিয়ো মনোনিৱেশ কৰা আৱশ্যক। পুৰুষৰ ক্ষেত্ৰটো শুদ্ধ বস্ত্ৰ যেনে ধুতী, চেলেং কাপোৰ, গামোছাই প্ৰধান যদিও স্থান-কাল ভেদে ধৰ্ম্মীয় পৰম্পৰা অনুযায়ী ৰীতি-নীতিৰ পাৰ্থক্যৰ কিছু তাৰতম্য দেখা যায়। এই তিনি বস্ত্ৰ উপৰিও বাদ্য সংগতকাৰী সকলে দীঘল কামিজ বা কুৰ্টা, মুৰত বগা পাগুৰি পৰিধান কৰি দলত অংশগ্ৰহণ কৰিলে দলৰ সৌষ্ঠৱ বৃদ্ধিত বিশেষ সহায়ক তথা অৰিহণা যোগোৱা হয়।

৪। বাদ্য ব্যৱহাৰ আৰু সংগত ঃ সংগতিবিহীন সঙ্গীতৰ স্থান অতি নিম্ন। দিহানামত খোল, ভোৰতাল, খুটিতাল, পাতিতাল, দুইতাঁৰা, খঞ্জুৰি, বাংশী আদি থলুৱা বাদ্য সম্ভাৰ ব্যৱহাৰ উপযোগী হিচাপে গণ্য কৰিব পাৰি। সংগত কালত নামতীৰ কণ্ঠৰ লগত সংগতি ৰক্ষা কৰি সপ্তকৰ নিৰ্দিষ্ট 'স্বৰ'ৰ লগত (Scale) মিলাই সুৰ বান্ধি ল'ব লাগে। এই ক্ষেত্ৰত সুৰৰ সমতা ৰক্ষা কৰি সঙ্গীতৰ মৰ্যদা ৰক্ষা কৰাটো বাদ্য সংগত কৰা সকলৰ দায়িত্ব। যিহেতু সঙ্গীত বে-সুৰা হ'লে সঙ্গীতৰ মৰ্য্যদাহানি হোৱাৰ লগতে শ্ৰুতিত আঘাট হয় আৰু শ্ৰোতাৰ আমনিদায়ক হয়। তাৰোপৰি তাল, মান সঠিকভাৱে ৰক্ষা কৰি সংগত কৰিলে শ্ৰুতিমধুৰ হয়। বিশেষকৈ বাদ্য সংগতকাৰী সকলে মনোনিৱেশ কৰা উচিত যে, গীত বা নামৰ সৌষ্ঠৱ বৃদ্ধিৰ ক্ষেত্ৰত বাদ্যই যাতে গীত বা নামভাগক গ্ৰাস কৰিব নোৱাৰে আৰু বাদ্যৰ উচ্চ শব্দই নামত বিৰোপ প্ৰভাৱ পেলাব নোৱাৰে তাৰ বাবে সতৰ্ক হোৱাটো বাঞ্চনীয়। জানি থোৱা ভাল যে গীতৰ গাম্ভীৰ্য্য ৰক্ষাৰ ক্ষেত্ৰত বাদ্য সহযোগ আৰু সংযোগৰ ভূমিকা অপৰিসীম।

৫। কণ্ঠ আৰু সমবেদ ঃ এই ভাগটো কণ্ঠ সঙ্গীতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। সঙ্গীতৰ গীত, বাদ্য, নৃত্যৰ ভিতৰত কণ্ঠ সঙ্গীতকেই প্ৰথম স্থানত ৰখা হৈছে। ভাল কণ্ঠৰ গৰাকীয়েই শ্ৰোতা-দৰ্শকক মোহাচন্ন কৰি ৰাখিব পৰা এটা শক্তিৰ আঁকৰ। সফল গায়ক হ'বলৈ হ'লে প্ৰথমেই কণ্ঠ তাৰ পাছতহে সুৰ, তাল, লয় আদি গুণৰ অধিকাৰী হোৱাটো একান্তই বাঞ্চনীয়। এক কথাত ক'বলৈ গ'লে কণ্ঠ ভগৱানৰ দান যদিও ভাৰসাম্য ৰক্ষা কৰি নতুন প্ৰলেপ সানি সঙ্গীত শাস্ত্ৰৰ দ্বাৰা কণ্ঠক পৰিচালিত কৰা চেষ্টা কৰিলে নিশ্চয় সু-ফল লাভ কৰিবলৈ সক্ষম হ'ব। ই এক সাধনা আৰু সাধনাই সিদ্ধি লাভৰ উপায়।

ধ্বনি বা নাদ সঙ্গীত সৃষ্টিৰ মূল উপকৰণ। অৰ্থাৎ কম্পন নাদৰ পৰাই সৃষ্টি হয় আৰু তাৰ মূলতেই ঘৰ্ষণ। সমবেত কণ্ঠটো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে উপলব্ধি কৰা হয়। সেয়েহে দলৰ প্ৰতিগৰাকী সদস্যই কণ্ঠৰ প্ৰতি যত্ন লোৱা অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। দলৰ সদস্যসকলৰ যদি কণ্ঠৰ মিল নাথাকে তেনে ক্ষেত্ৰত গীত বা নামভাগত বিৰোপ প্ৰতিক্ৰিয়া হয়। তাৰ ফলত দলীয় সংগতি বিঘিনি ঘটে আৰু সঙ্গীত বে-সুৰা হৈ শ্ৰুতিৰ মধুৰতা ম্লান হয়। তলত কণ্ঠ শুৱলা আৰু মধুৰ কৰিবলৈ এটি প্ৰাকৃতিক বিধান উল্লেখ কৰা হ'ল। যিহেতু শাস্ত্ৰীয় সন্মত ভাৱে সাধনা কৰিবলৈ সকলোৰে কাৰণে সম্ভৱ নহয়। "ৰাতিপুৱা শুই উঠি কুহুমীয়া গৰম পানীৰ লগত কম পৰিমাণৰ লৱন মিহলাই দুই বা তিনি মিনিট সময় প্ৰতিদিনে গাগল কৰা পাছত ৰাম তুলসি পাত, বনজালুক খুন্দি ৰস উলিয়াই তাৰ এক চামুচ (চাহ চামোচ) ৰসৰ লগত আধা চামোচ মৌৰস মিহলি কৰি প্ৰতিদিনে খালে কণ্ঠৰ জঠৰতা নোহোৱাৰ লগতে শুৱলা হোৱাত সহায়ক হ'ব।

কণ্ঠ পৰিচালনা কৰোতে সপ্তকৰ (Scale) জ্ঞান অৱশ্যক। সপ্তক তিনিটা- উদৰা, মুদৰা আৰু তাৰা। গতিকে এই তিনিওটা সপ্তকতে গায়ক সকলে কণ্ঠ নিগৰাবলৈ চেষ্টা কৰা উচিত।

৬। নাম পৰিৱেশন ঃ জোৰণি অংশত হৰি ধ্বনিৰে আৰম্ভ কৰি গুৰু স্মৰণ- পাছত

"শঙ্কৰ স্বৰূপে হৰি    নিজ অংশ অৱতাৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে আসি    তৈতে তৈল বন্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।।"

আদি বা তেনেধৰণৰ ঘোষা পদেৰে জুৰণি কৰিলে ভাল হ'ব। তাৰ পাছত দিহানাম পৰিৱেশন কৰিলে ভাল হয়। মাজত ভাঙনি কৰি নাম জুৰিব পাৰে। ঘোষাৰ পাছতো পদৰ দ্বাৰা ঘোষি ঘোষি নাম গোৱা বৈষ্ণৱ ভকতৰ পৰম্পৰা। দিহানাম ধৰ্ম্মীয় উপদেশ বিজৰিত পৰামৰ্শ মূলক কাব্য ধাৰাক আগস্থান দিয়া হয়। ঘোষা পদত পদসমূহ কীৰ্ত্তন পুথি বা আখ্যান-উপাখ্যানৰ লগত সংগতি ৰক্ষা কৰি পদ ব্যৱহাৰ কৰাটো বাঞ্চনীয়। দিহানামৰ সুৰৰ ক্ষেত্ৰত শ্ৰোতা দৰ্শকক মনোৰঞ্জন দিব পৰাকৈ অৰ্থাৎ হৃদয় জিনি যাব পৰাকৈ নিজস্ব প্ৰতিভাৰে সুৰ সংযোজন কৰি ল'ব পাৰে যদিও ধৰ্ম্মীয় পৰম্পৰা ৰক্ষা কৰি সুৰৰ মৰ্য্যদা অক্ষুন্ন ৰাখি দিহানামৰ প্ৰকৃত সুৰৰ পৰা ফালৰি কাতি আধুনিকতা পৰশত প্ৰলেপ সানিব নালাগে। আধুনিকতাৰ প্ৰলেপ সানি দিহানামৰ প্ৰকৃত স্বৰূপ বিপথগামী নকৰাই শ্ৰেয়। সংগতৰ ক্ষেত্ৰটো ধীৰ-স্থিৰভাবে নামত বিৰোপ প্ৰতিক্ৰিয়াৰ প্ৰভাৱ নপৰাকৈ তাল, মান, ৰক্ষা কৰি নামাংশক মোহনীয় কৰি তুলিবলৈ সকলো সদস্যৰ সঁহাৰি অতি প্ৰয়োজন। সংগতক গুৰুত্ব সহকাৰে গ্ৰহণ কৰি দিহানামক প্ৰকৃত মাত্ৰা প্ৰদান কৰি গায়ন আৰু বাদন শৈলীত প্ৰকৃত সুৰাবস, মনোৰম শ্ৰুতি মধুৰ কৰি তুলি ভক্ত প্ৰাণ ভকত শ্ৰোতাক ভক্তি প্ৰেমৰ অমিয়া সুধা বিলাবলৈ সক্ষম হ'ব পাৰি। লগতে শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰটো গুৰুত্ব প্ৰদান কৰিব লাগে।

৭। দলগত ঐক্য ঃ দলগত ঐক্য মানে দলৰ একতা। দলৰ উমৈহতীয়া প্ৰচেষ্টাত প্ৰাণ পায় উঠা বিষয় পটভূমিৰ সুস্থ প্ৰয়াস। সাজ-সজ্জাকে ধৰি বিভিন্ন শিতান যেনে কণ্ঠ, বাদ্য, তাল-মান, সুৰ, লয় আদিৰ লগতে ধৰ্ম্মৰ লগত খাপ খোৱা নীতি-নিয়মসমূহ সুন্দৰ-সুস্থ পৰিকল্পনে দলৰ ঐক্য সংহতি বজাই ৰাখিব পৰা শৃঙ্খলিতভাৱে পৰিৱেশিত তথা পৰিসমাপ্তিৰ মূল্যায়ণত দলৰ দায়বদ্ধতাৰ নিদৰ্শন।

৮। অপৰাধ মৰিষণ ঃ ধৰ্ম্মীয় ভক্তিতত্ত্বৰ বিচাৰ মতে গুৰুজনাৰ আদৰ্শগত দিহাপৰামৰ্শ অনুযায়ী আনুষ্ঠানিকতা ৰক্ষাৰ ক্ষেত্ৰত ভগৱন্তৰ গুনানুকীৰ্ত্তন বা উপাসনাৰ সময়ত কিছুমান নীতি নিৰ্দেশনা স্থান ভেদে বান্ধি লোৱা হৈছে। নীতি নিৰ্দ্দেশনাবোৰ প্ৰতিটো দলে সামাজিকভাৱে মানি চলাটো কৰ্ত্তব্য আৰু দায়িত্ব। তাৰ উপৰিও নামৰ বিসংগতি, ঘোষপদৰ বিসংগতি আদি অনেকখিনি জ্ঞাত বা অজ্ঞাতে অপৰাধ হ'ব পাৰে। এই অপৰাধসমূহ মৰিষণৰ অৰ্থে দুয়োজনা গুৰুৰ আদৰ্শৰে অনুপ্ৰানিত আৰু সামাজিক সংস্কাৰ জড়িয়তে নীতি-নিৰ্দ্দেশনাসমূহ পূৰ্ব্বপুৰুষসকলৰ দিনৰ পৰাই মানি অহা হৈছে। তাৰ ভিতৰত নামৰ অপৰাধ, দেউৰ অপৰাধ, গুৰুৰ অপৰাধ আৰু ভকতৰ শত সহস্ৰ অপৰাধেই প্ৰধান। গতিকে এই অপৰাধ সমূহ ভঞ্জনাৰ্থে নামৰ শেষত সকলোৰে কুশল অৰ্থে হৰি ধ্বনি দি তলত উল্লেখ কৰা ধৰণৰ অপৰাধ ভঞ্জনৰ ঘোষাৰ দ্বাৰা ভগৱন্তৰ পৰমেশ্বৰৰ সন্তোষিত কাৰণে প্ৰাৰ্থনা জনোৱা হয়।

অপৰাধ বিনাশন    তযু নাম নাৰায়ণ
জানি নাম পশিলো শৰণে
আন গতি নাহিকে মৰনে।
অপৰাধ ক্ষমা কৰি    তুমি দয়া শীল হৰি
মোক ৰক্ষা কৰিয়ো চৰনে।। ঘোষা

সামৰণি ঃ শেষত হৰিধ্বনি দি গুৰুৰ বন্দনাৰে...

শ্ৰীমন্ত শঙ্কৰ হৰি ভগতৰ, জানা যেন কল্পতৰু।
তাহান্তৰ বিনে নাহি নাহি নাহি আমাৰ পৰম গুৰু।।

গাই গুৰুৰ জয়ধ্বনি "জয়গুৰু শঙ্কৰ" গুৰুৰ সন্তোষ আৰু প্ৰসন্নাৰ্থে ধ্বনিৰে শেষ কৰিব পাৰে।

জানিব লগীয়া একেষাৰ ঃ ওপৰোক্ত শিতানসমূহ কাৰ্য্য সমাধান কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। গতিকে ধাৰ্য্য সময়ৰ ওপৰত নিৰ্ভৰ কৰি গোটেইখিনি ভাগ সমাধানৰ ব্যৱস্থা দিহানামৰ দলটোৰ ওপৰত নিৰ্ভৰ কৰিব।

বিশেষতঃ নাম বা গীতসমূহৰ প্ৰতিযোগিতা হিচাবে পৰিৱেশন কৰাত বহুজনৰ বিভিন্ন মতাদৰ্শ দেখা যায়। স্থান-কাল ভেদে ধৰ্ম্মীয় ৰীতি নীতিও বেলেগ বেলেগ হোৱাটো নুই কৰিব নোৱাৰি। তাৎপৰ্য্যপূৰ্ণ কথাটো হ'ল এই প্ৰতিযোগিতাসমূহ বিচাৰ আৰু মূল্যায়ণৰ ক্ষেত্ৰত ধৰ্ম্মী ৰীতি-নীতি, পৰম্পৰা, সামাজিক দৃষ্টিভঙ্গী, দৰ্শনৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। যিহেতু এই প্ৰতিযোগিতাসমূহৰ নিৰ্দিষ্ট কোনো সংবিধান নাই। কীৰ্ত্তন-ঘোষা আৰু দুয়োজনা গুৰুৰ বিধানেই একমাত্ৰ ভৰসা।

*(লেখক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক) দূৰভাষ ঃ ৯৭০৭৮৬২৭৭২*

# এগৰাকী বিদুষী নাৰী নিৰ্মলা হাজৰিকা

❑ লব কুমাৰ দত্ত



দক্ষিণ যোৰহাটৰ ঐতিহাসিক কৰঙা বৰুৱা গাঁও নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা নিৰ্মলা হাজৰিকা বাইদেউৰ জন্ম ১৯৩০ চনৰ ১৪ এপ্ৰিলত যোৰহাটৰ ২ নং তৰাজান সোণাৰী গাঁৱত। পিতৃৰ নাম আছিল প্ৰয়াত নৰদীপ বৰদলৈ আৰু মাতৃৰ নাম আছিল সৰু আই বৰদলৈ। নিচেই সৰুতে মাতৃক হেৰুৱাব লগা হোৱাত পিতৃ নৰদীপ বৰদলৈয়ে দ্বিতীয় বিবাহ কৰায়। দ্বিতীয় গৰাকী মাতৃ প্ৰেমদা বৰদলৈৰ তত্বাৱধানতে নিৰ্মলা হাজৰিকা (বৰদলৈ) বাইদেউৰ শৈশৱ কাল পাৰ হয়। বাইদেউৰ শিক্ষা জীৱন আৰম্ভ হয় যোৰহাট দেৱীচৰণ বৰুৱা প্ৰাথমিক বিদ্যালয়ত। ইয়াৰ পাছত মিঠাপুখুৰী এম্ ই স্কুলত মাধ্যমিক শিক্ষা সাং কৰি যোৰহাট চৰকাৰী বহুমুখী বালিকা বিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৩ চনত কৰঙাৰ স্ত্ৰী শিক্ষাৰ বাটকটীয়া প্ৰবীন স্বাধীনতা সংগ্ৰামী কুন্তেশ্বৰী দত্তই কৰঙা বৰুৱা গাঁও নিবাসী স্বাধীনতা সংগ্ৰামী চিদানন্দ হাজৰিকালৈ নিৰ্মলা বাইদেউক বিবাহ কৰাই আনে। বিবাহৰ এবছৰৰ পাছতেই কৰঙা সেৱাশ্ৰম বিদ্যালয়ত বাইদেৱে শিক্ষয়িত্ৰী হিচাবে যোগদান কৰে। পাচলৈ বৃহত্তৰ কৰঙা অঞ্চলৰ কেইবাখনো প্ৰাথমিক বিদ্যালয়ত সুখ্যাতিৰে শিক্ষকতা কৰি ১৯৮৬ চনত ১৪২ নং কৰঙা ব্ৰাহ্মণ গাঁও চাৰিঙীয়া প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী হিচাবে অৱসৰ গ্ৰহণ কৰে। অত্যন্ত পৰিপাটি, নিয়মানুবৰ্ত্তিতা আৰু সময়ানুবৰ্তিতাৰে অতি সততাৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰি এই গৰাকী বিদুষী মহিলা অৱসৰৰ পাছত সামাজিক কাম-কাজত সক্ৰিয় ভাৱে জড়িত হৈ পৰে। কৰঙাৰ সেৱাশ্ৰম, কৰঙা শাখা সাহিত্য সভা, কৰঙা ৰাইদাং কমাৰ গাঁওস্থিত পুথিভঁৰাল, কৰঙা মহিলা সমিতি আদি নানান অনুষ্ঠানৰ লগত জড়িত থকা বাইদেউ চিনামৰা মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা জড়িত এগৰাকী সক্ৰিয় মহিলা সদস্যা। চিনামৰা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত যিসকল ব্যক্তিয়ে মনে প্ৰাণে সাধ্যানুসৰি অতি আন্তৰিকতাৰে সহায়-সহযোগ আগবঢ়াইছিল তাৰ ভিতৰত নিৰ্মলা বাইদেউ অন্যতম। বাইদেউৰ আদৰ্শনীয় সেই নিদৰ্শনৰ কথা চিনামৰা মহাবিদ্যালয়ৰ ইতিহাস গ্ৰন্থ 'সংক্ষিপ্ত দস্তাবেজ'ত প্ৰকাশ পাইছে যদিও পুনশ্চ উল্লেখ কৰিব বিচাৰিছোঁ। ১৯৯১ চনত আনন্দ শইকীয়া ছাৰৰ নেতৃত্বত আমি যেতিয়া কৰঙাত ঘৰে ঘৰে মহাবিদ্যালয়ৰ বাবে অৰ্থ সংগ্ৰহ কৰি আছিলো সেই সময়ত এদিন বাইদেউৰ ঘৰত উপস্থিত হোৱাত আমাক উৎসাহিত কৰি কৈছিল যে আনন্দ বহুত দিনৰ পৰা পাকঘৰৰ বাঁহৰ চুঙা এটাত পইচা অলপ সাঁচি থোৱা আছে। তোমালোকে এখন কলেজ পাতিবৰ বাবে কিবা এটা বিচাৰি আহিছা। ইয়াতকৈ মহৎ কাম কি হ'ব পাৰে! সেয়ে চুঙাটোত যিমান পইচা গোট খাই আছে সিমান মই তোমালোকে আহ্বান কৰা প্ৰস্তুতি সমিতিৰ সভাতে দি আহিম। প্ৰনিধানযোগ্য যে সেই সময়ত বাইদেউ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী। বাইদেৱে হয়তো আন দহ জনৰ দৰে সেই সময়ত আমাক পাঁচ-দহ টকা দি বিদায় দিব পাৰিলেহেঁতেন। আমিও হয়তো তাকে গ্ৰহণ কৰি আনন্দিত হ'লোহেঁতেন। কিন্তু বাইদেৱে বোধকৰো সেইদিনা বহু ওপৰলৈ চিন্তা কৰিছিল। পাছত এদিন কথামতেই সেই চুঙাত পোৱা সমুদায় ধন ২০১ টকা কলেজলৈ আগবঢ়াইছিল কলেজ প্ৰস্তুতিৰ সময়তেই। আমি ভাবি আহ্লাদিত হৈ পৰিছিলো এই বাবেই যে আমাক কথাষাৰ কওঁতে বাইদেউৰ নাতিনীজনী ওচৰতে দৌৰা-দৌৰি কৰি ঘূৰি ফুৰিছিল। পূজাৰ বতৰত বাইদেৱে নিশ্চয় চুঙাৰ সেই টকা কেইটাৰে নাতিনীয়েকক এটা দামী ফ্ৰক সেই সময়ত দিব পাৰিলেহেঁতেন। সঁচাই ভাবি আচৰিত হওঁ বৰ্তমান ভোগবাদী চিন্তা চেতনাৰ মাজত কিমান গভীৰ আৰু মহৎ চিন্তা কৰিব পাৰিলে মানুহে এনে ত্যাগ কৰিব পাৰে!

বাইদেউৰ ব্যক্তিত্বত ঘৰুৱা আৰু ৰাজহুৱা জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ প্ৰভাৱ মন কৰিবলগীয়া। বাইদেউৰ জীৱনৰ শৈশৱৰ এটি দিশ মাহীমাকৰ আচাৰ আচৰণ আৰু ব্যৱহাৰে বাইদেউৰ কোমল অন্তৰত গভীৰ সাঁচ বহুৱাৰ বিপৰীতে বাইদেউৰ নম্ৰ অমায়িক আচৰণে কেনেকৈ তেনে এগৰাকী মাতৃকো কেনেদৰে প্ৰভাৱিত কৰিছিল তাৰ তুলনা নাই। পিতৃ নৰদীপ বৰদলৈয়ে মাহীমাকক কোৱা শুনিছিল যে আমাৰ ভাতবোৰ গৰম, ফটফটীয়া বগা মাজনীৰ ভাতৰ বৰণ কিয় তেনে নহয়! আমাৰ দাইলৰ ৰং হালধীয়া তাইৰ দাইলৰ ৰঙটো কিয় তেনে নহয় ইত্যাদি ইত্যাদি বহুবোৰ মাহীমাকৰ বৈশিষ্ট্য বাইদেৱে জীৱনত দেখা পাইছিল। অথচ হাঁহিমুখীয়া বাইদেৱে শিশুৰ কোমলতাৰে সেইবোৰ বুকুত হেঁচি ধৰি অমায়িকতাৰে মানুহৰ প্ৰতি কোনো দিনে বেয়া ভাৱ মনত নৰখা গুণৰ বাবেই সেই গৰাকী মাহীমাক সম্পূৰ্ণ সলনি হৈ গৈছিল। পিছলৈ নিজৰ পেটৰ সন্তানতকৈও মাহীমাকে বাইদেউকহে বেছি আপোন কৰি লৈছিল। বাইদেৱেও জীৱনৰ শেষ বয়সলৈকে সেই গৰাকী মাতৃক নিজৰ মাতৃৰ দৰে জ্ঞান কৰি জীয়েকৰ দায়িত্ব পালন কৰিছিল। বাইদেউৰ সেই গুণাদৰ্শ অনুকৰণীয়।

চাকৰি জীৱনৰ পৰাই নিৰ্মলা বাইদেউ সামাজিক কাম-কাজত জড়িত। ইয়াৰ বাবেও এক অনুকূল পৰিৱেশ পাইছিল স্বামী গৃহৰ পৰা। তেখেতৰ স্বামী প্ৰয়াত চিদানন্দ হাজৰিকা কৰঙা অঞ্চলৰ এগৰাকী প্ৰবীন স্বাধীনতা সংগ্ৰামী হিচাবে অসমৰ বিভিন্নজন বৰেণ্য ৰাজনৈতিক নেতাৰ লগত থকা সান্নিধ্যৰ ফলস্বৰূপে সেই সকল স্বনামধন্য দেশনেতাৰ লগত পৰিচয় আৰু মধুৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিল। সেইসকলৰ ভিতৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ, দেশনেতা কুলধৰ চলিহা, জননেতা দেৱেশ্বৰ শৰ্ম্মা, ককা নীলমণি ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, বিপ্লৱী বীৰ শংকৰ বৰুৱা, ভূতপূৰ্ব মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, প্ৰাক্তন ৰাজ্যপাল বিষ্ণুৰাম মেধি, স্বাধীন চাৰিগাঁৱৰ ৰাষ্ট্ৰপতি লক্ষেশ্বৰ বৰুৱা, আচাৰ্য বিনোৱাজী, অৰ্জুন সিং ঘাটোৱাল, কমৰেড দধি মহন্ত আদি বিভিন্ন ব্যক্তিসকলক। বিশেষকৈ বিপ্লৱী শিল্পী তথা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই এবাৰ তেখেতসকলৰ ঘৰলৈ অহাত তেখেতৰ নিজ হাতে বনোৱা পিঠা-পনাৰে চাহ খাই তৃপ্তিৰে কেইবাখনো পিঠা খুজি লগত লৈ যোৱাৰ স্মৰণীয় মুহূৰ্তটো মানস পটত আজিও ভাঁহি থকা বুলি ৰোমন্থন কৰি আপ্লুত হয়। প্ৰাক্তন মন্ত্ৰী কমল কুমাৰী বৰুৱা আহিলেই ভাত খাই যোৱাৰ ৰসাল কথাবোৰে আজিও তেখেতক স্মৃতিকাতৰ কৰি তোলে। বাইদেউ এগৰাকী ধৰ্মপৰায়ণ মানৱদৰদী মহিলা। মানুহৰ সুখ-দুখত সদায় সমভাগী হয়গৈ। যিকোনো অনুষ্ঠানলৈ নিমন্ত্ৰণ জনালে নিৰ্দিষ্ট সময়ত গৈ উপস্থিত হয়। অতিথি পৰায়ণ বাইদেউৰ ঘৰত সেই পৰম্পৰা আজিও অক্ষুন্ন আছে। শেষত এনে এগৰাকী অতি পৰিপাটি, সৰলতাৰে মুখত লাগি থকা মিঠা হাঁহি, অমায়িক, কৃতি শিক্ষয়িত্ৰী অশীতিপৰ নিৰ্মলা হাজৰিকা বাইদেউৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ।

*(লেখক শিশু আলোচনী 'মইনা-বাৰ্তা'ৰ মুখ্য সম্পাদক)*

## কৃতিত্ব



চিনামৰা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ শ্ৰীঅংকিত গগৈয়ে সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান লাভ কৰে। অংকিত বৰহাট কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কিৰণ চন্দ্ৰ গগৈ আৰু বৰহাট এম ভি স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী শ্ৰীযুতা ৰুবী বৰুৱা গগৈৰ পুত্ৰ।

## জীৱনৰ এটি বাট

❑ মিচমী গগৈ

এটি অচিনাকী বাটৰ মই পথিক  
কিন্তু;  
এই পথ মোৰ প্ৰিয়।  
একে বাটৰে যেন মনটোৱে যাব নিবিচাৰে  
সময়ৰ পৰিৱৰ্তনৰ লগত  
বাটটোৰ পৰা বিচলিত হ'ম যেন লাগে  
কিন্তু বিচলিত হোৱা নাই,  
আৰু নহওঁ...  
মোৰ বৰ প্ৰিয় সেই বাট।  
কেতিয়াবা মনত কিবা  
এন্ধাৰ যেন অনুভৱ হয়  
তথাপি মই পোহৰাই ৰাখো...  
আৰু সদায়ে ৰাখিম।  
কাৰণ...  
বাটটো মোৰ প্ৰিয়।  
বাটটোৱে মোৰ জীৱন  
জীৱনৰ বাটত সেয়াই এক দৃষ্টি,  
দৃষ্টি সদায় লক্ষ্য হয়  
এই লক্ষ্যই হ'ল জীৱনৰ অৰ্থ  
আৰু...  
জীৱন বাটৰ এটি সুবাস।।

## গ্ৰন্থ পৰিচিতি

❑ ড° গিৰীশ বৰুৱা

# ষ্টিফেন হকিঙৰ 'A Brief History of Time'




**বেষ্ট চেলাৰ** হোৱা ষ্টিফেন হকিঙৰ A Brief Hostory of Time নামৰ কিতাপখনে পৃথিৱীৰ বৌদ্ধিক জগতখন কঁপাই তোলে। বিগ-বেঙৰ পৰা আৰম্ভ কৰি কৃষ্ণ গহ্বৰলৈকে কিতাপখনত সময়ৰ ইতিহাস আছে। ইয়াত শিশুৰ আশ্চৰ্যবোধ আৰু প্ৰতিভাধৰৰ জ্ঞানৰ মাজত এক সুন্দৰ যোগসূত্ৰ পোৱা যায়। এই পঙ্গু মানুহজনৰ বুদ্ধিৰ দৌৰ দেখিলে হতবাক হ'ব লাগে।

কোৱা হয় যে, হকিং বৰ্তমান সময়ৰ এজন প্ৰখ্যাত সৈদ্ধান্তিক বিশ্বতত্ত্ববিদ। তেওঁৰ গৱেষণাৰ স্থল কোৱাণ্টাম পদাৰ্থবিদ্যা। বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটনত তেওঁ আগ্ৰহী।

বিশ্বব্ৰহ্মাণ্ডখন কিহত আৰম্ভ হ'ল- এই কৌটিকলীয়া প্ৰশ্নটোৰ সমাধান বিচাৰি তেওঁ হাবাথুৰি খাইছে। বৰ বিষম কথাবোৰকো তেওঁ প্ৰাঞ্জল ভাষাত সহজে বুজাকৈ লিখিব পাৰে। তেওঁৰ কাপৰ পৰা যেন কথাবোৰ অকনো কষ্ট নকৰাকৈ ওলাই আহে।

A Brief History of Time, অৰ্থাৎ সময়ৰ চমু ইতিহাসখন মৌলিক চিন্তাৰে ভৰা এখন কিতাপ। জ্যোতি পদাৰ্থবিজ্ঞানৰ (Astrophysics) কথাবোৰ তেওঁ কম আয়াসতে আলোচনা কৰিছে।

সমালোচকসকলে হকিঙক গেলিলিও, নিউটন আৰু আইনষ্টাইনৰ শাৰীতে থৈছে। মানুহে অতীজৰে পৰা মনত পুহি ৰখা নানা তৰহৰ প্ৰশ্নৰ উত্তৰ কিতাপখনত বিচাৰি পোৱা যায়।

কিতাপখন যদিও এখন বিজ্ঞানৰ কিতাপ তথাপি এইখন লিখা হৈছে সৰ্বসাধাৰণৰ বাবে। বিজ্ঞানৰ জ্ঞান নথকা মানুহেও কিতাখন বুজিব পাৰে। তেওঁ নিজেই এই কথাটো এনেকৈ কৈছে, '... the basic ideas about the origin and fate of the uinverse can be stated without mathematics in a form that people without a scientific education can understand.' (পৃ. vi)

পৃথিৱীৰ বেছিভাগ মানুহেই জগত বা বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে একো নজনাকৈয়ে জীৱনটো চলাই নিয়ে। এইবোৰৰ বিষয়ে জানিবলৈ তেওঁলোকৰ সময় নাই। তেওঁলোকে ভাবে যে, ধৰ্ম পুথিবোৰেই ব্ৰহ্মাণ্ড সম্পৰ্কীয় প্ৰশ্নবোৰৰ সমাধান দি থৈ গৈছে। তাৰ ওপৰত কৰিবলগীয়া আৰু একো নাই। আমাৰ অসমীয়া বৈষ্ণৱ সকলেও ভাবে যে, শ্ৰীমন্ত শংকৰদেৱৰ লিখনিতে সকলোবোৰ সোমাই আছে। অন্য পুথি-পাঁজি পঢ়িবৰ দৰকাৰেই নাই।

সময়ৰ আৰম্ভণি আছেনে? সময় পিছফালে যাব পাৰেনে? বিশ্বব্ৰহ্মাণ্ডখন অসীম-অনন্ত হয়নে? এই প্ৰশ্নবোৰৰ অৱতাৰণা কিতাপখনত কৰা হৈছে আৰু তাৰ যথাযথ সমাধানৰ দিহাও দিয়া হৈছে। এনে কৰিবলৈ যাওঁতে লিখকে নিউটনৰ পৰা আৰম্ভ কৰি আইনষ্টাইনলৈকে যিবোৰ সিদ্ধান্ত বা সূত্ৰ প্ৰচলিত হৈ আছিল সেইবোৰৰ পৰ্যৱেক্ষন কৰিবলগীয়া হৈছে।

এতিয়াও বহুত মানুহে ভাবে যে, পৃথিৱীখন চেপেটা আৰু ই এটা মস্ত কাছৰ পিঠিত উঠি আছে। কিছুমান মানুহে আকৌ ভাবে জগতখন ঈশ্বৰে সৃষ্টি কৰিলে আৰু ই সেইমতে চলি আছে। এইবোৰ মানুহে জগত সম্পৰ্কে বৈজ্ঞানিক আলোচনা নিবিচাৰে।

এৰিষ্টটলৰ নিচিনা দাৰ্শনিকেও ভাবছিল যে, পৃথিৱীখন একে ঠাইতে ৰৈ থাকে। গ্ৰহ-নক্ষত্ৰবোৰহে পৃথিৱীৰ চাৰিওফালে ঘূৰে। এই কথাক টোলেমি নামৰ পিছৰ বিজ্ঞানীজনেও সমৰ্থন জনায়। কপাৰনিকাছ নামৰ বিজ্ঞানীজনেহে প্ৰমাণ কৰে যে সূৰ্য নুঘূৰে, ৰৈহে থাকে। ইয়াৰ চাৰিওফালে পৃথিৱী আদি গ্ৰহবোৰ ঘূৰে। তেওঁক সমৰ্থন কৰা দুজন বিজ্ঞানী হ'ল কেপলাৰ আৰু গেলিলিও। গেলিলিওৱে এটা দূৰবীক্ষণ যন্ত্ৰৰে এই কথা প্ৰমাণ কৰিছিল। তদুপৰি প্ৰমাণ কৰা হ'ল যে, গ্ৰহবোৰ বৃত্তাকাৰে নুঘূৰে, হাঁহকণীৰ আকাৰতহে ঘূৰে। নিউটনৰ মধ্যাকৰ্ষণ সূত্ৰই বহুত কথাৰ সমাধান দিলে। তেওঁ প্ৰমাণ কৰে যে, ব্ৰহ্মাণ্ডখনত থকা টনাটনিয়ে সেইবোৰৰ মাজত সংঘৰ্ষ লগাৰ পৰা আঁতৰাই ৰাখিছে।

পিছৰ যুগত প্ৰমাণিত হ'ল যে, ব্ৰহ্মাণ্ডখন বাঢ়ি গৈ আছে। ইয়াৰ কাৰণ গ্ৰহবোৰৰ মাজত থকা বিকৰ্ষণ প্ৰক্ৰিয়া।তেওঁৰ A Brief History of Time কিতাপখন যিহেতু সময়ৰ ওপৰত, সময় সম্পৰ্কে ষ্টিফেনে এটা বৰ গুৰুত্বপূৰ্ণ কথা এনেকৈ কৈছে, "... সময়ৰ ধাৰণাৰ কোনো অৰ্থ নাই যদি ব্ৰহ্মাণ্ডখনৰ আৰম্ভণিৰ আগৰ কথা ভবা হয়।" (পৃ. ৯) তেওঁৰ মতে এই কথাটো প্ৰথমে উল্লেখ কৰিছিল ছেণ্ট অগষ্টাইনে। তেওঁৰ মতে সময় হ'ল ব্ৰহ্মাণ্ডৰ এটা গুণ। ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ আগত সময় নাছিল।

বিগ্ বেঙৰ ধাৰণাটো আহে ব্ৰহ্মাণ্ডখন আঁতৰি গৈ থকাৰ পৰা; অৰ্থাৎ এটা নক্ষত্ৰ আন এটাৰ পৰা, এটা হাতীপটী আন এটাৰ পৰা আঁতৰি গৈ থকাৰ পৰা। ই প্ৰমাণ কৰে যে, এটা সময়ত ব্ৰহ্মাণ্ডখন একে ঠাইতে থূপ খাই আছিল। বিগ্ বেঙৰ বাবেই গেলেক্সিবোৰ আঁতৰি গ'ল আৰু এই বিগ্ বেঙতেই সময়ৰ আৰম্ভণি হ'ল। ষ্টিফেনে ক'ব খোজে যে, এই বিগ্ বেং যদি কোনোবাই ঈশ্বৰৰ কাম বুলি কয় তাত আপত্তি কৰিব লগীয়া একো নাই। হকিঙে বোধহয় এই আপত্তি কৰা নাই তেওঁ ধৰ্ম বা গীৰ্জাঘৰৰ লগত আপোচ কৰিবৰ বাবে, জানোচা তেওঁৰ অৱস্থা ব্ৰুনো বা গেলিলিওৰ দৰে হয়। আচলতে জগতৰ আৰম্ভণিৰ কথা আহিলেই বিজ্ঞানীসকলে অধিবিজ্ঞানত (Metaphysics) ভৰি থয়গৈ।

বিগ্ বেং এক প্ৰাথমিক বিস্ফোৰণৰ বাহিৰে আন একো নহয়। হকিঙৰ মতে যদি ঈশ্বৰে জগতখন সৃষ্টি কৰিছে বুলি ভবা হয় তেন্তে বিগ্ বেঙৰ সময়তহে কৰিছে, তাৰ আগত কৰা নাই। (দ্ৰ. পৃ. 70) বিস্তাৰমুখী ব্ৰহ্মাণ্ডখনৰ কথা কওঁতে তেওঁ এনেদৰে কৈছে, 'An expanding universe does not preclude a creator...' (ঐ) দৰ্শনৰ দৰে পদাৰ্থ বিদ্যাৰ সূত্ৰবোৰো কেৱল প্ৰকল্পহে (hypothesis) নে কি? হকিঙে এই কথা মানি লৈছে, কাৰণ তেওঁ কৈছে যে, প্ৰতিটো তত্ত্বকে পিছৰ তত্ত্ব এটাই নাকচ কৰে, যেনে নিউটনৰ দেশ-কাল তত্ত্বক আইনষ্টাইনৰ দেশ-কাল তত্ত্বই নাকচ কৰিছে। হকিং নিউটনৰ প্ৰতি বেছি আকৃষ্ট যেন লাগে।

হকিং এক সাৰ্বিক সূত্ৰ উদ্ভাৱনৰ চেষ্টা কৰিছিল যাৰ দ্বাৰা ব্ৰহ্মাণ্ডৰ সকলোবোৰ ঘটনা ব্যাখ্যা কৰিব পাৰি। আমি জানোঁ যে, সময়ৰ লগে লগে ব্ৰহ্মাণ্ডখনো পৰিবৰ্দ্ধিত হৈ আহি থাকে। এই পৰিৱৰ্তন নিৰ্দিষ্ট নিয়ম মানি চলে। ব্ৰহ্মাণ্ডৰ আৰম্ভণিতো এনে কিবা নিয়ম আছিল নে কি?

হকিঙে এটা বহুত ডাঙৰ কথা কৈছে যে, আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতা তত্ত্ব আৰু কোৱাণ্টাম বলবিদ্যা (mechanics)- ইটোৱে সিটোক প্ৰত্যাখ্যান কৰিছে। আইনষ্টাইনৰ আপেক্ষিক তত্ত্বই ব্ৰহ্মাণ্ডখনক খুব বেছিকৈ বহলাই নি আছে আৰু কোৱাণ্টাম বলবিদ্যাই ইয়াক চপাই আনি থাকে। হকিং এই দুই তত্ত্বক সামৰা এক নতুন তত্ত্বৰ অনুসন্ধানত ব্যস্ত। তেওঁ যেন কোৱাণ্টাম বলবিদ্যাৰ প্ৰতি বেছি হালি পৰিছে।

ব্ৰহ্মাণ্ডখন ইমান বিশাল, ইমান গভীৰ, ইমান মনিব নোৱাৰা যে, এটা সঠিক সূত্ৰত উপনীত হোৱাটো বৰ টান কাম, যিটো সূত্ৰ বা তত্ত্বই সকলো সময়ৰ বাবে জগতখন চূড়ান্তভাবে ব্যাখ্যা কৰিব পাৰে। হকিঙৰ কিতাপখন পঢ়ি আমাৰ এনে এটা ভাবেই হয়। তদুপৰি জগতখন দিনে দিনে সলনি হৈ আহিছে। আজি যদি সূত্ৰ খাপ খাইছে কালিলৈ নোখোৱা হৈছে। মানুহ এই ক্ষেত্ৰত নিঃসহায় যেন লাগে। হকিঙৰ দৃষ্টিত সৰ্বজান্তা ঈশ্বৰ এজনেহে যেন এই সমস্যা সমাধান কৰিব পাৰে। তেন্তে আমি হাত দাঙি দিব লাগিব নে কি? কিতাপখন পঢ়িলে আমাৰ মনলৈ এনে কিছুমান প্ৰশ্ন আহে। কিতাপ পঢ়াৰ আগত আমি যি অৱস্থানত আছিলো পিছতো যেন সেই একে অৱস্থানতে আছোঁ। আমাৰ এনে ভাব হয়।

তথাপি হকিঙে আশা কৰে, ভৱিষ্যতে কোনোবাই বিজ্ঞানৰ এক সমন্বিত সূত্ৰ আৱিষ্কাৰ কৰিব যি সূত্ৰই জগতৰ ঘটনাবোৰক সামগ্ৰিকভাবে ব্যাখ্যা কৰিব পাৰিব। আমি সেই দিনলৈ বাট চাব লাগিব।

*ভ্ৰাম্যভাষঃ ৭০০২৩৭৬৫০৫*

*৬ পৃষ্ঠাৰ পৰা*

## গ্ৰন্থ পৰিচিতি . . .

উল্লেখযোগ্য প্ৰৱন্ধসমূহ হ'ল— বি বৰুৱা কলেজৰ প্ৰাক্তন অধ্যক্ষ দীনেশ গোস্বামীৰ 'ভাষা-সংস্কৃতিৰ বিপন্নতা আৰু বিলুপ্তি ঃ প্ৰসংগ - উত্তৰ পূব ভাৰতবৰ্ষ', গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° উপেন ৰাভা হাকাচামৰ 'অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়া আৰু নঞৰ্থকতা', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° অৰ্পণা কোঁৱৰৰ 'অসমৰ ভাষা আৰু ভাষিক স্থিতি ঃ এক সমীক্ষা', যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাৰ 'বৃটিছ লাইব্ৰেৰীৰপৰা দুশ বছৰ পুৰণি উত্তৰ পূৰ্বাঞ্চলৰ ১০ ভাষাৰ শব্দকোষখন উদ্ধাৰৰ ইতিহাস', উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ 'অসমীয়া সাহিত্যৰ নতুন ইতিহাস প্ৰণয়ন প্ৰসংগ ঃ প্ৰকাৰ বৈচিত্ৰ্য আৰু সম্ভাৱনা', মাধৱদেৱ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° যোগেন তামুলীৰ 'আধুনিক অসমীয়া জীৱনমুখী সাহিত্য', নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বিশ্বজিৎ দাসৰ 'অসমীয়া জাতীয়তাবাদৰ উন্মেষ আৰু ঊনবিংশ শতিকাৰ অসমৰ ডেকাসকল', ডিব্ৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° বিজু মৰাণৰ 'টাই ফাকেসকলৰ উৎসৱ পাৰ্বণ', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰিণ ফুকনৰ "Value Education and Human Rights", ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক পুলুমণি দাসৰ "A Study of the Protest of the Tea Garden Community in Colonial and Post Colonial Period", জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ গৱেষক অজন্তা দাসৰ 'What, When and Where of Feminism', বোকাখাত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° জয়ন্ত দাসৰ 'Indian Higher Education 2.0', জয়শ্ৰী ফুকনৰ 'Look East to Look Act East Policy: Understanding Its Problems and Prospects', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক প্ৰদীপ কুমাৰ গগৈৰ 'Professor R.S. Sharma: Historian Extraordinary' আদি। ২০১৮ বৰ্ষৰ ১২ অক্টোবৰত প্ৰকাশ পোৱা মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষাই প্ৰকাশ কৰা ১৫০ টকা মূল্যৰ ১৬৮ পৃষ্ঠাৰ এই সংকলনটি সংশ্লিষ্ট প্ৰবন্ধসমূহৰ সম্পৰ্কত গৱেষণা তথা অধ্যয়নৰতসকলৰ বাবে তথ্যৰ ক্ষেত্ৰস্বৰূপ হ'ব বুলি একে আষাৰে ক'ব পাৰি। এই সংকলনটিয়ে বৌদ্ধিক সমাজত বিশেষ স্থান লাভ কৰিব বুলি দাবী কৰিব পাৰি।

# সন্ন্যাসী কবি তথা মঞ্জৰী আচাৰ্য্য গোপাল চন্দ্ৰ বেজবৰুৱা

❑ অভিষেক হাজৰিকা

*"কংক্ৰিটৰ পৃথিৱী-*
*নিজকে হেৰুৱাই কদাকাৰ বিশ্বায়নৰ প্ৰেমত মছগুল-*
*জাকপাতি ফুৰে কোকলোড়াৰ দল জনতাৰ মৰণ,*
*মগজুত কিলবিলাই খেলে বিকৃত বাসনাই"*

সঁচাকৈয়ে কবিগৰাকীৰ কবিতাৰ পংক্তিৰ প্ৰত্যেকটি শব্দই হৃদয় স্পৰ্শ কৰি গৈছে। কবিগৰাকীয়ে নিজ কবিত্বৰে বাস্তৱতাক যেন দাঙি ধৰিছে। প্ৰচাৰ তথা জনপ্ৰিয়তাৰ আশা নকৰা, নিকামনৰ, সহজ-সৰল ব্যক্তিত্বৰ মানুহজন হ'ল সন্ন্যাসী কবি তথা মঞ্জৰী আচাৰ্য্য উপাধিপ্ৰাপ্ত গোপাল চন্দ্ৰ বেজবৰুৱা। সোণ আৱিষ্কাৰ হোৱা স্বত্বেও বহু পৰিমাণৰ সোণ এতিয়াও ভূগৰ্ভত যিদৰে সমাধিস্থ হৈ আছে ঠিক তেনেদৰে বৰ্তমানেও বহু প্ৰতিভাৱান গুণী-জ্ঞানী লোকৰ বিষয়ে আমি নজনাকৈয়ে ৰৈ গৈছে। ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাহিত্যিকসকলৰ বিষয়ে জনাৰ লগতে প্ৰয়োজন আমাৰ থলুৱা সাহিত্যিকসকলৰ বিষয়ে সম্যক জ্ঞান। নিজ অঞ্চলৰে সুকুমাৰ কলাত পাৰ্গত লোক সকলক সকলোৰে আগত চিনাকী কৰাই দিয়াই হৈছে 'যুগবাৰ্তা'ৰ উদ্দেশ্য। সেই উদ্দেশ্য সাৰোগত কৰিয়েই মুখ্য সম্পাদক ড০ দ্বীপেন নাথ ডাওৰীয়াৰ পৰামৰ্শ অনুযায়ী মই গোপাল চন্দ্ৰ বেজবৰুৱাৰ জীৱন ইতিহাস সম্পৰ্কে জানিবলৈ তেওঁক লগ ধৰো।

১৯৫২ চনৰ ১ জুন তাৰিখে মাজুলীৰ যোগীগাঁৱত গোপালচন্দ্ৰ বেজবৰুৱাৰ জন্ম হয়। প্ৰাকৃতিক দুৰ্যোগ বানপানীৰ কাৰণে যোৰহাট জিলাৰ মুৰমুৰীয়া বাগানলৈ ২০১২ চনত স্থানান্তৰিত হ'বলগীয়া হ'ল। বনগাঁও এম ভি স্কুলত স্কুলীয়া শিক্ষা আৰম্ভ কৰি মেৰাগড় নাৰায়ণদেৱ উচ্চ (উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ কৰে। ছাত্ৰাবস্থাৰে পৰা গাঁৱলীয়া মইনামেলৰ সংগঠনকে আৰম্ভ কৰি সাহিত্য, সংস্কৃতি, সাংগঠনিক জীৱন আৰম্ভ হয়। মাজুলীৰ যোগীগাঁও নবাৰুণ চেমনীয়া চ'ৰা, পূৱ মাজুলী ত্ৰিবেণী সাহিত্য পৰিষদ, পূৱ মাজুলীৰ নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি, মাজুলী জিলা নাথ সাহিত্য পৰিষদ, মাজুলী কবি মঞ্চ, লুইতপৰীয়া কবি গোষ্ঠী, ৰাৱানাপাৰ শাখা সাহিত্য সভা, ৰাৱাণাপাৰ বিষ্ণু-জ্যোতি সংগীত বিদ্যালয় আদি প্ৰতিষ্ঠাৰ লগতে মাজুলী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, মাজুলী জিলা যোগী সন্মিলনী, বনগাঁও ৰংঘৰ, তৰুণ পুথিভঁৰাল আদিৰ উপৰিও সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি, সদৌ অসম জ্যোতিষ পৰিষদ, সদৌ অসম কবি সন্মিলনী, কল্পতৰু কবি গোষ্ঠী, বিশ্বনাথ যোগী মহাসংঘ, যোৰহাট জিলা কবি সন্মিলন, মাইকেল মধুসূদন একাদেমী (পশ্চিমবংগ), নাথ সাহিত্য পৰিষদ আদি বিভিন্ন অনুষ্ঠানত বিভিন্নভাৱে জড়িত। ১৯৭৪ চনৰ ৩১ জুলাইত জেংৰাই বালিচাপৰি প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে যোগদান কৰি মাজুলীৰ বিভিন্ন বিদ্যালয়ত সেৱা আগবঢ়াই ১৭ নং বেচামৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা ২০১২ চনৰ ৩১ মে' তাৰিখে অৱসৰ গ্ৰহণ কৰে।

প্ৰকাশিত গ্ৰন্থ : কবিতা অঘৰী (১৯৭০), কাঙ্গাল (১৯৭৭), কণ্ঠহাৰ (১৯৮৯), প্ৰতাৰিত প্ৰত্যাশা (১৯৯০), কবিৰ স্ব-নিৰ্বাচিত শ্ৰেষ্ঠ অসমীয়া কবিতা (১৯৯২, মাইবেলা মধুসূদন দত্ত বঁটা প্ৰাপ্ত ২০০৪), মৰিশালিত ধৰ্ষিতা দুৰৱি (১৯৯৬), বন্দৰ (২০১১), ৰশ্মিৰেখা (২০১২, বসুন্ধৰা বিশেষ বঁটাপ্ৰাপ্ত), তৰঙ্গ (২০১৩), আত্মতত্ব দৰ্শন (দ্বিতীয় সংস্কৰণ ২০১৭), পোহৰ বিচাৰি (১৯৯২), যোগসাধনাৰ পটভূমি (২০০৪), আধ্যাত্ম সংস্কৃতি যোগ (২০০৭), কবিতাৰ শিল্পতত্ব:বৰ্ণ শব্দ ছন্দ (২০১৩), গোৰক্ষ পদ্ধতি (২০০৬)। ইয়াৰোপৰি আন্তৰিক (১৯৮৫), অংকুৰণ, শঙ্খধ্বনি, সঙ্কেত, বিশ্বযুগ বাৰ্তা পত্ৰিকাৰ সম্পাদনাৰ দায়িত্বত আছিল। আকাশবাণী যোৰহাটৰ স্বীকৃতিপ্ৰাপ্ত কবিগৰাকী ঈশান (ধুবুৰীৰ পৰা প্ৰকাশিত বাংলা কাব্য সংকলন), ললিত ভাৰতী, দৃষ্টিকোণ, গণতন্ত্ৰ, জনমভূমি কল্পদ্ৰুম, হেডেন আদিত কাৰ্যকৰী সদস্যৰ বাব চম্ভালিছিল।

সাহিত্য বঁটা স্বীকৃতি :
(১) ১৯৫৯ চনত প্ৰাথমিক বিদ্যালয়ৰ নিয়মানুবৰ্ত্তিতাৰ বাবে পুৰস্কাৰ প্ৰাপ্ত (বনগাঁও উচ্চ বুনিয়াদী বিদ্যালয়) (২) ১৯৭৫ চনত মহাবিদ্যালয়ৰ বাৰ্ষিক সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰৱন্ধকাৰ আৰু কবিতাত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত (জেংৰাইমুখ মহাবিদ্যালয়) (৩) কবি হিচাপে যোগ্যতা মাপক প্ৰমান পত্ৰ প্ৰদান (সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি) (৪) ভাৰতীয় বিজ্ঞান সপ্তাহ উপলক্ষে ৰাৱণাপাৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰই প্ৰশিক্ষাৰ্থী আৰু অভ্যসন বিদ্যালয়ৰ শিক্ষকসকলৰ মাজত আয়োজিত বিজ্ঞানভিত্তিক সাহিত্য প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত (১৯৮৯) চন (৫) আজাৰাৰ পৰা প্ৰকাশিত কাব্যালোচনী কল্পদ্ৰুমৰ ১৯৯১ চনৰ বৰ্ষ শ্ৰেষ্ঠ কবিৰ মহম্মদ চালেহ স্মাৰক বঁটা প্ৰাপ্তি (৬) মাইকেল মধুসূদন দত্ত স্মাৰক বঁটা প্ৰাপ্তি (৭) বিপিন চক্ৰৱৰ্তী স্মাৰক সন্মান (১ জানুৱাৰী ২০১২ চন) (৮) বাংলা সাহিত্য চৰ্চা আৰু "ৰশ্মিৰেখা" বাংলা কাব্য গ্ৰন্থৰ কাৰণে বসুন্ধৰা বিশেষ পুৰস্কাৰ (৯) কল্পদ্ৰুম জীৱন দায়িনী বঁটা-২০১৩।

পুৰস্কৃত ৰচনা : (১) নাথ যোগী সকলৰ ঐতিহাসিক বিৱৰ্ত্তন (প্ৰৱন্ধ) (২) জনজীৱনত বিজ্ঞানৰ প্ৰভাৱ (প্ৰৱন্ধ) (৩) নাটৰ মাজৰ নাট (কবিতা) (৪) কোলাহল (কবিতা) (৫) বনফুলৰ সুৱাসত হেৰাই যাওঁ (৬) আত্মতত্ত্ব দৰ্শন (৭) ৰশ্মিৰেখা (বাংলা কাব্য সংকলন) (বসুন্ধৰা বিশেষ পুৰস্কাৰপ্ৰাপ্ত)

উপাধি লাভ : (১) সন্ন্যাসী কবি (দক্ষিণ পূৱ নগাঁও জিলা কবিচক্ৰ, লঙ্কা অধিৱেশন ২৪।০২।১৯৯১ চন) (২) মঞ্জৰী আচাৰ্য্য (সাহিত্য মঞ্জৰী ০৫।১২।১৯৯১)

আজীৱন সভ্য : (১) অসম সাহিত্য সভা (ক্ৰমাংক ৩৪৯৩;২০।০১।১৯৮৮ চন) (২) কল্পদ্ৰুম কাব্যালোচনী, আজীৱন সভ্য আৰু গোলাপী দেৱী স্মাৰক বঁটা দাতা (৩) পাৰ্ক সাৰ্কাম লেখক শিল্পী মহল ও মুখপত্ৰ ললিত ভাৰতীয় সম্পাদনা সম্পাদকমণ্ডলীৰ সদস্য (কলিকতা) (৪) মাইকেল মধুসূদন একাডেমীৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য (৫) বিপিন চক্ৰৱৰ্তী মেম'ৰিয়েল ট্ৰাষ্টৰ বাৰ্ষিক কবিতা সংকলন ঈশানৰ উপদেষ্টা (৬) আন্তঃৰাষ্ট্ৰীয় জনলেখক সংঘৰ সদস্য (বিহাৰ) আদি।

তিনিকুৰি সাত বছৰ গৰকা এইগৰাকী সহজ সৰল মনৰ সন্ন্যাসী কবিৰ সৈতে পাৰ কৰা মুহূৰ্তকণ মোৰ স্মৰণীয় হৈৰ'ল। থকা-সৰকা মাতেৰে অতিবাহিত কৰি অহা স্মৃতি ৰোমন্থন কৰি কঁপা কঁপা হাতেৰে মোক তেওঁৰ অমূল্য সৃষ্টি "আত্মতত্ত্ব দৰ্শন" উপহাৰস্বৰূপে প্ৰদান কৰে। সঁচাকৈয়ে মই ভাগ্যৱান তেওঁৰ সৈতে সেই অমূল্য সময় অতিবাহিত কৰিব পৰাৰ বাবে আৰু তেওঁৰ জীৱন সম্পৰ্কে কিছু তথ্য জানিব পৰাৰ বাবে। তেওঁৰ সাফল্য এনেদৰেই অনাগত দিনত উজ্বলি থাকক।

---

১ পৃষ্ঠাৰ পৰা

## চেনিমৰা হাট...

দোকান, মনিহাৰী দোকান, কিতাপ-কাগজৰ দোকান, কাপোৰ-কাণিৰ দোকান বহিছিল। প্ৰথমে পোৱা টিঙৰ ঘৰ শাৰীৰ এটা অংশত কৰঙা কমাৰ শিল্পৰ দা-কটাৰি আদি সামগ্ৰীবোৰ বিক্ৰীৰ বাবে ৰাখে। ইয়াৰ দক্ষিণফালে থকা মুকলি পথাৰেদি ৰে'ল গাড়ীবোৰ অহা যোৱা কৰা দেখি। সামগ্ৰী বেচাত ব্যস্ত থাকিলেও ভাপ ইঞ্জিনৰ উকি শুনিলেই বয়সৰ কৌতুহল সামৰিব নোৱাৰি নেদেখা হোৱালৈকে চাই থাকো। আমাৰ দৰে অস্থায়ী বিক্ৰেতাৰ কোনো স্থায়ী ছেদ নেথাকে। ঢিপ সদৃশ ওখ ঠাইবোৰৰ কোনো এডোখৰত ঘৰৰ পৰা অনা ছ'টি, থৈলা আদি পাৰি বস্তু বেহাব লাগে। প্ৰতিবাৰে কেনে ঠাই ভাগত পৰে-সেয়া ভাগ্যৰ ওপৰত নিৰ্ভৰশীল। এইদৰেই মাজৰ ঢিপবোৰত ভিন্ন সামগ্ৰীৰ বিক্ৰেতাসকল বহি লয়। ৰ'দ-বৰষুণ নিবাৰণৰ বাবে একমাত্ৰ ছাতিটোৱেই ভৰষা। বস্তু ঢাকিবলৈ আজিৰ দৰে পলিথিন ছিটবোৰ সুলভ নাছিল।

বজাৰৰ একেবাৰে পূৱ প্ৰান্তত মাছ-মাংস, হাঁহ-কুকুৰা, ছাগলী আদিৰ বজাৰ বহে। মাজৰ ঢিপবোৰৰ কোনো অংশ খালী নাথাকে। বিভিন্ন প্ৰান্তৰ পৰা ক্ৰেতা-বিক্ৰেতাসকল আহে। ঢেকীয়াজুলি অঞ্চলৰ কেইবাখনো গৰু গাড়ী আহে। বেঙেনা, কেৰেলা পাণ-তামোল, শাক-পাচলিৰে ভৰি আহে। দুয়োখন হাতীচুঙী, মাজগাঁও আদি অঞ্চলৰ পৰা অহা- জলয়া-বিৰিয়াৰ ভাৰ পাচিবোৰ শাৰী পাতি অহা দৃশ্য অতি মনোৰম। আলু-কচু, বেঙেনা-জলকীয়া আদি উভৈনদী কৰি বজাৰত মেলি দিয়ে। আমি নিজেও ঋতু জাত-কবি, বেঙেনা, গোলনেমু, হাঁহকণী, পাৰ চৰাই, মাঘ বিহুৰ আগে আগে কাঠ আলু, বৰা চাউল আদিৰ, সময় সাপেক্ষভাৱে বেহা মেলিছিলো। এবাৰ এপোন গোলনেমু (৮০ টা) বিক্ৰী কৰি পাঁচ টকা পাইছিলো। তাৰে বছৰটো জোৰাকৈ ফুলস্কেপ, শ্ৰীৰামপুৰী কাগজ কিনি লৈছিলো। মাজে সময়ে চিলনী পাখিৰ কলম, ধাতুৰ নিব থকা কলম, কোল লগা দোৱাত (ছেপাৰ কোলৰ দৰে কোল), ব্লটিং পেপাৰ, বহীৰ চামৰা আৰু ২/১ খন পাঠ্যপুথিও কিনো।

১৯৪৮-৪৯ চন মানৰ পৰাই বজাৰলৈ অহা মনত পৰে। ঘৰৰ পৰা ওলাই বৰ পথাৰখন পাৰহৈ একেবাৰে চৰ্দাৰ আলিত উঠোহি। প্ৰায় ৫/৬ কিলোমিটাৰ ভাৰ লৈ খোজকাঢ়ি আহোঁ। চাৰিঙীয়া গাঁও বৰপুখুৰী পালেই পিতৃয়ে কাণমাৰিডাল সলাই দিয়ে। বৰ পুখুৰীৰ নিৰ্মল পানী কাজলি ভৰাই পি লওঁ। বজাৰ পালেই সুমথিৰা, কল, কুঁহিয়াৰ আদিহে খাবলৈ দিয়ে। আমাৰ দিনত বজৰুৱা মিঠাই নিষিদ্ধ। মোৰ দৰেই আৰু বহুকেইজন সতীৰ্থই বজাৰ বেহাবলৈ আহে। এজনে জলয়া বিৰিয়া ভাৰপাচিত বেঙেনা, কেৰেলা আনে। মেৰদি চুৰীয়া পিন্ধি, বিৰিয়া-ভাৰৰ লিচিপ-লিচিপ লয়লাস গতিত আহি থকা দৃশ্য আজিও মানস পটত ভাঁহি উঠে। এজনে আকৌ লাখুটিৰ মুৰত পাৰ চৰাইৰ সজাটো পিঠিফালে ওলোমাই আনে। দুয়োজন পিছত শিক্ষক জীৱনৰো সতীৰ্থ হ'লহি। তাৰে এজন এম. এ., বি. এড. হৈ বিদ্যালয়ৰ শিক্ষক হৈছিল। আনজন নৰ্মাল হৈ শিক্ষকতা কৰি, স্কাউটৰো শিক্ষক হ'ল। এইখিনি অনুকৰণীয় হওঁক বুলি বা আদৰ্শ স্বৰূপ হওঁক বুলি উপস্থাপন কৰা হোৱা নাই। মাথোন নৱ প্ৰজন্মলৈ এক বাৰ্ত্তা ৰূপেহে আগবঢ়োৱা হৈছে। উৎপাদন মুখী কৰ্ম, আত্মনিৰ্ভৰশীলতাৰ প্ৰচেষ্টা, বিদ্যা-শিক্ষাৰ কদাপি অন্তৰায় হ'ব নোৱাৰে।

"তেহিনু দিৱসাং গতাঃ"- সেই দিনবোৰ আৰু নাই। তাহানিৰ কিছু স্মৃতিয়ে মনৰ মাজত আজিও দোলা দি যায়। বজাৰ সোমায়েই দুজনমান ফেৰীৱালা দেখো। ডিঙিত একোটা চুটকেছ ওলোমাই লৈ চিঞৰি ফুৰে। এজনে "এই বিড়ি, দিয়াছলাই, সিন্দুৰ, বেজী, পেলু দাৱাই, খৰেৰ দাৱাই..." ইত্যাদি। আনজনৰ আকৌ মুখমণ্ডলত গুটি ওলোৱা। সাজ পাৰ ৰং-বিৰঙৰ। তেঁৱো একেদৰেই চিঞৰি ফুৰে- "সিন্দুৰ, বেজী, খৰেৰ দাৱাই, পেলু দাৱাই..." ইত্যাদি। দুয়োজনেই অনা অসমীয়া লোক। তেওঁলোকৰ মুখৰ ধ্বনি, ভাপ ইঞ্জিনৰ ৰে'লৰ উকিবোৰ, আজিও কাণত বাজি থাকে।

পুৰণি হাতখোলাৰ ভূমিতে চিনামৰা মজলীয়া বালিকা বিদ্যালয় গঢ়ি উঠি এতিয়া মাধ্যমিক স্তৰলৈ উন্নিত হৈছে। সেয়া সন্তোষৰ বিষয়। চিনামৰা উচ্চ মাধ্যমিক বিদ্যালয়খন অতি পুৰণি অনুষ্ঠান-য'ত আমাৰো কেইজনমান শিক্ষা গুৰুৱে বাটকুৰি বাই আহি শিক্ষা গ্ৰহণ কৰিছিল। ১৯৯৭ চন পৰ্য্যন্ত বহুজন সতীৰ্থ শিক্ষক আমাৰ বিশেষভাৱে পৰিচিত। এইখন মোৰ বৰ শ্ৰদ্ধাৰ অনুষ্ঠান। মহাবিদ্যালয়খন এই বিলাকৰ পৰা কিছু আঁতৰত গৈ প্ৰতিষ্ঠিত হৈছে। ইয়ালৈকো আমাৰ বিশেষ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শিক্ষাৰ জ্যোতি বিলাওতা কেউটা অনুষ্ঠানৰ উত্তৰোত্তৰ প্ৰগতি কামনা কৰিলো। নিজে আওপকীয়াকৈ জড়িত আন এটি অনুষ্ঠান হ'ল চিনামৰা ডাকঘৰ। আমাৰ ঢেকীয়াজুলি শাখা ডাকঘৰটি ইয়াৰ যোগেদি পৰিচালিত হৈছিল। অভাজনো এই শাখা ডাকঘৰৰ কিছুকাল পাৰ্টটাইম পোষ্ট মাষ্টৰ আছিলো। সেই সূত্ৰেই জড়িত আছিলো। মণিৰাম দেৱানদেৱে ১৮৪৩-৪৪ খ্ৰীঃত যোৰহাট চেনিমৰা চাহ বাগিছাখন প্ৰতিষ্ঠা কৰিছিল। এতেকে কেতিয়া কেনেকৈ চেনিমৰা চিনামৰা হ'ল- সেয়া বিজ্ঞজনৰ গৱেষণাৰ বিষয়। প্ৰৱন্ধৰ নামকৰণত আমি পূৰ্বে সৰ্ব্বজনগ্ৰাহ্য 'চেনিমৰা' নামটোক ৰাখিছো। বৃহত্তৰ চেনিমৰা অঞ্চল, অনুষ্ঠান-প্ৰতিষ্ঠান, ন-পুৰণি সকলোটি শিক্ষানুষ্ঠানলৈ পুনৰ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। কিমধিকমিতি।

*(লেখক তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক)*

*ভ্ৰাম্যভাষ ৯৪৩৫৬৪৬৮৮৬*

# ‘লখিমী কবি’ থানেশ্বৰ বৰাৰ সৈতে সাক্ষাৎকাৰ

## সাক্ষাৎকাৰ গ্ৰহণ ঃ হিমাংশুৰাজ শইকীয়া

সাহিত্যিকসকলৰ সমাজৰ দিকদ্ৰষ্টা। তেওঁলোকৰ জীৱন সংগ্ৰাম আৰু সফলতাৰ আঁৰৰ ৰহস্য বৰ্তমান যুৱ প্ৰজন্মই জনা দৰকাৰ। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ দ্বাৰা আয়োজিত ‘শীতকালীন সাহিত্য প্ৰতিযোগিতা ২০১৮-১৯’ত অংশগ্ৰহণৰ দ্বাৰা অসমৰ এজন প্ৰখ্যাত ‘লখিমী কবি’ খ্যাত থানেশ্বৰ বৰাৰ জীৱন দৰ্শনৰ বিষয়ে এক আভাস পোৱাৰ উদ্দেশ্যে তেওঁৰ সৈতে এক সাক্ষাৎকাৰ গ্ৰহণ কৰিলো।



- নমস্কাৰ ছাৰ। চিনামৰা মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা মই আপোনালৈ শ্ৰদ্ধা আৰু শুভেচ্ছ জ্ঞাপন কৰিছোঁ। আপোনাৰ সৈতে খন্তেক কথা পতাৰ ইচ্ছাৰে আহিছো, অনুমতি পামনে?

- নমস্কাৰ, অভাজনেও চিনামৰা মহাবিদ্যালয়ৰ পৰিয়াললৈ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছো, বিলাই দিবা। নিশ্চয় পাৰিবা সোধা।

- আপুনি সাহিত্যৰ দিশটোৰ প্ৰতি কেতিয়া আৰু কেনেধৰণে আকৃষ্ট হৈছিল।

- ৭০ দশকতে সাহিত্য দিশটোৰ প্ৰতি আকৃষ্ট হৈছিলো। তেতিয়া মই অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ আছিলো। বিশ্ববিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পোৱা জীৱনৰ প্ৰথম কবিতা- “সোণালী সূতাৰ বান্ধোন” নামৰ কবিতাটিয়ে সাহিত্য জগতত প্ৰৱেশ কৰি সেই ‘বান্ধোন’ অটুট ৰাখিবলৈ চেষ্টা কৰি আছো।

- সাহিত্য চৰ্চাৰ প্ৰেৰণা ক’ৰপৰা পাইছিল?

- শ্ৰেণী বন্ধুৰ প্ৰথম। চাকৰি কালত সহকৰ্মীৰ প্ৰেৰণা। বৰেণ্য ব্যক্তি গীতিকাৰ ঁ নগেন বৰা, পদ্মশ্ৰী ৰংবং তেৰাং, হীৰুদা, হেমন্ত বৰদলৈ ছাৰ পৰা সঘনে পোৱা তাগিদাই মোৰ প্ৰেৰণা। লগতে অসমৰ বিভিন্ন অঞ্চলৰ কাব্যালোচনী সমূহৰ সম্পাদকসকলৰ পৰা পোৱা অবিৰত মৰমবোৰ আজিও প্ৰকট হৈ আছে।

- ছাৰ আপোনাৰ জীৱনৰ উল্লেখযোগ্য স্মৰণীয় ঘটনা এটাৰ বিষয়ে ক’ব নেকি?

- অসম ভিত্তিক আয়োজন কৰা এখন ব্যতিক্ৰমী কবি সন্মিলনত মুখ্য অতিথি হিচাপে হীৰুদাই অংশ লৈছিল। হঠাৎ হীৰুদা অসুস্থ হৈ পৰিছিল। মই ঘপহকৈ মঞ্চলৈ গৈ হীৰুদাৰ আৰোগ্য কামনা কৰি এটি কবিতা পাঠ কৰিছিলো। অলপ সময়ৰ পাছত সুস্থ হৈ হীৰুদা যেতিয়া মঞ্চলৈ আহিছে তেতিয়া মোৰ হাতত এটা নীলা খামত নিজৰ চহীটো লিখি কৈছিল- যেতিয়াই তুমি কিবা লিখিবা তেতিয়াই মোৰ চহীটোলৈ মনত পেলাবা। শক্তি পাবা। সেই খামটো আজিও মই সযতনে ৰাখিছো। বহুতৰ মাজত এইটোও মোৰ উল্লেখযোগ্য স্মৰণীয় ঘটনা। আজি ঘটনাটো ঘপহকৈ মনত পৰাত স্বনামধন্য কবি গৰাকীলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

- সাহিত্য সমাজৰ দাপোন বোলা হয়। সাহিত্যিকসকলে সেয়ে সমাজক কেতিয়াও উপেক্ষা কৰিব নোৱাৰে। সমাজৰ প্ৰতি সাহিত্যিকৰ দৃষ্টিভংগী কেনেধৰণৰ হোৱাটো উচিত বুলি ভাৱে?

- সাহিত্যিকসকলে চাৰিসীমাৰ মাজত সাহিত্য চৰ্চা নকৰি সমাজ সংশোধন কৰিবলৈ হাতে কামে উজান দিয়াৰ প্ৰয়োজন। সমাজক উপেক্ষা কৰি সাহিত্য চৰ্চা কৰিলে সমাজে অন্তৰেৰে সাহিত্যিকক স্বীকৃতি নিদিয়ে। অভিজ্ঞতাপূৰ্ণ সাহিত্যসম্ভাৰ আজি বৰ প্ৰয়োজন হৈছে। সাহিত্য সংস্কৃতিৰ পথাৰখন বৰ বহল। গতিকে সাহিত্যিক সকলেও পুৰণি আৰু নতুনৰ সংমিশ্ৰণত বাৰে ৰহণীয়া সাহিত্য সংস্কৃতিৰ ভেটি গঢ়িব লাগিব। চাওলুঙ-চ্যুকাফা, শঙ্কৰ-আজান, জ্যোতি-বিষ্ণু, মান্নৰত্ন ড০ ভূপেন হাজৰিকাদেৱৰ আদৰ্শ ল’ব লাগিব।

- ছাৰ বৰ্ত্তমান সময়ত নৱপ্ৰজন্মৰ মাতৃভাষা আৰু সাহিত্য চৰ্চাৰ প্ৰতি দায়বদ্ধতা কমিছে বুলি আপুনি ভাৱে নে?

- নাভাবো, কিন্তু ভয় হয়- কিজানিবা আজিৰ প্ৰজন্মই হাতত ম’বাইলটো পাই আৰু কোবাল বাইকখন পাই নিজৰ মাতৃভাষা আৰু সাহিত্য চৰ্চাৰ প্ৰতি থকা দায়বদ্ধতা পাহৰি যায় বুলি।

- নৱ প্ৰজন্মই সমাজৰ কি কথাত অধিক গুৰুত্ব দিয়াটো বিচাৰে?

- আজিৰ নৱপ্ৰজন্মই সমাজ সেৱা কামত লাগিব লাগে। দহজনৰ উপকাৰত অহা কাম কৰি “মানুহ’ৰ পৰিচয় দিব লাগে।

- অসমৰ সাহিত্যৰ ক্ষেত্ৰত কিবা পৰিৱৰ্তন সূচনা হোৱাটো আপুনি বিচাৰেনে?

- বৰ্তমান অসমৰ সাহিত্য ক্ষেত্ৰখন নিকা নহয়। নিকা কৰিব পাৰিলেই পৰিৱৰ্তন আহিবই।

- আপুনি এজন সফল কবি, সফল সাহিত্যিক, সফল নাগৰিক তথা সমাজসেৱী। আপোনাৰ কোনটো পৰিচয় লৈ আপুনি অধিক সন্তুষ্টি লাভ কৰে।

- সমাজসেৱকৰ পৰিচয় পালেহে দুগুণ উৎসাহেৰে কবি, সাহিত্যিক তথা নাগৰিকৰ কৰণীয়খিনি কৰিবলৈ মন যায়। বৰ্তমানত মই এজন সমাজসেৱীহে বাকীবোৰ মোৰ বাবে গৌণ।

- “নাগৰিক সংশোধনী বিধেয়ক, ২০১৫” অসমত গৃহীত হোৱাটো বিচাৰেনে? বিধেয়কখনৰ বিষয়ে আপোনাৰ মন্তব্য জনাবচোন।

- ৰাইজ যিফালে গৈ আছে সেই পথেৰে পথিক মই। নিজা মন্তব্য দিয়াৰপৰা বিৰত থাকিলো, বেয়া নাপাবা দেই। আমাৰ ৰাইজে ৰ’দত থাকি চিন্তাবোৰ কৰিছে, বৰযুণত নহয়। খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষা কৰা আশাৰ প্ৰথম কৰ্তব্য।

- আমি সততে দেখিবলৈ পাওঁ নবীন লেখকসকলৰ লেখাসমূহ উৎকৃষ্টমানৰ হ’লেও প্ৰচাৰ মাধ্যমৰ লবীকেন্দ্ৰিক মনোভাৱৰ বাবে বহু সময়ত লেখক-লেখিকাৰ প্ৰতিভা বিকাশত হেঙাৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত আপোনাৰ অভিজ্ঞতা কেনে আৰু ক’বলগীয়া?

- নবীন লেখকসকলৰ লেখা প্ৰচাৰ আৰু প্ৰকাশ হ’বই, যদিহে লবীকেন্দ্ৰীক মনোভাৱৰ হেঙাৰস্বৰূপ ব্যক্তিসকলে সাহিত্য জগতখনক হেঙাৰ সৃষ্টি নকৰে। ময়ো ‘লবীৰ’ পৰা বহুবাৰ বলি হৈছো। অভিজ্ঞতাৰ পৰা জনাওঁ যে হেজাৰ হেঙাৰ নেউচীও বসন্ত এদিন আহিবই। ন-কুঁহিপাত ওলাবই। ব্যতিক্ৰমী লিখনী লিখিলে পঢুৱৈ সমাজেও আদৰি ল’ব আৰু লবাও পলাব।

- ছাৰ ইমান ব্যস্ততাৰ মাজত আপুনি যথেষ্ট সময় দিলে। সেয়ে আপোনালৈ বহুত ধন্যবাদ জ্ঞাপন কৰিলো আৰু শেষত আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

- মোৰ নিচিনা আখৰ লিখা এজন ব্যক্তিৰ পৰা সাক্ষাৎকাৰটি লোৱাত গৌৰৱ অনুভৱ কৰিছোঁ। তোমালোকৰ এই কাৰ্য্যসূচীক আদৰণি জনাইছো। ভৱিষ্যতে লগপোৱাৰ আশা কৰিলো। পুনৰ অভিনন্দন।

(সাক্ষাৎকাৰটি গ্ৰহণ কৰাত মৰমৰ মৃদুস্মিতা বা এ সহায় কৰাত এই সুযোগতে বালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।)

(৯৩৬৫৪৩৪৬১৩)

# ফকৰা যোজনা

সংগ্ৰাহক ঃ **পঞ্চানন শইকীয়া**
অসমীয়া বিভাগ
প্ৰথম ষাণ্মাসিক
চিনামৰা মহাবিদ্যালয়

১। অকলশৰীয়া পহু
গোটেই গাকে খহু
২। অকাজত সুকাম হ’ল
মাক জন্ম নৌহওঁতেই
জীয়েক যোল বছৰীয়া হ’ল।
৩। অকাৰ্যত যি ফুৰয় ৰাতি
জুইৰ কাষত বান্ধে গাঁঠি
৪। অগ্নি, ব্যাধি, ঋণ
এই তিনিৰ নেৰাখিবা চিন
৫। অজাতত তুলসী
অপাত্ৰত ৰূপহী
৬। অতি ভক্তি চোৰৰ লক্ষণ
৭। অতি বুধিয়কৰ ডিঙিত ফাঁচ
অতি শ্ৰীৰ সৰ্ব্বনাশ
৮। আইৰ সমান হ’ব কোন
নৈৰ সমান বব কোন।
৯। আঁঠুকাঢ়ি জীয়াই থকাতকৈ
থিয় হৈ মৰা ভাল।
১০। আইৰ ঘৰলৈ যাম
দুহাতে খাম
বিধিয়ে বোলে মই
পিছে পিছে যাম।
১১। আইৰো বাৰ্ত্তা, গঙ্গাৰো যাত্ৰ।
১২। অভাৱেই স্বভাৱ নষ্ট।
১৩। অল্প বিদ্যা ভয়ঙ্কৰী
অল্প শিক্ষা অহংকাৰী
১৪। অহুকাণে পহু কানে শুনা
তাকে শুনি মূৰ ঘূমাই।
১৫। আই আছে যদি খাই যা
আই নাই যদি চাই যা।
১৬। অতিৰ লগত যতি মৰে
উলুৰ লগত বগৰি পোৰে।
১৭। অলপীয়া পানী পাই
পুথি মাছে চল চলায়।
১৮। আগফালে মাৰো ডাং
পাচফালে ধোপাং দাম।
১৯। আগ নুগুনি গুণে পাছ
লোভত মৰে বৰশীৰ মাছ।
২০। আদা বেপাৰীৰ জাহাজৰ
খবৰ, তাকে কলে লাগে জগৰ।
২১। আঠ আঙুলীয়া কপাল
তেওঁৰ আকৌ কিহৰ আকাল।
২২। আঞ্জাৰ মাছকে নোৱাৰে ধৰিব
বিললৈ যায় মাছ মাৰিব।
২৩। ইয়াতেই সৰগ, ইয়াতেই নৰক
নিজে ভোগে নিজৰ কৰতব্।

১ পৃষ্ঠাৰ পৰা

# নিবনুৱা সংস্থাপনত চুড়ান্ত ব্যৰ্থতা . . .

ব্যৱধান বৃদ্ধি পাই আহিছে। ১৯৭০-৮০ দশকৰ মাজত মুঠ ঘৰুৱা উৎপাদন বিকাশৰ হাৰ ৩ বা ৪ শতাংশকৈ কম আছিল যদিও তেতিয়া নিযুক্তিৰ বিকাশৰ হাৰ প্ৰায় ২ শতাংশ আছিল। আশ্বৰ্যজনকভাৱে ২০১৩ চনত যেতিয়া মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হাৰ তুলনামূলকভাৱে অধিক হোৱা অৱস্থাত নিযুক্তিৰ হাৰ ০.১ শতাংশতকৈও কম আছিল। বিশেষকৈ শিক্ষিত নিবনুৱাৰ ক্ষেত্ৰত। ইয়াৰ পৰা এইটো অনুমান কৰিবলৈ অসুবিধা নহয় যে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ১০ শতাংশ হ'লেও নিযুক্তিৰ হাৰ ১ শতাংশতকৈ কম হোৱাৰ সম্ভাৱনাই বেছি হ'ব। প্ৰকৃততে ২০১৩ চনৰ পৰা ২০১৬ চনৰ ভিতৰত নিযুক্তিৰ সংখ্যা ৭ মিলিয়নলৈ হ্ৰাস পাইছিল। পৰৱৰ্তী সময়ত নিযুক্তিৰ পৰিমাণ আৰু কমি আহিল। এক তথ্য অনুযায়ী ২০১৬ চনৰ পিছৰ পৰা নিবনুৱাৰ হাৰ ৫ শতাংশতকৈ অধিক বৃদ্ধি পাই আহিছে। ভৌগোলিক অৱস্থান ভেদে উত্তৰভাৰতৰ ৰাজ্যসমূহত নিবনুৱা বৃদ্ধিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। আনহাতে নিযুক্তিৰ হাৰ ১৬ শতাংশলৈ কেনেবাকৈ যদি বৃদ্ধি পায়ে তথাপি উচ্চ শিক্ষিতসকলৰ ক্ষেত্ৰত ইয়াৰ বিশেষ প্ৰভাৱ নপৰিব বুলি ধাৰণা কৰা হৈছে।

কিছুমান খণ্ডত উপাৰ্জন বাঢ়িলেও গ্ৰামাঞ্চলৰ মজুৰি হাৰ ২০১৪ চনৰ পৰা লক্ষণীয়ভাৱে কমি আহিবলৈ ধৰিলে আৰু পৰৱৰ্তী সময়তো মজুৰি হাৰ বৃদ্ধি নাপালে। আনকি অধিক নিযুক্তিৰ সম্ভাৱনা থকা সংগঠিত নিৰ্মাণ খণ্ডটো চুক্তিভিত্তিক কম মজুৰিৰে নিযুক্তি দিয়া হৈছে আৰু এনে নিযুক্তিয়ে সংস্থাপনকাৰীক কোনোধৰণৰ নিযুক্তিৰ নিৰাপত্তা প্ৰদান নকৰে। উল্লেখযোগ্য যে ২০১৫ চনত শ্ৰমৰ উৎপাদনশীলতা ৩০ বছৰ আগৰ তুলনাত ৬ গুণ বৃদ্ধি পাইছিল। সেই সময়ত পৰিচালক নিৰীক্ষকৰ দৰমহা তিনিগুণলৈ বৃদ্ধি পোৱাৰ বিপৰীতে কিন্তু অদক্ষ আৰু কম দক্ষতা সম্পন্ন শ্ৰমিকৰ মজুৰিৰ হাৰ বাঢ়িছিল মাত্ৰ ১.৫ গুণহে।

নিযুক্তিৰ অন্য এক বিশেষ বৈশিষ্ট্য মহিলা নিযুক্তিৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। অৰ্থাৎ শ্ৰম শক্তিত মহিলাৰ অৱদান লক্ষণীয়ভাৱে হ্ৰাস পাইছে। ৰাজ্যভেদে মহিলা নিযুক্তিৰ পাৰ্থক্যই অন্য এক চৰিত্ৰ উন্মোচিত কৰে। উত্তৰ প্ৰদেশত ১০০জন নিযুক্তিপ্ৰাপ্ত পুৰুষৰ বিপৰীতে মহিলা দৰমহাপ্ৰাপ্ত কৰ্মচাৰীৰ সংখ্যা মাত্ৰ ২০গৰাকী। সেইদৰে তামিলনাডুত ৫০ গৰাকী আৰু আটাইতকৈ বেছি মিজোৰাম আৰু নাগালেণ্ডত ৭০ গৰাকী। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে হিন্দীবলয়ৰ ৰাজ্যকেইখনত একমাত্ৰ লিঙ্গ বৈষম্যৰ বাবেই এনে হোৱা নাই। সম্প্ৰদায়কেন্দ্ৰিক বাৱস্থাপনাই মহিলা কৰ্মচাৰীৰ নিযুক্তি তথা উপাৰ্জনতো নেতিবাচক প্ৰভাৱ পেলাইছে। আদিবাসী আৰু দলিত লোকসকলে কম দৰমহাপ্ৰাপ্ত ক্ষেত্ৰতহে নিযুক্তি পায়। উচ্চ সম্প্ৰদায়ৰ লোকৰ দৰমহাৰ তুলনাত এইসকলে কাচিৎহে ৫০-৫৫ শতাংশ দৰমহা লাভ কৰিবলৈ সক্ষম হয়।

২০১২ চনত কেন্দ্ৰীয় শ্ৰম আৰু নিযুক্তি মন্ত্ৰালয়ৰ নিয়োগ গণনাত নিবনুৱাৰ সংখ্যা সমগ্ৰ দেশত ১.৭১ কোটি থকা বুলি প্ৰমাণ কৰিছিল। কিন্তু ২০১৬ চনত ইয়াৰ সংখ্যা ২.৩৩ কোটিলৈ বৃদ্ধি পালে। অৰ্থাৎ পাঁচ বছৰৰ ভিতৰত নিবনুৱাৰ সংখ্যা প্ৰায় দুগুণলৈ বাঢ়িল। ২০১৭-১৮ বৰ্ষৰ কৰ্মহীনতাৰ হাৰ ৬.১ শতাংশ হৈছিল যিটো বিগত ৪৫ বছৰৰ ভিতৰত সৰ্বাধিক। পিছে চৰকাৰে এই তথ্য প্ৰকাশ কৰিব নোখোজে। চৰকাৰে বিগত সময়ত ঘোষণা কৰা অনুযায়ী বছেৰেকত ১.১ কোটি নিবনুৱাৰ কৰ্মসংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও বাস্তৱত নিযুক্তি সংকোচনহে ঘটিল। চেণ্টাৰ ফৰ মনিটৰিং ইণ্ডিয়ান ইকনমিকছৰ (চি এম আই ই)ৰ তথ্য অনুযায়ী দেশখনত কৰ্মৰত লোকৰ সংখ্যা যোৱা ফেব্ৰুৱাৰী মাহ পৰ্যন্ত ৪০ কোটি আছিল। অথচ ইয়াৰ এবছৰৰ আগত ইয়াৰ সংখ্যা আছিল ৪ কোটি ৬ লাখ।

২০১৬-১৭ চনত কম দৰমহাপ্ৰাপ্ত শ্ৰমিকসকল বিমুদ্ৰাকৰণৰ ফলত ভীষণভাৱে আক্ৰান্ত হৈ জীৱিকাৰ বাবে হাহাকাৰ কৰি থাকিব লগা হৈছে। ইয়াৰ পৰা উদ্ধাৰ পাবৰ বাবে অদ্যপি চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। কেন্দ্ৰীয় পৰিসংখ্যা আৰু কাৰ্যসূচী কাৰ্য্যকাৰিতাৰ মন্ত্ৰালয়ে নিযুক্তিৰ সময়সূচী বিশেষকৈ গ্ৰামাঞ্চলৰ অনানুষ্ঠানিক খণ্ডটোৰ বাবে প্ৰকাশ কৰিব লাগে বুলি পৰামৰ্শ দিছিল। তথ্য প্ৰযুক্তিৰ দ্ৰুতবিকাশ আৰু সম্প্ৰসাৰণ ঘটি থকাৰ বাবে এনে সময়সূচী প্ৰকাশ কৰাটো জৰুৰী হৈ পৰিছে। উদাহৰণ স্বৰূপে বস্ত্ৰ উদ্যোগ, মৰাপাট, কপাহ, কাগজ, চেনি উদ্যোগসমূহ হৈছে মূলধনকেন্দ্ৰিক উদ্যোগ। এনেবিলাকত শাৰীৰিকভাৱে শ্ৰম কৰিব পৰা সংস্থাপনৰ সুবিধা নিচেই কম।

সম্প্ৰতি নিযুক্তিৰ তথ্যৰ সৈতে মুঠ ঘৰুৱা উৎপাদন আৰু খণ্ডভিত্তিক বিকাশ (Sectoral development) বিশেষভাৱে গ্ৰামাঞ্চলৰ অনানুষ্ঠানিক আৰু ক্ষুদ্ৰ উদ্যোগ খণ্ডক সমানুপাতিক হাৰত বৃদ্ধি কৰি আগবঢ়াই নিব লাগিব। কিন্তু দুৰ্ভাগ্যজনকভাৱে ছপা আৰু দৃশ্য মাধ্যম তথা ব্যৱসায়ৰ বাতৰি কাকতবিলাকে কৰপৰেট খণ্ডৰ বিনিয়োগৰ বাবেহে দেশৰ আৰ্থিক বিকাশৰ হাৰ দ্ৰুতগতিত বাঢ়িছে বুলি অহৰহ প্ৰচাৰ চলাই আহিছে। কিন্তু আচল সত্যটো হৈছে যে এই মাধ্যমবোৰে কাহানিও অনা-কৰপৰেট খণ্ডৰ অৱদানসমূহ প্ৰচাৰ কৰিব নিবিচাৰে অথচ এই অসংগঠিত খণ্ডবিলাকতেই নিম্ন-অৰ্ধদক্ষ আৰু অদক্ষ শ্ৰম শক্তি নিয়োজিত হৈ দেশৰ সংস্থাপনৰ ক্ষেত্ৰখনত প্ৰাধান্য বিস্তাৰ কৰি আছে য'ত পুৰুষ আৰু মহিলা উভয়ে নিয়োজিত। চৰকাৰৰ অদূৰদৰ্শিতাৰ বাবেই বিমুদ্ৰাকৰণ গ্ৰাম্যখণ্ডত জাপি দিয়া হ'ল যাৰ বাবে গ্ৰাম্য অৰ্থনীতি নিশকতীয়া হৈ পৰিল আৰু স্পষ্টকৈ ক'বলৈ গ'লে অসংগঠিত খণ্ডৰ অৰ্থনীতিৰ কামিহাৰডাল ভাঙি পেলোৱা হ'ল। উল্লেখ কৰা প্ৰয়োজন যে দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ অসংগঠিত খণ্ডৰ অৱদান ২০ শতাংশ আৰু ইয়াত শ্ৰমশক্তিৰ ৮০ শতাংশই জড়িত হৈ আছে। দেশৰ মুঠ জনসংখ্যাৰ তিনিভাগৰ দুভাগেই হৈছে গ্ৰাম্যকৰ্মী।

বিশ্ববেংকে ২০১৮ চনত "দক্ষিণ এচিয়া বিকাশ আৰু নিযুক্তি অৱস্থা" শীৰ্ষক প্ৰতিবেদন প্ৰকাশ কৰি ভাৰতবৰ্ষৰ নিযুক্তিৰ দুৰৱস্থাৰ কথা বিশেষভাৱে উল্লেখ কৰিছে আৰু দেশখনৰ প্ৰতিবছৰে কমেও ৮০ লাখ নিবনুৱাক সংস্থাপন দিয়াৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰিছে। বিশ্ব ক্ষুধা সূচকাংক গণনাৰ তথ্য মতে ২০১৬ চনত বিশ্বত ভাৰতবৰ্ষৰ স্থান আছিল ৯৭ সংখ্যক স্থানত আৰু ২০১৮ চনত ১১৯ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান হ'লগৈ ১০৮ সংখ্যক।

সম্প্ৰতি দেশব্যাপি আয়কৰ আৰু বিদেশী মুদ্ৰা আইন সংক্ৰান্তীয় বিভাগক ৰাজনৈতিক উদ্যোগত ব্যৱহাৰ কৰা হৈছে। অৰ্থনীতিত বে-চৰকাৰী বিনিয়োগ কমি আহিছে। বিনিয়োগ অবিহনে ব্যৱসায়-বাণিজ্য আৰু নিযুক্তি কেনেদৰে সম্ভৱ হৈ উঠিব? দেশৰ প্ৰায়বোৰ চৰকাৰী অথবা বে-চৰকাৰী খণ্ডত নিযুক্তিৰ আশা নিৰ্বাপিত হৈ আহিছে। চৰকাৰৰ জনপ্ৰিয়তা বঢ়াবলৈ কিছুমান অনুৎপাদনশীল আঁচনিত ব্যয়ৰ প্ৰাধান্য দিয়াৰ ফলত চৰকাৰৰ প্ৰায় ৪০ শতাংশ খালী হৈ থকা পদত অদ্যপি নিযুক্তি দিব পৰা নাই। জাপান, দক্ষিণ কোৰিয়া আৰু চীন দেশে নিৰ্মাণ খণ্ডক উৎসাহিত কৰি ২০০৯-২০১৪ চনৰ ভিতৰত যিদৰে নিযুক্তিৰ বিস্তৃত সম্প্ৰসাৰণ ঘটাইছিল, তেনে উৎসাহ আৰু কাৰ্য্যকাৰিতা আমাৰ দেশৰ নিৰ্মাণ খণ্ডটোত দেখিবলৈ পোৱা নাযায়। দুৰ্ভাগ্যজনকভাৱে আমাৰ দেশৰ এই খণ্ডটোৰ বিকাশ মন্থৰ আৰু এতিয়াও এই উদ্যোগটো চালুকীয়া অৱস্থাতেই আছে বুলি কলে ভুল কোৱা নহ'ব।

# যমদূত সদৃশ উদণ্ড বাইক চালকক নিয়ন্ত্ৰণ কৰিব কোনে?

**আনন্দ শইকীয়া, মৰিয়নী:** আজি কেইদিন মানৰ পৰা মনটো অতি ভাৰাক্ৰান্ত হৈ আছে। বাইক দূৰ্ঘটনাত কম সময়ৰ ভিতৰতে মোৰ অতি আত্মীয় কেইবাজনো লোকে থিতাতে প্ৰাণ হেৰুৱাইছে। আজিৰপৰা তিনি-চাৰি মাহমানৰ আগতে মৰিয়নীৰ এগৰাকী নেতৃস্থানীয় ব্যক্তি শিক্ষাবিদ তিলেশ্বৰ ফুকন, যাৰ সৈতে মৰিয়নী মহাবিদ্যালয়ত একেলগে ৩৫ বছৰ শিক্ষকতা কৰিছিলো, সেইজন ব্যক্তিৰ দূৰ্ঘটনাত মৃত্যু হ'ল। অতি দুখৰ কথা দ্ৰুত গতিত অহা মটৰ চাইকেলে মৰিয়নী নগৰৰ জনবহুল পথত তেওঁক খুন্দা মাৰিলে আৰু ডিব্ৰুগড়ত দুদিন চিকিৎসাৰ পাছত মৃতদেহ মৰিয়নীলৈ ঘূৰাই অনা হ'ল। দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ ঘটনাকেইটা মাত্ৰ এসপ্তাহৰ ভিতৰতে। দ্বিতীয় ঘটনাটো মৰিয়নীৰ হেঙুল থিয়েটাৰৰ সমীপত। ৰে'লৰ আলিৰ কাষৰ জয়মতী নগৰৰ অৱসৰপ্ৰাপ্ত ৰে'ল কৰ্মচাৰী কাশিৰাম বৰা। তেখেতে সন্ধ্যা পকা ৰাস্তা পাৰ হৈ আহোতেই দ্ৰুতগতিত অহা বাইকে খুন্দা মাৰি দিয়াত ইহ সংসাৰ ত্যাগ কৰিলে। অতি দুখ ল'গা কথা, তেখেতৰ সৈতে কাষতে বহি মাত্ৰ কেইদিনমানৰ আগত নাম-প্ৰসঙ্গত অংশগ্ৰহণ কৰিছিলোঁ। তেওঁৰ সৈতে মোৰ ঘৰুৱা সম্পৰ্ক আছিল। তৃতীয় ঘটনাটো দহোটীয়া ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত। কাশিৰাম বৰাৰ মৃত্যুৰ দুদিনৰ পাছত অৰ্থাৎ ৭ জুলাই দেওবাৰে। সুৰেশ বৰা নামৰ লোকজন প্ৰিন্স অৱ ওৱেলচ্‌ৰ ফ'ৰমেন পদৰপৰা ডেৰ বছৰমানৰ আগতে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ মোৰ একমাত্ৰ খুলশালী। সেইদিনা দিনৰ দুই বজাত দ্ৰুতবেগী বাইকে খুন্দা মাৰি দিয়াত ততাতৈয়াকৈ যোৰহাট মেডিকেললৈ নিয়া হ'ল যদিও যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ প্ৰেৰণ কৰিলে। ডিব্ৰুগড়ত দুটা দিন থকাৰ পাছত মৃতদেহ ঘৰলৈ আনিব লগা হ'ল। চতুৰ্থটো ঘটনা ফৰকাটিঙৰ চক্ৰধৰা মাজ গাঁৱৰ নিবাসী সমাজকৰ্মী সৰবৰহী ব্যক্তি গুণ নাথ। এই লোকজনে ফৰকাটিং মেৰাপানী পথত চাইকেল কৰি আহি থাকোতে বাইকে খুন্দিয়াই মাৰিলে। এই চতুৰ্থ ঘটনাটো তৃতীয় ঘটনাৰ মাত্ৰ চাৰিদিনৰ পাছত। তেখেত মোৰ ভনীজনীৰ দেওৰেক। বাইকৰ খুন্দাত মাত্ৰ কেইদিনমানৰ ভিতৰতে (ফুকনৰ ঘটনাটো তিনি চাৰি মাহৰ আগতে হোৱা) তিনিজন অতি আত্মীয় লোকক হেৰুৱাই যমদূত সদৃশ বাইকবোৰ দেখিলেই ধাতু উৰি যোৱাৰ নিচিনা অৱস্থা হৈছে। কোৱা বাহুল্য আমাৰ এই লেখাত উল্লেখ কৰা কেউজন জ্যেষ্ঠ নাগৰিক আৰু কেউজন নিষ্ঠাৱান সমাজকৰ্মী আছিল। মহামাৰী ৰূপ ধাৰণ কৰা এনকেফেলাইটিছক ঔষধ পাতিয়ে নিয়ন্ত্ৰণ কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। কিন্তু যমদূত সদৃশ বাইক চালক উদণ্ড যুৱক সকলক কোনে নিয়ন্ত্ৰণ কৰিব। এই ৰোগৰ ঔষধ ক'ত? জনপ্ৰিয় চৰকাৰখনে ইয়াৰ কিবা আশু ব্যৱস্থা কৰিবনে? চৰকাৰলৈ কাতৰ আহবান থাকিল। শেষত যিকেইজনৰ আকস্মিক মৃত্যুৱে মোক আমনি দিছে কেউজনৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

# চিনামৰা মহাবিদ্যালয়ৰ স্নাতক শাখাৰ ফলাফল

চিনামৰা মহাবিদ্যালয়ৰ সদ্যঘোষিত স্নাতক চুড়ান্ত ষান্মাসিকৰ পৰীক্ষাৰ ফলাফল সন্তোষজনক। ভূগোল বিভাগত ৮ জন, ইতিহাস বিভাগত ৩ জন, শিক্ষাতত্ব বিভাগত ৩ জন আৰু অৰ্থনীতি বিজ্ঞান বিভাগত ১ জনে প্ৰথম বিভাগ লাভ কৰে।

৪ পৃষ্ঠাৰ পৰা

# মুকলি আকাশৰ মুক্ত..

যাপনৰ সময় পোৱা নাছিল ফ্ৰাছোৱাজ ছাগে। উচ্চতৰ মাধ্যমিক পৰীক্ষীৰ ব্যস্ততাৰ বাবে যোৱা নাছিল। কিন্তু আশা কৰাৰ ধৰণে পৰীক্ষাৰ ফলাফল লাভ কৰিব পৰা নাছিল। তথাপি পৰীক্ষাত উত্তীৰ্ণ হৈ সেই বছৰৰ অক্টোবৰত ছৰবোর্ন বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰে। ছৰবোৰ্নত পঢ়ি থকাৰ সময়তে কাষৰ কাফেত সময় অতিবাহিত কৰাটো এটা অভ্যাসত পৰিণত হৈছিল। কাফেত বহি এখন নীলা বহিত লেখিছিল আৰু প্ৰতিদিনাই গধূলী ছা জাৰমাত দ্যা প্ৰেতত বান্ধৱী ফ্লোৰেন্সক লগ কৰিবলৈ গৈছিল। লেখক তথা সেই সময়ৰ দেশখনৰ সাংস্কৃতিক মন্ত্ৰী অদ্ৰে মাৰ্লোৰ জীয়েক আছিল ফ্লোৰেন্স। হাতখৰচৰ ধন ব্যয় কৰি শুনিবলৈ গৈছিল বিখ্যাত আমেৰিকান জাজ ক্লৰিনেটিষ্ট ছিডনি বিছত-‘থিয়েটাৰ

দ্যা ভিউ কল্ম বিৰেত’। প্ৰথম উপন্যাসৰ সফলতাৰ পিছতেই ‘পাৰি ৰিভিউ’ আলোচনীৰ এক সাক্ষাৎকাৰত অৱগত কৰিছিল নিজৰ মনৰ কথা—‘ মোৰ তীব্ৰ আকাঙ্খা আছিল লেখাৰ। অৱসৰ সময়ত দলবান্ধি ফুৰিবলৈ নগৈ পেৰিছত বহি উপন্যাস লেখাৰ। সেয়া মোৰ বাবে বৰ ৰোমাঞ্চকৰ।’

মাত্ৰ ১২ বছৰ বয়সত নিজৰ উপন্যাসখন প্ৰকাশৰ বাবে প্ৰেৰণ কৰিছিল বিখ্যাত প্ৰকাশক পিয়েৰ লাজাৰেফকলৈ। কিন্তু সেয়া প্ৰকাশ হোৱা নাছিল। তেওঁ আত্মজীৱনী ‘ছাগে’ৰত লেখিছে— সেই বিশেষ দিনটোৰ কথা জনাইছিলো চুক্ৰদ লামিক। ১৯৫৪ চনত যিদিনা নিজৰ লেখনি প্ৰকাশৰ বাবে দিছিল সেই দিনা প্ৰকাশক ৰনে জুলিৰাৰে তেওঁক এখন আবেদন পূৰণ কৰাৰ বাবে দিছিল। পূৰণ কৰাৰ পিছত ফ্ৰাছোৱাজ ছাগে জানিব বিচাৰিছিল —‘কিমান দিনৰ পিছত ফলাফল লাভ কৰিব ?’ পিছত একো নোকোৱাকৈ উভতি যায় স্বভাৱত অস্থিৰ ছোৱালীজনী। আনহাতে সম্পাদকে একেবহাতে বিৰতিহীনভাৱে পাণ্ডুলিপি পঢ়ি মোহিত আৰু আলোড়িত হৈ পৰিছিল।

ফ্ৰাছোৱাজে পাণ্ডুলিপি জমা দিছিল ৬ জানুৱাৰীত। তাৰ ঠিক এঘাৰদিনৰ পিছত ১৭জানুৱাৰীত তাইক মাতি পঠোৱা হৈছিল। টেলিফোনতে কোৱা হৈছিল ১১বজাত লগ কৰাৰ বাবে। প্ৰকাশকে তাইক সুধিছিল- ‘তোমাৰ মা-দেউতাই উপন্যাসখন পঢ়িছে নে ?’

-‘নাই, মোৰ দেউতা আন কামত ব্যস্ত, মায়ে ইয়াত সন্মতি নিদিব।’

অৱশ্যে মাক-বাপেকে উপন্যাসখন প্ৰকাশ কৰাৰ বাবে অনুমতি দিলেও পৰিয়ালৰ উপাধি‘কোৱাৰেজ’ ব্যৱহাৰ বাবে অনুমতি দিয়া নাছিল। তেওঁলোকৰ অনুৰোধত ফ্ৰাছোৱাজৰ নাম সলনি কৰা হয়। মাত্ৰ কেইমিনিটমান সময় দিয়া হৈছিল নাম সলনি কৰিবলৈ। আলবাৰ্টিন দিছপাৰুৰ মুগ্ধপাঠক ফ্ৰাছোৱাজৰ অস্থিমজ্জাত ধ্বনিত হ’ল এটা নাম। এক প্ৰিয় চৰিত্ৰ প্ৰিন্সছ ছাৰ্গ। নিজৰ নামৰ পিছত সংযোগ কৰিলে ‘ছাগ’। ফ্ৰাছোৱাজৰ নিজৰো ‘কোৱাৰেজ’ উপাধি পছন্দৰ নাছিল।

১৯৫৩চনৰ জুন মাহৰ পৰীক্ষাত সফলতা লাভ কৰা নাছিল। পৰিয়ালৰ সকলোৱে খং কৰিছিল। সকলোকে শান্ত, আনন্দিত আৰু সন্তুষ্ট কৰিব লাগিব-সেই ভাৱনাতে সেই বছৰৰ আগষ্ট মাহত বোজৰ থিৰেতছ’ লেখি শেষ কৰিছিল। উপন্যাস লেখাৰ হাবিয়াস তেতিয়াৰে পৰা। লেখিবলৈ আৰম্ভ কৰিছিল পৰীক্ষামূলকভাৱে। বৰ মহান কিবা এটা কৰাৰ বাবে নহয়, চাব বিচাৰিছিল তাই নিজকে নিজেই যথেষ্ট ইচ্ছাশক্তি আছে নে নাই। শেষত দুমাহৰ ভিতৰত সম্পূৰ্ণ কৰিছিল পাণ্ডুলিপি। শিৰোনামৰ তলতেই লেখিছিল জন্মৰ তাৰিখ ২১ জুন ১৯৩৫। উপন্যাসখন প্ৰকাশৰ মাহটোতেই পেৰী মেছ আলোচনীয়ে ‘১৮বছৰীয়া কোলেত’বুলি অভিহিত কৰিছিল( কোলেত বিখ্যাত ফৰাচী সাহিত্যিক।)। কেইসপ্তাহৰ পিছতেই লাভ কৰে ‘প্ৰি দ্যা ক্ৰিটিক’(prix de critique) ৰ সন্মান।

আলবেৰাৰ কেমুৰে ‘লা পেষ্টৰ (*La Peste*)বাবে এই সন্মান লাভ কৰিছিল ১৯৪৭ চনত। চাৰিওফালে খ্যাতিয়ে যেন আকাশ স্পৰ্শ কৰিছিল। ন’বেল লৰিৰেটেছাগাক মাতিছিল’ ১৮ বছৰীয়া ‘চাৰ্মিং মনষ্টাৰ’ বুলি। লো ফিগাৰো(*Le Figaro*) পত্ৰিকাই প্ৰথম পৃষ্ঠাত ছাগৰ সম্পৰ্কত লেখিছিল— উপন্যাসখনৰ প্ৰথম পৃষ্ঠাতেই প্ৰকাশ হৈছিল তেওঁৰ সৃজনশীল মেধা বিস্ফোৰিত প্ৰতিভা। প্ৰকাশকে তাইক প্ৰথম কিস্তি হিচাপে পঞ্চাশ হাজাৰ ফ্ৰাঙ্ক দিছিল। কমবয়সত চেক দিয়াৰ বাধা আছিল। তাই সেই ধন লুকাই থৈছিল ৰাৰড্ৰবেৰ ড্ৰৱাৰত, দেউতাকে খঙত কৈছিল সকলোবোৰ দলিয়াই দিবলৈ। পিছদিনাখনৰ অভিজ্ঞতা আছিল একেবাৰে বেলেগ। আকস্মিক পৰিৱৰ্তন। জীৱনৰ দিশ সলনি। অস্থিৰ, অসহিষ্ণু সত্তা, মাক-দেউতাকৰ ঘৰ এৰি ককায়েকৰ ঘৰলৈ থাকিবলৈ যায়। মনত সাগৰৰ আনন্দৰ ঢৌ।

তাই উজ্জ্বল আলোকিত, উদ্দীপ্ত, গতিৰে সমৃদ্ৰ, মাজৰাতি-যিবোৰ অন্ধকাৰাচ্ছন্ন, যিবোৰ হেৰোৱাইছিল সকলোবোৰ পাবলৈ চেষ্টা কৰিছিল। জীৱনত আয়োজন-প্ৰয়োজনৰ সাগৰ সদৃশ উপলব্ধি আছিল তাইৰ। কৰ্ম সূত্ৰে পিতাক আছিল ফ্ৰান্সৰ দক্ষিণপূবৰ লিৰ চহৰত। পঢ়িছিল কেথলিক স্কুলত। মলিৰেৰৰ আবক্ষ মূৰ্তিক অসন্মান কৰাৰ অভিযোগত স্কুলৰ পৰা বাহিৰ কৰি দিয়া হৈছিল। তেওঁ ঈশ্বৰ বিশ্বাসী আছিল। কোৱা হয়, তেওঁৰ উপন্যাস জন্মদিয়াৰ প্ৰথম চিহ্ন হ’ল — এই আত্মভাৱনা। আত্মমগ্ন আৱৰ্তত জমা হৈ থকা অনুভূতি সৰু সৰু আখৰে প্ৰাণ লাভ কৰিছিল উপন্যাসকৰ পৃষ্ঠাত। দুই আঙুলিৰে টাইপ কৰি যেতিয়া লেখিছিল, তেতিয়া ভৱা নাছিল ইমান বিখ্যাত হব বুলি।

১৯৫৩চনৰ ডিচেম্বৰ মাহত যেতিয়া বাপেকক নিজৰ উপন্যাসৰ পাণ্ডুলিপি দেখুৱাইছিল, তেতিয়া সৰু ছোৱালীজনীৰ লেখনি প্ৰকাশৰ সন্মতি জনাই স্বাক্ষৰ কৰি কৈছিল— তোমাৰ লেখনি কোনোবাই প্ৰকাশ কৰিলে মই আচৰিত হ’ম। পিছৰ বছৰত উপন্যাসখন প্ৰকাশ হয়। তেওঁৰ সফলতা এতিয়া ফৰাছী সাহিত্যৰ ইতিহাস। ১৯৫৪চনৰ ৯ মেৰ ভিতৰত বিক্ৰী হৈছিল আঠ হাজাৰ কপি। চেপ্টেম্বৰৰ পিছত বিক্ৰি হৈছিল ৪৫হাজাৰ কপি। অক্টোবৰত সীমা অতিক্ৰম কৰিছিল লাখৰ ওপৰত। ক্ৰমান্বয়ে বাঢ়ি গৈছিল কপিৰ সংখ্যা। সফলতাৰ লগে সমাদিত, নিন্দিত দুয়োটাৰে সন্মুখীন হৈছিল।

সমাজ নিৰ্দ্ধাৰিত নৈতিকতাৰ লক্ষ্মণ ৰেখাৰ সম্পৰ্কত ৩০বছৰৰ পিছত তেওঁ লেখিছিল—মানুহজনে- এয়া ধাৰণা কৰিব পৰা নাছিল এজনী ছোৱালীয়ে পাগলৰ দৰে লৱাজনৰ প্ৰেমত পৰিব আৰু গ্ৰীষ্মৰ শেষত কাষত পাব। বিষয়টো তেওঁৰ বাবে অগ্ৰহণযোগ্য যে কমবয়সীয়া ছোৱালীৰ অধিকাৰ আছে নিজৰ দেহ নিজৰ ইচ্ছামতে ব্যৱহাৰৰ আৰু আনন্দ পাব পাৰে কোনোধৰণৰ শাস্তি অবিহনে। চাৰিওফালৰ পৰা প্ৰশংসাৰ লগতে অৰ্থনৈতিকভাৱে ব্যাপক সফলতা লাভ কৰি অতি কম সময়ত এগৰাকী প্ৰতিষ্ঠিত লেখিকা হোৱা ছাগেক সময়ে যেন বহু কথাই শিকাইছিল। সংবাদপত্ৰ, আলোচনী আদিত ছেগৰ উপন্যাসৰ সন্দৰ্ভত বিভিন্ন ধৰণৰ লেখনি প্ৰকাশ হৈছিল, প্ৰায় বিলাক লেখাত ক’ব বিচৰা হৈছিল উপন্যাসকৰ নায়িকা ছেছিল ছাগ নিজেই। এই সম্পৰ্কত ছাগে ‘পাৰি ৰিভিউ’ নামৰ কাকতখনত কৈছিল— মই মানুহক চিত্ৰিত কৰা নাই। মোৰ কল্পনাৰ চৰিত্ৰবোৰক বাস্তৱৰ ৰহন দিব বিচাৰিছো।

আন এগৰাকী সমালোচকে অভিমত প্ৰকাশ কৰিছিল — হয়তু এগৰাকী বয়স্ক লেখকে কিতাপখন লেখিছে আৰু কম বয়সৰ ছোৱালীজনীৰ নামটো প্ৰকাশ কৰিছে। একমাত্ৰ আলোড়ন সৃষ্টি কৰাৰ বাবে । পঢ়া শুনা বাদ দি দুবছৰৰ পুনৰ লেখিলে আন এখন উপন্যাস ‘আ ছাৰতা ছুৰিৰ’ (*Un Certain Sourire*)। এইবাৰ ছাগ বিশ বছৰত ভৰি থোৱা এগৰাকী ছাত্ৰী। উপ ন্যাসৰ নায়িকা ছাগতকৈ এবছৰৰ সৰু। ছোৱালীজনীৰ সম্পৰ্ক গঢ়ি উঠে প্ৰেমিকৰ খুড়াকৰ সৈতে। ত্ৰিকোণ প্ৰেমৰ কাহিনী।

৫০দশকত ফ্ৰান্সৰ শিল্প-সাহিত্য, চলচিত্ৰ, ফেশ্বনৰ প্ৰতি সমগ্ৰ বিশ্বই ব্যাপক আকৰ্ষণ অনুভৱ কৰিছিল। সেইবাবেই সম্ভৱ ফ্ৰান্সৰ বহুলপঠিত গ্ৰন্থখন বিশ্বৰ আন আন দেশতো বিয়পি পৰিছিল। সকলো শ্ৰেণী পাঠকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিছিল। ছাগে ফৰাছীৰ বুৰ্জোৱা পৰিয়ালৰ অনালোকিত জীয়া বাস্তৱক, ব্যক্তিৰ সম্পৰ্কক আৰু জীৱনৰ কাহিনীবোৰ মুকলিভাৱে বৰ্ণনা কৰিছিল। একমাত্ৰ প্ৰাণহীন শব্দসজ্জাৰে নহয় নিজৰ ভাৱনা অৰু কল্পনাৰ মণি-কাঞ্চন সংযোগে দিছিল অন্যান্য ৰূপ। একমাত্ৰ প্ৰকাশভংগীৰ বাবেই গ্ৰন্থখনে প্ৰকাশৰ পিছতেই বিশ্বৰ বিভিন্ন প্ৰান্তত বিক্ৰীৰ শীৰ্ষ তালিকাত মৰ্যাদা লাভ কৰে। ইংৰাজী, জাপানিজ আদি কৰি বিভিন্ন ভাষালৈ অনুদিত হয়।

লেখিকা হিচাপে ফ্ৰাছোৱাজৰ ৪০খনতকৈ অধিক গ্ৰন্থ প্ৰকাশ হৈছিল। বিশখন উপন্যাস, তিনিটাখণ্ডৰ ছুটি গল্প সমগ্ৰ, নখন নাটক, দুখন জীৱনী গ্ৰন্থসহ অসংখ্য ৰচনা। বিষয় - ব্যক্তি, স্থান, বিভিন্ন সামগ্ৰী. যাক তেওঁ ভালপাইছিল।

যুদ্ধোত্তৰ যুগৰ বহুল প্ৰচাৰিত গ্ৰন্থসমূহৰ ভিতৰত এখন গ্ৰন্থ হ’ল - বোজৰ থিৰেতছে। ইয়াৰ পিছত প্ৰকাশিত আন আন গ্ৰন্থই পাঠকৰ সমাদৰ লাভ কৰিছিল আৰু বিভিন্ন ভাষালৈ অনুবাদো হৈছিল। সেই সমূহ হ’ল- আ ছাৰটেইন ছুৰিৰ ১৯৬৫ *Un certain Sourire*, এইম ভূ ব্ৰাম ১৯৬০*Aimez vous Brahms* লা শামদ ১৯৬৬ *La ehamade*, লো গাৰদ দ্যা কোৰ *Le garde du coeur* ১৯৬৮, আম্পো দ্যা ছোলাই দ্যান লো ফোয়াদ ১৯৭১*Unpeu de soleil dans l’e©au froide*, লা ফামে ফাৰদে পাৰে ১৯৮৩*La femme farde©e parait*, লে নুৱাজ মেৰভাইয় ১৯৬২*Leo nuages merueilleux* আৰু লো ছিয়া কুছ ১৯৮০*Le chien couchant* ।

প্ৰচাৰ আৰু জনপ্ৰিয়তাই ছাগেক কৰি তুলিছিল অতি দুঃসাহসিক। সকলো ফালৰ পৰা জয়জয়ময় ময় অৱস্থা হোৱা ছাগেৰ জীৱনলৈ আহিছিল প্ৰতিদিনে নতুন নতুন বন্ধু আৰু অনুৰাগী। জীৱনৰ প্ৰতি নাছিল বিশেষ কোনো দায়বদ্ধতা। নিজৰ অসংলগ্নতা বা অসংগতিত আছিল অবিচল। ‘লিবাৰ্টি উইথ ডেঞ্জাৰ’ আছিল জীয়াই থকাৰ অনুষঙ্গ। প্ৰথম উপন্যাস ৰচনা কৰা তিনিবছৰ পিছতেই উত্তৰ ফ্ৰান্সৰ ৰিছোৰ্ট চহৰ মিল-লা ফৰেটত নিজে ক্ৰয় কৰা এছটন মাৰটিন গাড়ীখন ভয়াবহ দুৰ্ঘটনাপতিত হৈছিল। মৃত্যুক অতি ওচৰৰ পৰা দেখিছিল। দেহৰ বিভিন্ন অংশত গুৰুতৰ আঘাতলৈ যুদ্ধ কৰিছিল মৃত্যুৰ সৈতে। ছমাহ দিন থাকিব লগা হৈছিল চিকিৎসালয়ৰ বিছনাত। স্বভাৱগতভাৱে আনন্দৰ মাজত থাকি ভালপাইছিল লেখিকা ছাৰেয়ে। সমুদ্ৰ চহৰ মুকলি মনৰ নাৰী ছাগেই সকলো কৰিব পাৰিছিল বাধাহীনভাৱে। জীৱনটোক কৰি গৈছিল মাথো উপভোগ। দুৰ্ঘটনাৰ পিছতো ফ্ৰাছোৱাজৰ তীব্ৰ হাবিয়াস আছিল স্প’ৰ্ট কাৰ চলোৱাৰ। সেয়ে লেখিকাই ১৯৮৫চনত আভেক মো মেৰৰ ছুভেনিৰত লেখিছিল— ‘যাৰ জীৱনৰ গতিত ৰোমান্স নাই, তাৰ জীৱনত কোনো শিহৰণ নাই।’

ফ্ৰাছোৱাজৰ জীৱনটো আছিল আপোচহীন অভিযানৰ দৰে। সমাজ-ৰাষ্ট্ৰৰ বহুতো নীতি-নিয়মকলৈ হৈ পৰিছিল সোচ্চাৰ, যুক্তি-নীতিত আপোচহীন। বাৰ বছৰ বয়সত এখন তথ্যচিত্ৰ উপভোগ কৰিছিল নাজিকেম্পৰ ওপৰত। তাক সহ্য কৰিব পৰা নাছিল। জাতিগত বৈষম্যৰ ৰোষত নিৰ্বিচাৰ পীড়ন, হত্যা আৰু অবদমন। ১৯৬০চনত আলজেৰিয়াৰ যুদ্ধৰ সম্পৰ্কত বিশদভাৱে অৱগত হৈ ‘ এক্সপ্ৰেছ’ কাকত নিৰ্যাতিত জামিলা ৰূপাছাৰ মুক্তি বাবে লেখিছিল। পিছত যিবিলাক ফৰাছী সৈন্য যুদ্ধ কৰাত অনিচ্ছুক তেওঁলোকৰ সমৰ্থনত ককায়েক ফ্ৰাঙ্কসহ ১২১জন লোকৰ স্বাক্ষৰ সংগ্ৰহ কৰিছিল। এই ‘লা আপেল’ আছিল এক মানবীয় দাবী। ফ্ৰাছিজ জন আছিল স্বাধীনতাকামী আলজেৰিয়াৰ জনগণৰ সমৰ্থন কাম কৰা এটা সংগঠনৰ মুৰব্বী। তেওঁৰ লগত পৰিচয় ঘটাৰ পিছতেই ফ্ৰাছোৱাজে নিজকে যুক্ত কৰে মুক্তিকামী যুদ্ধাৰ সহায়ত। দহ বছৰৰ পিছত আন এটা স্বাক্ষৰ অভিযান সোচ্চাৰ হৈ উঠে। জীৱনৰ সত্যক সহজভাৱে দাপোণত চোৱাৰ মানসিকতাৰে গৰ্ভপাতৰ পক্ষত ৩৪৩গৰাকীৰ স্বাক্ষৰসহ জনমত গঢ়ি তোলে। জেনাৰেল দ্যা গলৰ হৈ নিৰ্বাচনত অংশ গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি ফ্ৰাছাৱা মিতেৰাৰ লগত একমাত্ৰ আলাপ আলোচনাতে নহয়, এক গভীৰ সম্পৰ্কৰ বিচিত্ৰ বুজাবুজি আছিল। ৰাজনীতি আৰু ফ্ৰাছোৱাজ কোনো আনুষ্ঠানিকতা নহয়, বৰঞ্চ সেয়া আছিল নৈতিকতাৰ বিষয়।

প্ৰথম খন গ্ৰন্থৰ এক অনবদ্য বৰ্ণনাত ফ্ৰাছোৱাজ ছাগে লেখিছিল—A strange melancholy pervades me to which I hesitate to give the grave and beautiful name of sorrowযদিও দুখ, বিষণ্ণতাৰ দৰে বিষয়বোৰ আছিল ছাগৰ ব্যক্তিসত্তাৰ বাবে বহু নিলগৰ। যাৰ বাবে জীৱন মানেই অবিৰাম ভালপোৱা, অপৰিমেয় ভালপোৱা। প্ৰথাগত সৌন্দৰ্যৰ ভাষাও সলনি কৰি দিছিল। নিষ্পাপ মুখাবয়ব সোণালী চুলিৰ গৰাকী স্বভাৱত উচ্ছল, নমনীয় সুন্দৰী। নিজৰ ৰচনাত নাৰীৰ ভাৱনা নিবিড়ভাৱে তুলি ধৰিব পাৰিছিল। তেওঁৰ উপন্যাসবোৰত নাৰীৰ প্ৰকৃতি, অনুভূতি আৰু পুৰুষৰ লগত সম্পৰ্কৰ ৰসায়নৰ প্ৰতিক্ৰিয়া আছিল। নাৰীৰ আবেগ আৰু নিজস্ব নিভৃতি প্ৰকাশত অনবদ্য আছিল। পল এলুৱাৰেৰ এটা কবিতাৰ ইংৰাজী অনুবাদ— Aging is a Process for your to organize your youth as you go through the years কিন্তু ফ্ৰাছোৱেজে নিজৰ কাৰুণ্যতাক এলুৱাৰ শব্দৰ দৰে সুবিন্যস্ত কৰা নাছিল। সম্ভৱ মেধা আৰু মননৰ দীপ্তি আৰু অস্থিৰতা-অবিন্যাসেই আছিল তেওঁৰ অন্তৰ্গূঢ় বিন্যাস।

সৃষ্টিশীল লেখিকা ছাগে বিচাৰিছিলে মহৎ কিছুমান ২ পৃষ্ঠাত...

# সংঘাত

❑ শিল্পীশিখা শইকীয়া

চৌদিশে অন্ধকাৰ, সন্ধিয়া লাগিছে, গাঁৱৰ নামঘৰত দবাকোব মাৰিছে। পৰিৱেশটো নিজান। মাজে মাজে প্ৰাৰ্থনাৰ সুৰ এটা ভাহি আহিছে। ভাল লাগিছে। প্ৰত্যেক ঘৰত সন্ধিয়া ধূপ-ধূণা লগোৱা প্ৰথা আছে যদিও প্ৰাৰ্থনা কৰা প্ৰথা নাইকিয়া হ'ল। প্ৰাৰ্থনাৰ ঠাই ল'লে টি. ভি. আৰু ম'বাইলৰ ৰংচঙীয়া দৃশ্যই। কোনো কথা নাই দুই এক গাঁৱলীয়াৰ অন্তৰত তেওঁ এতিয়াও মাধৱে স্থান পাই আছে। আজিকালি ল'ৰা-ছোৱালীক দোষ দি লাভ নাই দিয়কচোন, মাক দেউতাকেই যদি ভক্তিৰ প্ৰতি বিমুখী হয় সন্তানেনো নিজে নিজে কেনেকৈ শিকিব? যি হৈছে আৰু যুগৰ পৰিৱৰ্তন। কাকনো বুলিবা ককা সকলোৰে দাড়ি চুলি পকা। কথাবোৰ ভাৱি থাকোতেই মলাৰাম কোৱাইদেউ ওলালহি।

কিহে কোৱাইটি, কি ভাৱত বিভোৰ ইমান? মলাৰাম কোৱাইদেৱে জুইকুৰাৰ ওচৰতে থকা পীৰা এখনত বহিলহি।

মলাৰাম বৰুৱা আৰু খগেশ্বৰ বৰবৰুৱা দুয়োজন নলেগলে লগা বন্ধু। স্কুলীয়া দিনৰে বন্ধু। বেছি দিন পঢ়া নাই। তথাপি আগৰদিনৰ মেট্ৰিক পাছ কৰাজন আজিৰ এম. এ. পাছৰ সমান। কেতিয়াবা এনে এষাৰ কথা কৈ দিব এলেপেচা বোৰৰ নাক-চকু ৰঙা পৰি যায়। ঘৰত বৰকৈ কথা নাপাতে, বন্ধুবৰ্গৰ লগ পালে মনে-প্ৰীতে মিলিলে কেতিয়াবা ঘণ্টা-ঘণ্টা কথা পাতে। বয়সো হৈছে। আজিকালি ল'ৰা-বোৱাৰীৰ লগত কথাও নিমিলে, কিবা ক'লেও বুঢ়াৰ আওপুৰণি কথাবোৰ শুনাৰ কাৰো ধৈৰ্য্য নাই। কিন্তু বুঢ়াটো জীয়াই থাকিবই লাগিব। অকলে অকলে থাকে গীতা ভাগৱতেই তেওঁৰ সংগী কৰি। মাজে মাজে বাৰু মলাৰাম আহে দেই মিচা নকওঁ। দুয়োজন লগ হ'লে, ভোক-পিয়াহ সকলো পাহৰি যায়। দুয়োজনে অনেক কথা পাতে। মনে মনে থাকিলেও সকলোৰে কাণ্ড কাৰখানাবোৰত আলেখ লেখ চাই থাকে। ল'ৰা-ছোৱালী বুলিলে সকলোৱে এতিয়া খুটি-নাটি খাব পৰা হ'ল। বুঢ়া আৰু থাক মূঢ়া হৈ। সময়ত খাবলে দিছো, শুবলৈ দিছো, তাৰ ওপৰত কিনো ধূতি-ধূতি চিঞৰি থাকে বুলি বোৱাৰীয়ে যেতিয়া এষাৰ ক'ব, বুঢ়াৰ আপোনা-আপুনি মুখ বন্ধ হৈ যায়।

হেৰি কোৱাইটি কি ভাবিছা ইমানকে? বোলো মলা আহিছো, মলা। কানৰ ওচৰত চিঞৰি দিলতহে বুঢ়াই গম পাইছে।

অ' মলা দেখোন, কেতিয়া আহিলা, দেখিছানে বাৰু জুইকুৱাও নুমাল। কিনো ভাবি থাকো আজি কালি মই কলাও হৈছো হ'বপাই।

থোৰা থোৰাহে এতিয়াই কলা হ'বৰ হোৱা নাই। আমাৰনো বয়স হৈছে কিমান? (হা হা হা) জুইকুৰা ভালকে দি দুয়োজনে মনখুলি হাঁহিলে।

বুজিছা মলা, কলা হোৱাই ভাল অ' সোনকালে। অন্ততঃ এই অশান্তিবোৰৰ পৰা, ঘৰৰ কেট্‌কট্‌নিবোৰ শুনাৰ পৰা ৰক্ষা পৰিম।

একদম থিক কৈছা কোৱাইটি। আমিবোৰ এতিয়া যুগৰ লগত নিমিলা মানুহ। আমিবোৰ আৰু জীয়াই থাকি লাভ নাই। বুঢ়া হ'লো। আমি হেনো তাহাতৰ কামবোৰ বুজি নাপাওঁ এতিয়া। কিবা বোলে তাঁহাতি এতিয়া নিজৰ নিজৰ কামত বিজি নে ফিজি। আমাৰ লগত লাগি থাকিব নোৱাৰে। এনে বৰ কামখন কৰিছে। ৰাতিপুৱাৰ পৰা গধুলিলৈকে ল'ৰাৰ পৰা পেদুকনাটোলৈকে সেইডাল টিপি থাকিব। তাৰ পিছত আকৌ বিজি।

হেৰ' তহঁতৰ বয়সত আমি কত কি কৰি খালো। তাঁহাতৰ বাবেই দিনে ৰাতিয়ে কষ্ট কৰিলো। এতিয়া আমাৰ লগত লাগি থাকিব সময় নাই। নোৱাৰি আৰু বুজিছা, নোৱাৰি।

নক'বা আৰু শান্তি নাই। আমিবোৰ মৰিলেহে শান্তি হ'ব। এইবোৰ চাইও থাকিব নোৱাৰো, ফটা মুখ নকলেও নোৱাৰো একো। আমাৰ লগৰবোৰক সকলোকে নিলে, কণা বিধাতাই মোকহে নিবলে পাহৰিলে। কপালখন থপিয়াই থপিয়াই দুখ প্ৰকাশ কৰিলে।

দুখ নকৰিবা অ' আয়ুসত চাউল মুঠি থাকে মানে এনেকৈয়ে থাকিব লাগিব। এইয়াই ল'ৰা-ছোৱালী তুলি সুখ। সৰুৰ পৰা ইমান মৰমত থলো। নাতি কেইটাকো একো ক'ব নোৱাৰি। ইংৰাজী মাধ্যমত পঢ়াইছে। ফৰফৰকৈ ইংৰাজী এসোপামান গাবহি। ফোনটো আনি দেখুৱাবহি একো টিপিব নাজানিলে কয়, ককাটোৱে যে, একোডাল নাজানা, তোমাকো স্কুলত নাম লগাই দিব লাগিব। কি ক'বা অ'। পৃথিৱীখন বহুত সলনি হ'ল বুজিছা; কেছুৱাই পেটৰ ভিতৰতে আজিকালি সকলোবোৰ শিকি আহে যেন পাওঁ। জন্ম হয়হে কেছুৱা, ফেচবুক নে চেচবুক সেইডালত ছবি টিপিয়ে যায়। আগৰ লৰা-ছোৱালী জন্ম হ'লে দহ-বাৰ দিনলে ঘৰৰ মানুহ কেইটাই ভালদৰে চাবলৈ নাপায়। আজিকালি পেটৰ পৰা ওলোৱাৰ পৰা ফটো পঠাই দিব পাৰে বোলে। এইখনেই হ'ল পৃথিৱী। চুৱা-ধূতি বাৰু বাদেই লাজ-মানৰ কথাও কোনেও চিন্তা নকৰে।

নাতিজনীক পদ্য এফাঁকি গাবলৈ ক'লে, ক'ৰনো ইংলিচ বাইদেউৱে শিকাই দিয়া এসোপামান গায়হি। একো বুজি বাজি নাপাওঁ। মই এফাঁকি গাই শুনালে কয়, এইবোৰনো ককা পয়েম হ'লনে? হৰি হৰি।

ল'ৰা-বোৱাৰী সকলো যুগৰ লগত মিলি গ'ল বুজিছা। জীয়াই থকা দিনকেইটা থাকা আৰু চকুহাল মুদি।

এৰা অ' মলা পৃথিৱীখন বহুত সলনি হ'ল। তুমি মই বুঢ়াবোৰ ক'ৰবাতে থাকিলো। আমাৰ আগৰ ধূতি-পীতিবোৰ ধৰি থাকিলে আজিৰ যুগত খাবলৈ নোপোৱা। মই কথা এটা ভাবিছো তুমি বা কি কোৱা?

কি ভাবিছা কোৱাছোন?

ভাবিছো আমি অলপদিন ক'ৰবালৈ গুচি যাওঁ ব'লা। ক'ৰবালৈ গুচি গ'লে অন্ততঃ শান্তিত থাকিব পাৰিম। আৰু ঘৰখনতো বোজা এটা কমিব।

তুমি ঠিক কথাই কৈছা কোৱাইটি; আমি তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁ ব'লা। দুয়োজনৰে যেতিয়া সমস্যা একেই সমাধানৰ পথো একেই হওঁক।

কৃষ্ণ, কৃষ্ণ কৃষ্ণ তেনেহ'লে দিন এটা ঠিক কৰা তুমিয়ে। বয়বস্তু দুপদমান লাগিব নহয়। পা-পইছা আছে নহয় তোমাৰ।

সেইবোৰ একো চিন্তা কৰিব নালাগে, মাত্ৰ যাত্ৰা আৰম্ভ কৰিব পাৰিলেই হ'ল। আজি মঙ্গলবাৰ, কাইলৈ বুধবাৰ, কাইলৈ বাৰটো কেনে হয়?

বেয়া নহ'ব কাইলৈ পুৱাতে আমি তেতিয়াহ'লে যাত্ৰা আৰম্ভ কৰিম, গাঁৱৰ নামঘৰতে সেৱা এটা কৰি আমি আমাৰ পথত আগবাঢ়িম নে কি কোৱা?

ঠিক কৈছে কোৱাইদেউ, তেনেহ'লে এতিয়া মই উঠো। সময়ো বহুত হ'ল। জুইও চেঁচা পৰিল। ঘৰত চাগে ভাত বাঢ়ি ৰৈ আছে।

যোৱা যোৱা, মইও এমুঠি খাই টালি-টোপোলা বান্ধো, পুৱাতে এইখন বৰ জট্ পট্ হ'ব। নে কি কোৱা।

হয় হয়, মইয়ো খৰধৰ কৰো। পুৱাহে লগ পাম দিয়া এতিয়া যাওঁগৈ।

দুয়ো দুয়োফালে গুচি গ'ল- চোতালৰ মূৰৰ জুইকুৰা যেন এটা যুগৰ সাক্ষী হৈ ৰ'ল।

# জনপ্ৰিয় দিৱস আৰু নৱপ্ৰজন্মৰ মানসিকতা

❑ চন্দন ভট্টাচাৰ্য্য

কি লিখিম বহুদিনৰ পৰাই ভাবি আছিলো। খবৰ কাগজত বা আলোচনীত লিখা মেলা কৰাৰ অভ্যাস মোৰ দৰে নিচলাজনৰ নাই। কিছু বিজ্ঞ লোকৰ লিখনি পঢ়ি আপ্লুট হৈ পৰো সেয়া সঁচা কথা আৰু তেখেতসকলৰ লিখনিয়ে মোৰ নিচিনা ক্ষুদ্ৰ চিন্তাৰ মানুহকো কিবা এটা লিখিবলৈ অকনমান হ'লেও প্ৰেৰণা যোগায়। তেনে প্ৰেৰণাৰ পৰিণতিতে মই নিজে যুৱ সমাজৰ এজন হ'লেও আধুনিক যুগত অনুকৰণধৰ্মী মানসিকতাৰে পশ্চিমীয়া সংস্কৃতি প্ৰদত্ত দিৱস কিছুমানৰ কথাহে মই এই লিখনিত আলোকপাত কৰিব বিচাৰিছোঁ। ইয়াত কিবা ভুল-ভ্ৰান্তি হ'লে পঢুৱৈ ৰাইজে যেন মোক ক্ষমা কৰে।

আজিৰ আধুনিক যুগত আমাৰ অসমখনত নৱপ্ৰজন্মৰ একাংশই পালন কৰা কিছুমান পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণেৰে কিছুমান দিৱস সততে উদযাপন কৰা দেখা যায়। যেনে (Father's Day) পিতৃ দিৱস, (Mother's Day) মাতৃ দিৱস, (Friendship Day)বৃন্ধুত্ব দিৱস, (Valentine Day) প্ৰেমৰ দিৱস ইত্যাদি। এই দিৱসবোৰ উদযাপন কৰি আমাৰ যুৱ প্ৰজন্মৰ কিবা লাভ হৈছে নে নাই মই নাজানো। কিন্তু কিছু পৰিমানে বনিকগোষ্ঠী যে লাভবান হৈছে সেয়া খাটাং। বনিক শ্ৰেণীৰ লোকসকলৰ ল'ৰা-ছোৱালীৰ গাতো যে পশ্চিমীয়া সংস্কৃতিৰ বতাহ ভালকৈ বলিছে সেয়াও পৰিস্ফুট। যদি সঁচাকৈয়ে লাভদায়ক হৈছে তেন্তে আমাৰ অসমত বৃদ্ধাশ্ৰম বুলিবলৈ কোনো আশ্ৰম এখনৰ প্ৰয়োজন নহ'লহেতেন। নিজৰ ককায়েক-ভায়েকক, বন্ধুৱে বন্ধুক হত্যা কৰিব নোৱাৰিলেহেতেন। নিজ পিতৃ-মাতৃক বুঢ়া বয়সত হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰিলেহেতেন। প্ৰেমৰ ছলনাৰে বলৎকাৰ, ধৰ্ষণ আদি বেয়া কামবোৰ কৰিবলৈ চেষ্টা নকৰিলেহেতেন। মই নকও যে এই দিৱসবোৰ পালন কৰিব নালাগে। কৰক, কিন্তু ইয়াৰ ভাল-বেয়া দিশবোৰ চালিজাৰি চাইহে পালন কৰা উচিত। এতিয়া আধুনিক যুগ, কিন্তু আমি এই আধুনিক যুগত নিজকে খাপ খুৱাই ল'বলৈ উপযুক্ত হৈছো নে সেয়া আমি নিজকে প্ৰশ্ন কৰিব লাগিব। পশ্চিমীয়া দেশৰ সংস্কৃতি আমি যেনেকৈ আঁকোৱালি লৈছো ঠিক তেনেকৈ আমাৰ পূৰ্ব-পুৰুষসকলৰো সংস্কৃতি পাহৰি নগৈ পূৰ্ণ মৰ্যাদাৰে সুৰক্ষিত কৰা উচিত। এটা কথা এই দিৱসবোৰ পালন কৰোতে বিজ্ঞমান চামৰ বাবে তেনেই সামান্য কথা, কিন্তু এসাজ খাই আন এসাজলৈ চিন্তা কৰা দৰিদ্ৰ লোকসকলে এই দিৱসবোৰৰ তাৎপৰ্য্য কিবা উপলব্ধি কৰিব পাৰে নে? তেওঁলোকৰো পিতৃ-মাতৃ আছে, তেওঁলোকৰো বন্ধু-বান্ধৱ আছে। তেওঁলোকৰ মাজতো প্ৰেমৰ আদান-প্ৰদানো হয়। তেওঁলোকে যে নিজ পিতৃ-মাতৃক ভগৱান সদৃশ জ্ঞান কৰে। সেয়া মোৰ চাক্ষুস অভিজ্ঞতা। তেওঁলোকৰ মাজত বন্ধু-বান্ধৱীৰ মিলা-প্ৰীতিৰ ভাৱো অকৃত্ৰিম। তেওঁলোকে পশ্চিমীয়া দেশৰ ৰীতি-নীতি কায়দা কানুনবোৰৰ কথা শুনিছে যদিও তেওঁলোকে কিন্তু সেইবোৰ গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয়। কাৰণ এইটো নহয় যে তেওঁলোক দৰিদ্ৰ। কাৰণ এইটোৱে যে তেওঁলোকে পূৰ্ব-পুৰুষৰ সংস্কৃতি পৰম্পৰাৰ বান্ধোন আঁতৰাব নিবিচাৰে। তেওঁলোকো আমাৰ নিচিনা এজন যুৱক-যুৱতী। সেইবাবে এই দিৱসবোৰৰ তাৎপৰ্য্য নজনাকৈ ইয়াক পালন কৰাতকৈ বৰ্জন কৰাটোৱে ভাল। যি পিতৃ-মাতৃয়ে আমাক সৰুৰে পৰা কষ্টৰে ডাঙৰ-দীঘল কৰে, শিক্ষা-দীক্ষাৰে চহকী কৰি সমাজৰ বাবে এজন ভাল মানুহ হিচাপে গঢ় দিয়াৰ চেষ্টা কৰে, সেই দুজন মানুহেই আমাক পৃথিৱীলৈ আনি পৃথিৱীৰ পোহৰ দেখুৱায়। সঁচাই আমি ইমানে নীচ যে আধুনিকতাৰ লগত মিলিবলৈ গৈ আমি সন্মান কৰিব নজনা হ'লো। সেইসকল মহীয়ান লোকক বৃদ্ধাশ্ৰমত ৰাখি বা জ্বলাই দি Father's Day, Mother's Day পাতি সমাজত আধুনিকতাৰ পৰিচয় দিওঁ। কিন্তু এইবোৰ কৰি কি লাভ? আমি যদি সেই দিনটোত তেওঁলোকৰ চৰণ চুই আমি প্ৰতিশ্ৰুতি দিব পাৰো যে আমি আপোনালোকক সদায় সুখত ৰাখিম আৰু তেওঁলোকৰ আদৰ্শ আমি সদায় গ্ৰহণ কৰিম। ঠিক তেনেকৈ বন্ধুত্ব দিৱসৰ দিনাও হোটেল ৰেষ্টোৰেণ্টত বহি চাহ-মিঠাই খোৱাতকৈ ইজনে আনজনক এটা গছপুলি উপহাৰ দি নাইবা নিজ বিদ্যালয়-মহাবিদ্যালয়ত ৰোপন কৰিলে তেওঁলোকৰ বন্ধুত্ব আৰু গাঢ় হৈ উঠিব। লগতে পৰিৱেশটোও সেউজীয়া হৈ উঠিব আৰু প্ৰেমৰ দিৱস দিনাও ইজনে সিজনক গোলাপ এপাহ দিয়াতকৈ এখন বিখ্যাত লেখকৰ লেখনি উপহাৰ দিলে তাতকৈ আৰু মহান কাম একো হ'ব নোৱাৰে।

শেষত আকৌ ক'ব বিচাৰিছো আজিৰ প্ৰজন্মই তেওঁলোকৰ মাজত জনপ্ৰিয় হৈ উঠা দিৱসবোৰৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰি ইয়াৰ লগত সংগতি থকা কাৰ্য্য গ্ৰহণ কৰাৰ পৰিৱৰ্তে নিজকে আধুনিক বুলি প্ৰতিপন্ন কৰিবলৈহে দিৱসবোৰৰ উন্মাদনাৰে উদযাপন কৰা দেখা যায়। প্ৰকৃততে ভাল বন্ধু হ'বলৈ, ভাল সন্তান হ'বলৈ বা ভাল প্ৰেমিক-প্ৰেমিকা হ'বলৈ Friendship Day, Father's/Mother's Day, Velentine Day উদ্‌যাপন নকৰিলেও হয়। কাৰণ যিবোৰ সময়ত আমাৰ ডেকা-গাভৰু সকলে এই দিৱসবোৰৰ নামেই শুনা নাছিল, তেনে সময়তো এই সম্পৰ্কবোৰ মধুৰ আছিল আৰু আটুত আছিল।

*ভ্ৰাম্যভাষ ঃ ৬০২৬০৩৮৩০২*

১ পৃষ্ঠাৰ পৰা

## শিক্ষানুষ্ঠান পৰিচালনাত কৃষ্ণকান্ত সন্দিকৈৰ ...

শিক্ষানুষ্ঠান পৰিচালনা কৰা যি দক্ষতা, কৰ্মনিষ্ঠা সেই বিষয়ে চমুকৈ আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

অবিভক্ত অসমত ১৯০১ চনত অসম চৰকাৰে কটন কলেজ স্থাপন কৰিছিল যদিও সন্দিকৈদেৱ আছিল পূৰ্বাঞ্চলৰ বেচৰকাৰী কলেজ স্থাপন কৰাৰ বাটকটীয়া। যোৰহাটত তেখেতৰ অধ্যক্ষতাত আপাৰ আচাম বেচৰকাৰী কলেজ ১৯৩০ চনত স্থাপিত হৈছিল। অৱশ্যে ইয়াৰ আগতে বাংলাদেশৰ চিলেটত মুৰাৰী চান্দ নামৰ এখন কলেজ ৰাইজৰ উদ্যোগত স্থাপিত হৈছিল। বৃটিছ চৰকাৰে ৰাইজৰ উদ্যোগত কলেজ পতাৰ বিপক্ষে আছিল। উল্লেখ্য যে সেই সময়ত চিলেট জিলা অসম প্ৰদেশৰ অন্তৰ্গত আছিল। অসম চৰকাৰৰ অনুমতি অবিহনে কলিকতা বিশ্ববিদ্যালয়ে কোনো প্ৰাইভেট কলেজক স্বীকৃতি নিদিয়ে। গতিকে যোৰহাটত খোলা কলেজখন অসম চৰকাৰৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈছিল। সন্দিকৈদেৱৰ বিশাল পাণ্ডিত্য আৰু উদ্যোক্তাসকলে বিশ্ববিদ্যালয়ৰ আৰোপিত পূৰ্ব চৰ্তবিলাক পূৰণ কৰাৰ বাবে যোৰহাটত স্থাপিত কলেজখন কলিকতা বিশ্ববিদ্যালয়ৰ অনুমতি, এফিলিয়েশ্বন আদি পৰ্যায়ক্ৰমে লাভ কৰিবলৈ সক্ষম হ'ল। কলেজখনৰ নাম প্ৰথমে আপাৰ আচাম কলেজ, যোৰহাট কলেজ আৰু ১৯৩৯ চনত মুকলীধৰ বৰুৱাই ককা দেউতাক জগন্নাথ বৰুৱাৰ বৰপাত্ৰ কটেজ দান কৰাত কলেজখনৰ নামকৰণ কৰা হয় জগন্নাথ বৰুৱা কলেজ ৰূপে। ঘৰ-আবাসকে ধৰি ভূমিদান আছিল ১৫ বিঘাতকৈ অধিক। কলেজখনৰ অধ্যক্ষ পদ অলঙ্কৃত কৰিছিল পণ্ডিতপ্ৰবৰ সন্দিকৈদেৱে। তেখেত ১৯৩০ চনৰপৰা ১৯৪৮ চনলৈকে অধ্যক্ষৰ দায়িত্বত থাকি উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে কলেজখনক উচ্চশিক্ষাৰ বাটকটীয়াৰূপে পৰিগণিত কৰিলে। বিষয়টো এই কাৰণেই উত্থাপন কৰা হৈছে, চৰকাৰে স্থাপন কৰা কটন কলেজ অসমত উচ্চশিক্ষাৰ বাটকটীয়া হ'লেও আনকি অসমত স্বাধীনোত্তৰ কালতো চৰকাৰে মুষ্টিমেয় দুই-চাৰিখনমান কলেজহে স্থাপন কৰিছিল। ৰাইজৰ উদ্যোগত স্থাপিত হোৱা প্ৰথম জে.বি. কলেজকে ধৰি বৰ্তমানলৈকে অসমত ৰাইজে স্থাপন কৰা কলেজৰ সংখ্যা ৩২০ ৰো অধিক। গতিকে জে.বি. কলেজ স্থাপিত হোৱাৰ পৰা বিগত ৮৮ বছৰত অসমত উচ্চশিক্ষাৰ যি সম্প্ৰসাৰণ ঘটিল- সেই বিষয়ে বহল ব্যাখ্যাৰপৰা বিৰত থাকিলো। আমাৰ মূল আলোচ্য বিষয় সন্দিকৈদেৱে শিক্ষানুষ্ঠান পৰিচালনাত কেনেধৰণৰ ভূমিকা পালন কৰিছিল। শিক্ষানুষ্ঠান পৰিচালনা বুলি কওঁতে আমি উল্লেখ কৰিবলগীয়া দুখন উচ্চশিক্ষাৰ অনুষ্ঠানৰ প্ৰথমখন ইতিমধ্যে উল্লেখ কৰা জগন্নাথ বৰুৱা মহাবিদ্যালয় আৰু আনখন হৈছে গুৱাহাটী বিশ্ববিদ্যালয়।

প্ৰথমে আহো সন্দিকৈদেৱৰ বিশাল ব্যক্তিত্বৰ সম্বন্ধে। সন্দিকৈদেৱ আছিল এগৰাকী হাড়ে-হিমজুৰে অসমীয়া। অসমীয়াৰ জাতীয় সত্বা তেখেতৰ ব্যক্তিত্বৰ অন্য এক নিদৰ্শন। যিগৰাকী ব্যক্তিয়ে কলিকতা বিশ্ববিদ্যালয়ত মেধাৰ পৰিচয় দি এটা বিলাতী আদব-কায়দাৰে ইউৰোপৰ লণ্ডন, পেৰিচ, বাৰ্লিনত ১২ টা ভাষাৰ জ্ঞান অৰ্জন কৰাৰ উপৰিও উচ্চশিক্ষাৰ ডিগ্ৰী লৈ অসমলৈ ঘূৰি আহিছিল, এটা নিভাঁজ অসমীয়া মন লৈ। জে. বি. কলেজৰ অধ্যক্ষ হৈ অসমীয়াৰ স্বাভিমান ধূতি-পাঞ্জাৱী আৰু কান্ধত চাদৰ লৈ অধ্যক্ষৰ আসনত যেতিয়া বহিছিল, শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৱে তেখেতৰ ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিত মূৰ দোঁৱাইছিল। তেখেতৰ ত্যাগ, উদাৰতা, কৰ্মনিষ্ঠা, বিদ্যানুৰাগী আদৰ্শই অসমৰ শিক্ষাজগতত চিৰন্তন প্ৰভাৱ ৰাখি থৈ গৈছে। তেখেতৰ নিয়মানুৱৰ্তিতা, সময়নিষ্ঠা, সৰ্বোপৰি প্ৰশাসন আছিল অতি কঠোৰ। নিজৰ নীতি-নিষ্ঠাৰ ক্ষেত্ৰত তেখেতে কোনোদিনে আপোচ নকৰিছিল। তেখেতৰ দৰে তেখেতৰ অধ্যক্ষতাত শিক্ষাদান দিয়া প্ৰতিগৰাকী শিক্ষকেই আছিল একো একোজন দক্ষ তথা নিষ্ঠাবান শিক্ষক। সেইসকলৰ ভিতৰত নাম ল'ব লাগিব তুলসী নাৰায়ণ শৰ্মা। তেখেত আছিল সন্দিকৈদেৱৰ সোঁহাতস্বৰূপ। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক। মহাবিদ্যালয়খনৰ বিত্তীয় লেনদেনৰ মূল হৰ্তা-কৰ্তা। সন্দিকৈদেৱে তেখেতৰ ওপৰত অগাধ বিশ্বাস ৰাখিছিল। পাছৰ কেইজন আছিল যজ্ঞেশ্বৰ শৰ্মা (ইংৰাজী বিষয়ৰ শিক্ষক), ফণীধৰ দত্ত (গণিতৰ শিক্ষক), গুণগোবিন্দ দত্ত (ইতিহাসৰ অধ্যাপক আৰু তৰ্কবিদ্যা বিভাগৰ শিক্ষক)। প্ৰত্যেকজনেই অসমৰ শিক্ষাজগতৰ ভোটাতৰাস্বৰূপ। অবৈতনিকভাৱে শিক্ষাদান কৰিবলৈ সেই সময়ৰ উজনি অসমৰ মুষ্টিমেয় ৫/৬ জনমান এম এ ডিগ্ৰীধাৰীক একত্ৰিত কৰি এখন ভেনচাৰ কলেজ আৰম্ভ কৰাটো এক দুঃসাহসিক কাম। তাতে আকৌ সন্দিকৈদেৱৰ নেতৃত্বত আৰম্ভণি অৱস্থাতে এটা টীম স্পিৰিটৰ সৃষ্টি হৈছিল যাৰ ফলত নৱপ্ৰতিষ্ঠিত কলেজখনে কলিকতা বিশ্ববিদ্যালয়ৰ খৰতকীয়া দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। সন্দিকৈদেৱে জে.বি. কলেজত যিটো টীম স্পিৰিটৰ সৃষ্টি কৰিছিল সাম্প্ৰতিক অসমৰ ৩২০ খন কলেজত তেনেধৰণৰ টীম স্পিৰিট মুষ্টিমেয় কেইখনমান কলেজতহে উপলব্ধ হ'ব। অসমৰ উচ্চশিক্ষাৰ মানদণ্ড যে অধোগামী হৈছে ইয়ো এক অন্যতম কাৰণ।

সন্দিকৈদেৱে সংখ্যাগতভাৱে পৰীক্ষাত অধিক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ পৰিৱৰ্তে গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। তেখেতৰ দিনত হোৱা প্ৰৱেশিকা পৰীক্ষাৰ ফলাফলে সেই কথাকে সূচায়। ১৯৬৩ চনলৈকে প্ৰৱেশিকা পৰীক্ষা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হৈছিল। ১৯৬৪ চনৰপৰাহে ব'ৰ্ডৰ অধীনলৈ যায়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰো, সেই সময়ত বিহাৰ, উত্তৰ প্ৰদেশত ছাত্ৰ-ছাত্ৰীয়ে প্ৰৱেশিকা পৰীক্ষাত সহজে প্ৰথম বিভাগ লাভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ডাক আৰু তাঁৰ বিভাগ আৰু অন্যান্য বিভাগত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীয়ে সহজে চাকৰি লাভ কৰাৰ বাবে সন্দিকৈদেৱক কোনো লোকে সমালোচনা কৰিছিল। নিজৰ নীতিত অচল থকা সন্দিকৈদেৱে সেইবিলাক সমালোচনালৈ কেৰেপ নকৰিছিল। তেখেতে গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা যোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ দেশৰ উপৰিও বিভিন্ন ক্ষেত্ৰত বিদেশতো গৱেষণা কৰি অসমৰ নাম উজ্জ্বলাইছিল। সেইসকলৰ বিতং বিৱৰণ দিলে লেখাৰ পৰিসৰ বাঢ়িব। মেধাবী ছাত্ৰৰ প্ৰতি তেখেতৰ সীমাহীন অনুকম্পা আছিল। এই প্ৰসঙ্গত তেখেতে আগবঢ়োৱা সহায়ৰ হাত বহু ছাত্ৰৰ ভিতৰত এজনৰ কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব বিচাৰিছো। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ খগেন্দ্ৰনাথ শইকীয়াই জে. বি. কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত হোৱা বি. কম. পৰীক্ষাত ডিষ্টিংচন লৈ সৰ্বোচ্চ নম্বৰ পাইছিল। কিন্তু নাজিৰাৰ এইজন মেধাবী ছাত্ৰই টকাৰ অভাৱত শিক্ষাৰ বাবে কলিকতালৈ যাব নোৱাৰি নিজৰ গাঁৱৰ ভেনচাৰ এম. ই. স্কুলত মাষ্টৰী কৰি আছিল। সন্দিকৈদেৱে কলেজৰ পিয়ন পঠাই খগেন্দ্ৰ নাথ শইকীয়াক তিনিশ টকা দিয়াৰ লগতে শ্বিলঙলৈ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈক অসম চৰকাৰৰ পৰা তেওঁক স্কলাৰশ্বিপ দিবৰ বাবে এখন চিঠি দিছিল। প্ৰধানমন্ত্ৰী বৰদলৈদেৱে সেই সময়ত অসম চৰকাৰৰ পৰা এটা বিশেষ স্কলাৰশ্বিপ খগেন্দ্ৰ নাথ শইকীয়াৰ বাবে ব্যৱস্থা কৰিছিল। পৰৱৰ্তী সময়ত খগেন্দ্ৰ নাথ শইকীয়াই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম কমত গ'ল্ড মেডেলিষ্ট হৈছিল। সমান্তৰালভাৱে আইনৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। এইজন শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈ পাছলৈ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পদৰপৰা অৱসৰ লৈছিল। ১৯৯৫ চনত চিনামৰা মহাবিদ্যালয়ৰ এখন সভাত সন্দিকৈদেৱে তেখেতৰ জীৱন কেনেকৈ গঢ় দিলে সেই কথা ব্যক্ত কৰোঁতে তেখেতৰ চকুপানী দেখা গৈছিল। অন্য এটা প্ৰসঙ্গ উল্লেখ কৰিছো। জে. বি. কলেজৰ ১৯৩৯-৪০ চনৰ নৱাগত আদৰণী সভাত তেখেতে পাঁচটা বাক্যৰ এটা ভাষণ দিছিল। ভাষণটো আছিল, "মোক যদি এহাতে দহ হাজাৰ টকা আৰু আনহাতে এটি চোকা মেধাৱী ছাত্ৰ লৈ কোনটো লাগে বুলি সোধে, মই মেধাৱী ছাত্ৰজনক ল'ম।" এইবিলাক কথাই প্ৰমাণ কৰে যে সন্দিকৈদেৱে ছাত্ৰৰ মেধাশক্তিৰ ওপৰত অধিক গুৰুত্ব দিছিল।

শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো তেখেতে কোনো ৰাজনৈতিক হস্তক্ষেপক প্ৰশ্ৰয় দিয়া নাছিল। ভাৰতবৰ্ষৰ দক্ষ পণ্ডিত ব্যক্তিসকলেহে নৱপ্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ত নিযুক্তিত অগ্ৰাধিকাৰ পাইছিল, যাৰ ফলত বিশ্ববিদ্যালয়খনে ভাৰতবৰ্ষৰ ভিতৰতে এখন আগশাৰীৰ বিশ্ববিদ্যালয়ৰূপে পৰিগণিত হৈছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰিছো; অসমৰ এগৰাকী সুসন্তান মেধাৱীলোক, দৰ্শনশাস্ত্ৰত গভীৰ পাণ্ডিত্য থকা ভবানন্দ দত্তই কটন কলেজত শিক্ষকতা কৰি থাকোতেই চৰকাৰী বৃত্তি লাভ কৰি লণ্ডন বিশ্ববিদ্যালয়ত শিশু মনস্তত্ব (Child Phychology)ৰ ওপৰত গৱেষণা কৰিবলৈ গৈছিল। (উল্লেখ্য, ভাৰতত শিশু মনস্তত্বৰ ওপৰত গৱেষণা কৰা ব্যক্তি ভৱানন্দ দত্তই প্ৰথম) জনামতে, লণ্ডনৰ পৰা তেওঁ সেই সময়ৰ কমিউনিষ্ট ৰাষ্ট্ৰ চেকোশ্লোভাকিয়ালৈ গৈ প্ৰাগ চহৰত UNESCOৰ দ্বাৰা আয়োজিত এখন চেমিনাৰত যোগদান কৰাৰ বাবে চৰকাৰী বৃত্তি নাকচ কৰাত গৱেষণা এৰি অসমলৈ ঘূৰি আহিবলগা হয় আৰু অসম চৰকাৰৰ অধীনৰ কটন কলেজৰ চাকৰি হেৰুৱাবলগীয়া হয়। কিন্তু সন্দিকৈদেৱে ভবানন্দ দত্তক গুৱাহাটী বিশ্ববিদ্যালয়ত দৰ্শন বিভাগত শিক্ষক নিযুক্তি দিছিল। অধ্যাপক দত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগ কেনেধৰণে উত্তৰণ ঘটাইছিল সেইয়া বহল ব্যাখ্যাৰ নিস্প্ৰয়োজন। সাম্প্ৰতিক কালৰ টে'ট পৰীক্ষাৰ্থীসকলৰ নিযুক্তি বাদ দি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ নিযুক্তিৰপৰা নিম্ন পৰ্যায়ৰ শিক্ষক নিযুক্তিত ৰাজনৈতিক হস্তক্ষেপ কেনেধৰণে চলে সেয়া সৰ্বজনবিদিত।

পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰতো সন্দিকৈদেৱ আছিল অতিকৈ কঠোৰ, যাৰ ফলত সেই সময়ত মেধা শক্তি বৃদ্ধি পাইছিল। বিগত ২০/৩০ বছৰ মানৰপৰা শিক্ষানুষ্ঠানত পৰীক্ষাত নকলৰ পয়োভৰ বৃদ্ধি পাইছে। পৰীক্ষা পৰিচালনা কৰ্তৃপক্ষই পৰীক্ষা হলত কেমেৰা প্ৰৱৰ্তন কৰা বিষয়টোৱে কি সূচায়? শিক্ষাৰ ক্ষেত্ৰত নৈতিকতাৰ স্খলন হোৱা নাইনে? বিগত সময়ছোৱাত বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ফলত শিক্ষানুষ্ঠানৰ দ্ৰুত পৰিৱৰ্তন হৈছে। ডিজিটেল শ্ৰেণীকোঠা হৈছে। ইণ্টাৰনেটৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে বিশ্বৰ বিভিন্ন বিষয়ৰ তথ্য মুহূৰ্তে মুহূৰ্তে লাভ কৰিব পাৰিছে। সন্দিকৈদেৱে ১৮ বছৰ অধ্যক্ষ আৰু ৯ বছৰ উপাচাৰ্য পদত থাকি অসমৰ শিক্ষা জগতত যি নৈতিকতাৰ আদৰ্শ স্থাপিত কৰিছিল- সেই আদৰ্শ পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাত প্ৰাসংগিক। অসমৰ শিক্ষা জগতৰ বাবে সন্দিকৈদেৱৰ অধ্যক্ষ আৰু উপাচাৰ্যৰ কালছোৱাৰ ফলপ্ৰসূ গৱেষণাৰ প্ৰয়োজনীয়তা আছে।

ভ্ৰাম্যভাষঃ ৯৪৩৫০১০১৬৭

## চিনামৰা মহাবিদ্যালয়ত বিষ্ণুৰাভা দিৱস উদযাপন

যোৱা ২০ জুনত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক অপূৰ্ব কুমাৰ গগৈয়ে। অনুষ্ঠানটি শুভউদ্বোধন কৰে শিক্ষাতত্ব বিভাগৰ অধ্যাপিকা ৰুণু বৰাই। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড. বৰ্ণালী বৰঠাকুৰে বিশেষ বক্তৃতা প্ৰদান কৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাভা সংগীত, কবিতা আবৃত্তি আৰু ঠাইতে লিখা ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

১ পৃষ্ঠাৰ পৰা

# উল্লেখযোগ্য বাৰ্তা . . .

পৰমিতা শৰ্মা। বিদ্যালয়খনৰ লক্ষ্য "Teach them how to save the world"। বিদ্যালয়খনত আছে ডিজিটেল শ্ৰেণীৰ ব্যৱস্থা আৰু উন্নতমানৰ পদ্ধতি। পাঠ্যক্ৰমৰ উপৰিও সামাজিক দায়িত্ব, মানৱীয়তা, পৰিৱেশ সংৰক্ষণৰ জ্ঞান দিয়া বিদ্যালয়খনৰ নাম "আখৰ"।

'ব্ৰিটিছ হেৰাল্ড'ৰ সমীক্ষা ঃ মোদী বিশ্বৰ আটাইতকৈ শক্তিশালী ব্যক্তিঃ
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ব্ৰিটিছ হেৰাল্ডএ বিশ্বৰ আটাইতকৈ শক্তিশালী ব্যক্তিৰূপে অভিহিত কৰিছে। সমীক্ষাটোত প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন, আমেৰিকাৰ ড্ৰ'নাল্ড ট্ৰাম্প আৰু চীনৰ ঝি জিনপিঙৰ দৰে শক্তিশালী ব্যক্তিক পাছ পেলায়। সমীক্ষাটোত মোদীয়ে সৰ্বাধিক ৩০.৯ শতাংশ, পুটিনে ২৯.৯ শতাংশ, ট্ৰাম্পে ২১.৯ শতাংশ আৰু জিনপিঙে ১৮.১ শতাংশ লাভ কৰে।

আদালততে ঢলি পৰি মৃত্যু ইজিপ্তৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মৰ্ছিৰ ঃ
১৭ জুন তাৰিখে প্ৰাণ হেৰুৱালে ইজিপ্তৰ কাৰাৰুদ্ধ প্ৰাক্তন ৰাষ্ট্ৰপতি মহম্মদ মৰ্ছিয়ে। মুছলিম ব্ৰাদাৰহুড পাৰ্ছিৰ শীৰ্ষনেতা মৰ্ছিয়ে বিশ্ৃছৰৰ কাৰাদণ্ডৰে দণ্ডিত হৈ আছিল। ২০১৩ চনত ক্ষমতাৰ পৰা উৎখাতৰ পিছৰে পৰা তেওঁ কাৰাগাৰত আছিল।

২০২৭ চনত বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশ হ'ব ভাৰত ঃ
ৰাষ্ট্ৰসংঘৰ অৰ্থব্যৱস্থা আৰু সামাজিক বিষয়ৰ বিভাগে প্ৰকাশ কৰা প্ৰতিবেদনৰ পৰা জানিব পৰা গৈছে যে ভাৰতৰ জনসংখ্যাই ২০২৭ চনত চীনক চেৰ পেলাব আৰু বিশ্বৰ ভিতৰতে সৰ্বাধিক জনসংখ্যাৰ দেশ হিচাপে পৰিগণিত হ'ব। প্ৰতিবেদনখনৰ মতে বৰ্তমান ভাৰতৰ জনসংখ্যা ১৩৫ কোটি আৰু চীনৰ ১৪২ কোটি, কিন্তু চলিত শতিকাৰ শেষলৈ চীনৰ জনসংখ্যা বৃদ্ধি পোৱাৰ পৰিৱৰ্তে হ্ৰাস হৈ ১১০ কোটি হ'ব আৰু ভাৰতৰ ১৫০ কোটি হ'ব।

**ৰাষ্ট্ৰীয় বাৰ্তা**

আগৰতলা হ'ব উঃপূৰ্বৰ তৃতীয়টো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ ঃ
গুৱাহাটী আৰু ইম্ফলৰ পিছত অহা ২০২০ চনৰ ভিতৰত উত্তৰ পূৰ্বঞ্চলৰ তৃতীয়টো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হিচাপে পৰিগণিত হ'ব আগৰতলা। ইতিমধ্যে আগৰতলাৰ মহাৰজা বীৰ বিক্ৰম বিমান বন্দৰক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হিচাপে গঢ়ি তুলিবৰ বাবে কাৰ্য প্ৰক্ৰিয়া অব্যাহত ৰখাৰ কথা ত্ৰিপুৰাৰ পৰিবহন আৰু পৰ্যটন মন্ত্ৰী প্ৰাণজিৎ সিন্‌হা ৰয়ে জনায়।

ওম বিৰলা লোকসভাৰ নতুন অধ্যক্ষ ঃ
বিজেপিৰ সাংসদ ওম বিৰলা লোকসভাৰ নতুন অধ্যক্ষ হয়। শাসকীয় এন ডি এই তেওঁক লোকসভাৰ অধ্যক্ষ পদৰ প্ৰাৰ্থী ৰূপে ঘোষণা কৰে। তেওঁক কংগ্ৰেছ আৰু ইউ পি এৰ আন সহযোগী দলসমূহেও সমৰ্থন জনায়। বিৰলা একেৰাহে দ্বিতীয়বাৰৰ বাবে ৰাজস্থানৰ কোটাৰ পৰা বিজেপিৰ প্ৰাৰ্থী ৰূপে জয়ী হৈছে।

ৰাজস্থানৰ সুমন ৰাও ফেমিনা মিছ ইণ্ডিয়া ৱৰ্ল্ড ২০১৯ ঃ
ৰাজস্থানৰ সুমন ৰাৱে এই বছৰৰ ফেমিনা মিছ ইণ্ডিয়া ৱৰ্ল্ডৰ খিতাপ জয় কৰিছে। ছট্টিশগড়ৰ শিৱানী যাদৱে মিছ গ্ৰেণ্ড ইণ্ডিয়া আৰু বিহাৰৰ শ্ৰেয়া ঠাকুৰে মিছ ইণ্ডিয়া ইউনাইটেড কণ্টিনেণ্টছ খিতাপ জয় কৰে। সুমনে এতিয়া অহা ৭ ডিচেম্বৰত থাইলেণ্ডত অনুষ্ঠিত হ'বলগীয়া মিছ ৱৰ্ল্ড প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাত প্ৰথম ৰানাৰ্ছ আপ উত্তৰ প্ৰদেশৰ শ্বিনাতা চৌহান আৰু দ্বিতীয় ৰানাৰ্ছ আপ হয় তেলেংগানাৰ সঞ্জনা ভিজ।

কেন্দ্ৰত আকৌ এবাৰ মোদীৰ চৰকা ঃ
দ্বিতীয়টো কাৰ্যকালৰ বাবে এন ডি এ চৰকাৰে ৫৪২ খন আসনৰ ভিতৰত ইতিহাস সৃষ্টিৰে পোন প্ৰথমবাৰৰ বাবে সৰ্বোচ্চ ৩৫২ খন আসনেৰে দেশত চৰকাৰ গঠন কৰে। ইয়াৰ বিপৰীতে ইউ পি এ দলে লাভ কৰে ৯১ খন আৰু অন্যান্যই লাভ কৰে ৯৯ খন।

অটল বিহাৰী বাজপেয়ী জীৱনজোৰা সাধনা বঁটা ঃ
২০১৯ বৰ্ষৰ অটল বিহাৰী বাজপেয়ী জীৱনজোৰা সাধনা বঁটা ১ মাৰ্চ তাৰিখে ত্ৰিপুৰা চৰকাৰৰ দ্বাৰা থাংগা দাৰলঙলৈ আগবঢ়োৱা হয়।

এক দেশ এক কাৰ্ড ঃ
ক'লাধন ৰোধ কৰাৰ উদ্দেশ্যৰে 'এক দেশ এক কাৰ্ড' নামেৰে টকা পইচাৰ লেনদেনবিহীন বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যৰে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই মাৰ্চ মাহৰ ৪ তাৰিখে আহমেদাবাদত উক্ত আঁচনিৰ শুভ উদ্বোধন কৰে।

২০১৯বৰ্ষৰ স্বচ্ছ চহৰ সন্মান ঃ
স্বচ্ছতা অভিযানক উদগনি জনোৱাৰ উদ্দেশ্যে আগবঢ়াই অহা শ্ৰেষ্ঠ স্বচ্ছ চহৰৰ সন্মান পাবলৈ সকলোৱেই আগ্ৰহী। ২০১৯ বৰ্ষৰ শ্ৰেষ্ঠ স্বচ্ছ চহৰৰ সন্মান লাভ কৰিছে 'ইন্দৰ' এ।

ভাৰত ছেমিফাইনেলত ঃ
চলিত বিশ্বকাপত ভাৰতে বাংলাদেশক পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ খিতাপ দখলৰ বাবে অগ্ৰসৰ হৈছে।

**ৰাজ্যিক বাৰ্তা**

বিষ্ণুৰাভা বঁটা প্ৰদান ঃ
অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বৰ্ণালী শৰ্মাৰ আদৰণী ভাষণেৰে আৰম্ভ কৰা অনু্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰসিদ্ধ মুখা শিল্পী, সত্ৰীয়া সংস্কৃতিৰ সাধক, ৰাষ্ট্ৰীয় শিল্প গুৰুৰ সন্মাপ্ৰাপ্ত, সংগীত নাটক একাডেমিৰ বঁটা প্ৰাপক, শিক্ষাবিদ, সমাজসেৱক ৰেৱকান্ত মহন্ত আৰু বিশিষ্ট নৃত্য শিল্পী কুমাৰী লাইতোনজম ইৰেমপিশক দেৱীক ২০১৯ বৰ্ষৰ বিষ্ণুৰাভা বঁটা প্ৰদান কৰা হয়।

নতুন আলহী আহিছে নামবৰৰ দৈগ্ৰোং অভয়াৰণ্যলৈ ঃ
২০০৪ চনতে বিপদাপন্ন হোৱা মেথোন পুনৰ বন্যহস্তীৰ সৈতে বিচৰণ কৰা দেখি উৎফুল্লিত স্থানীয় ৰাইজ। গ্ৰীষ্ম-বৰ্ষাৰ সময়তে গোলাঘাটৰ নামবৰৰ দৈগ্ৰোং অভয়াৰণ্যলৈ আগমণ ঘটিছে নতুন আলহী 'মেথোন'ৰ।

দাঁতেৰে গীটাৰ বজাই অসম সন্তানৰ 'ৱৰ্ল্ড ৰেকৰ্ড' ঃ
অসমক পুনৰ বিশ্বদৰবাৰত চিনাকী কৰাই গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছ আৰু লিমকা বুক অৱ ৰেকৰ্ডছত নিজৰ নাম খোদিত কৰাই অসমৰ গোলাঘাটৰ নিলোৎপল বৰাই। সংগীত সাধনাৰে জগত জিলাৰ উদ্দেশ্যৰে হাতে নহয় দাঁতেৰে সংগীতত গীটাৰ বজাই নিলোৎপল বৰাই বিশ্ববাসীৰ হৃদয় জয় কৰাৰ লগতে বাংলাদেশত নজৰুল একাডেমিএ আগবঢ়ায় আন্তঃৰাষ্ট্ৰীয় বঁটা।

লোকসভাৰ নিৰ্বাচনত অসমতো বিজেপিৰ ঢৌ ঃ
কেন্দ্ৰত এন ডি ও বিজয় সাব্যস্ত কৰাৰ লগতে অসমতো বিজেপীয়ে ১৪ খন আসনৰ ভিতৰত ৯ খন লাভোৰে সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰে। কংগ্ৰেছে তিনিখন লাভ কৰাৰ লগতে অন্যান্যই লাভ কৰে দুখন।

পানীত চলিব পৰা এখন বাইক ঃ
সোৱণশিৰিৰ বুকুত চলিল এখন বাইক। জৰুৰীকালীন অৱস্থাত ৰোগীক সহায়ৰ উদ্দেশ্যে তথা ভৱিষ্যতে উৰণীয়া বাইক নিৰ্মাণ সপোন দেখা এইজন ব্যক্তিৰ নাম দ্ৰুপদ দলে। উচ্চতৰ মাধ্যমিক শিক্ষা সাং কৰি পলিথিন, জিঅ'টিউব ব্যৱহাৰেৰে এইজন লোকে কৰি দেখুৱালে অসাধ্য কাৰ্য্য। দ্ৰুপদ দলেৰ এই অভিনৱ প্ৰচেষ্টাক সকলোৱে শলাগ লৈছে যদিও কিমানদূৰ ব্যৱহাৰৰ উপযোগী সময়েহে ক'ব।

৪ পৃষ্ঠাৰ পৰা

# ৰজনী পাম দত্ত . . .

পৰীক্ষাৰ আগদিনা বিশ্ববিদ্যালয়ত সোমাব পাৰিব (২) বিশ্ববিদ্যালয়ৰ পৰীক্ষা থকা কালতকোনো সভাত ভাষণ দিব নোৱাৰিব (৩) পৰীক্ষা শেষ হোৱাৰ পিছদিনাই বিশ্ববিদ্যালয়ৰ চৌহদ ত্যাগ কৰিব লাগিব।) পৰীক্ষাত বহাৰ অনুমতি পায়। পৰীক্ষাৰ ফল প্ৰকাশত ৰজনী পাম দত্তই ধ্ৰুপদী সাহিত্যৰ আঠোখন কাকততেই সৰ্বোচ্চ নম্বৰ পাই মৰ্যাদাপূৰ্ণ পাওঁৱেল পুৰস্কাৰৰ উপৰি আয়াৰলেণ্ড আৰু ব্ৰোভেন বৃত্তিৰ তালিকাতো শীৰ্ষস্থান দখল কৰে যদিও ৰজনী পাম দত্তই নিজৰ কেৰিয়াৰ গঢ়াৰ সপোন নেদেখি কমিউনিষ্ট পাৰ্টী অব গ্ৰেট ব্ৰিটেইন (CPGB) গঠন কৰি তাৰ কাম-কাজ সক্ৰিয়ভাৱে কৰি যাবলৈ আৰম্ভ কৰে। ৰজনী পাম দত্ত আৰু তেওঁৰ সহযোগীসকলৰ চেষ্টাত ১৯২০ চনৰ ৩১ জুলাইৰপৰা ৯ আগষ্টলৈ চি পি জি বিৰ প্ৰথম উদ্বোধনী আধিৱেশন ইংলেণ্ডত অনুষ্ঠিত হয়। ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা ৰজনী পাম দত্তৰ সম্পাদনাত 'লেবাৰ মান্থলি'ৰ প্ৰকাশনা আৰম্ভ হয়। ১৯৭৪ চনৰ মৃত্যুলৈকে তেওঁ এই আলোচনীখন উলিয়াই আছিল আৰু ইয়াৰ সম্পাদনাৰো দায়িত্বভাৰ বহন কৰিছিল। লেবাৰ মান্থলিৰ অন্তিম পৃষ্ঠাত তেওঁৰ ক্ষুৰধাৰ কলমত জিলিকি উঠিছিল মাহটোৰ ভিতৰত বিশ্বৰ যিকোনো প্ৰান্তত ঘটা কোনো এটা ঘটনাৰ তীক্ষ্ণ দৃষ্টিৰে কৰা আলোচনা 'নোটিচ অব দি মান্থ'। লেবাৰ মান্থলি বিশ্বৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা মাৰ্ক্সীয় আদৰ্শত বিশ্বাসীসকলে এই আলোচনাৰপৰা শিক্ষা লৈ নতুন ঘটনা প্ৰবাহক ব্যাখ্যা কৰাৰ সুযোগ লাভ কৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত ৰজনী পাম দত্তই এক বিশেষ ভূমিকা পালন কৰিছিল। ইংলেণ্ডত থকা ভাৰতীয় ছাত্ৰ সমাজক সংগঠনৰ কামত লাগি থকা ইণ্ডিয়া লীগৰ সৈতে তেওঁৰ ব্যক্তিগতভাৱে বিশেষ যোগাযোগ নাথাকিলেও ইয়াৰ দিক্ নিৰ্দেশনা বহু পৰিমাণে তেওঁৱেই তৈয়াৰ কৰি দিছিল। ভাৰতীয় শ্ৰমিক-কৃষক সমাজক সংগঠিতকৰণৰ কাৰ্যত সহায় কৰিবলৈ ব্ৰিটেইনৰ কমিউনিষ্ট পাৰ্টিৰ এটা প্ৰতিনিধি দল ভাৰতলৈ তেওঁৰ প্ৰচেষ্টাতেই প্ৰেৰণ কৰা হৈছিল। যদিও ইয়াৰ সকলোবোৰ প্ৰতিনিধিয়েই মিৰাট ষড়যন্ত্ৰৰ গোচৰত অভিযুক্ত হৈ শাস্তি ভোগ কৰিবলগীয়া হৈছিল। কমিউনিষ্ট আন্তৰ্জাতিক নেতা হিচাপে তেওঁৰ ওপৰত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ কাম-কাজ চোৱাচিতাৰ দায়িত্ব পৰিছিল। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ সম্পৰ্কৰ বিষয়ে কেইবাটাও 'থেচিচ' কমিউনিষ্ট আন্তৰ্জাতিকত উত্থাপন কৰিবলগীয়া হৈছিল। তাৰ ভিতৰত বেন ব্ৰেডলেৰ সৈতে লগ লাগি প্ৰস্তুত কৰা ব্ৰেডলে-দত্ত থেচিচখনৰ ভিত্তিতেই ১৯৩৫ চনৰ পৰৱৰ্তী কালত ভাৰতত ব্ৰিটিছৰ বিৰুদ্ধে কমিউনিষ্ট পাৰ্টিৰ কৰ্মীসকলে কংগ্ৰেছৰ মাজত ব্যাপকভাৱে সোমাই পৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলৰ ঘটনা প্ৰবাহৰ ওপৰত তেওঁৰ তীক্ষ্ণ দৃষ্টি আছিল। তেওঁ ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে যেতিয়া মুছলিম লীগৰ ধৰ্মভিত্তিক পাকিস্তানৰ দাবীক সমৰ্থন জনাইছিল তেতিয়া তেওঁ ইয়াৰ তীব্ৰ বিৰোধিতা কৰি তৎকালীন CPI ৰ সম্পাদক পি চি যোশীলৈ চিঠি প্ৰেৰণ কৰিছিল। তেওঁ কেবিনেট মিছনৰ ধৰ্মভিত্তিক ভাৰত বিভাজনৰো তীব্ৰ বিৰোধিতা কৰিছিল। এইক্ষেত্ৰত তেওঁ মুছলিম লীগৰ নেতা মহম্মদ আলি জিন্নাক প্ৰশ্ন কৰিছিল লীগে পাকিস্তানৰ দাবীত গণভোটৰ দাবীক প্ৰত্যাখ্যান কৰিলে কিয়? তদুপৰি তেওঁ জিন্নাক প্ৰশ্ন কৰিছিল ধৰ্ম কেনেকৈ জাতীয়তাবাদৰ প্ৰশ্ন হ'ব পাৰে?

ৰজনী পাম দত্তৰ ভাৰতীয়সকলক ভালপোৱাৰ অন্যতম স্বাক্ষৰ হ'ল তেওঁৰ অন্যতম গ্ৰন্থ ইণ্ডিয়া টুডেৰ উৎসৰ্গৰ কেইটামান শব্দ। তাত থকা শব্দকেইটা হ'ল— "To my father, Upendra Krishna Dutt, who tought me the beginnings of political understanding to love the Indian people and all the people struggling for freedom." তদুপৰি ১৯৪৬ চনত তেওঁ যেতিয়া 'কেবিনেট মিছন'ৰ বাতৰিসমূহ সংগ্ৰহৰ দায়িত্বৰ সুযোগ লৈ প্ৰথমবাৰৰ কাৰণে কলিকতা চহৰত উপস্থিত হৈছিল তেতিয়া তেওঁ ঘোষণা কৰিছিল, "I have come back to my fatherland." ভাৰত স্বাধীন হোৱাৰ পিছতো তেওঁ একেদৰেই ভাৰতৰ বা-বাতৰি গুৰুত্ব সহকাৰে সংগ্ৰহ কৰিছিল।

ফেচীবাদৰ উত্থানৰ মুহূৰ্তত তেওঁ ফেচীবাদৰ উদ্দেশ্য লক্ষ্য আৰু চৰিত্ৰ সম্পৰ্কে বিস্তৃত আলোচনা কৰি এখন গ্ৰন্থ লিখি উলিয়ায়। Fascism and Social Revolution নামৰ গ্ৰন্থখনত তেওঁ ফেচীবাদৰ সূত্ৰৰ সন্ধানত তেওঁৰ প্ৰয়াস সেই যুগৰ ইতিহাসৰ এক অনন্য ঘটনা। তেওঁৰ অন্যান্য উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল ছোচিয়েলিজম এণ্ড লিভিং ৱেজ, লাইফ এণ্ড টিচিংচ অৱ লেনিন, ওৱাৰ্ল্ড পলিটিক্স, ব্ৰিটেইন এণ্ড দ্য ৱাৰ্ল্ড ফ্ৰণ্ট ক্ৰাইচিচ অব ব্ৰিটেইন এণ্ড ব্ৰিটিছ এম্পায়াৰ।
গতিকে, দেখা যায় একেধাৰে এগৰাকী বিশিষ্ট মাৰ্ক্সীয় তাত্ত্বিক কমিউনিষ্ট পাৰ্টিৰ সংগঠক, কমিউনিষ্ট আন্তৰ্জাতিকৰ নেতা, ফেচীবাদ বিৰোধী সংগ্ৰামৰ অন্যতম পুৰোধা ব্যক্তি, এগৰাকী সাংবাদিক আৰু ঐতিহাসিক শ্ৰমজীৱী জনতাৰ আজীৱন সহযোদ্ধা আছিল ৰজনী পাম দত্ত। তেওঁ যিদৰে মাৰ্ক্সবাদী তত্ত্বৰ গৱেষণাত ব্ৰতী আছিল ঠিক একেদৰেই আছিল ইয়াৰ প্ৰায়োগিক ৰূপ প্ৰদান কৰিবলৈ। তেওঁ যিদৰে একনিষ্ঠভাৱে শ্ৰমিকসকলক সংগঠিত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল ঠিক একেদৰেই গৱেষণা কৰিছিল ইতিহাসৰ বিভিন্ন দিশ, সংগ্ৰহ কৰিছিল বিভিন্ন ঐতিহাসিক সমল। যাৰ বাবেই আজিও ভাৰতৰ ইতিহাসৰ ব্ৰিটিছ শোষণৰ স্বৰূপ আৰু ব্ৰিটিছৰ শাসনাধীনত জৰাজীৰ্ণ ভাৰতীয় অৰ্থনীতিৰ বিভিন্ন দিশ বুজিবলৈ ৰজনী পাম দত্তৰ ইণ্ডিয়া টুডে এখন অন্যতম আৰু অধিকতম জনপ্ৰিয় গ্ৰন্থ। আধুনিক ভাৰতৰ ইতিহাস বুজিবলৈ আজিও কমিউনিষ্টৰপৰা বুৰ্জোৱালৈকে সকলোৱে এইখন গ্ৰন্থক সমাদৰ কৰা দেখা যায়। এইগৰাকী মহান ঐতিহাসিক, মাৰ্ক্সীয় তাত্ত্বিক, গ্ৰেট ব্ৰিটেইনৰ কমিউনিষ্ট পাৰ্টিৰ সংগঠকৰ ১৯৭৪ চনত মৃত্যু হয়।

## অষ্টম ফিফা মহিলা বিশ্বকাপ

# একাধিক অভিলেখ স্থাপনেৰে আমেৰিকা যুক্তৰাষ্ট্ৰ বিজয়ী

❑ তাপস কুমাৰ বৰুৱা

১৯৯১ চনত পোন প্ৰথমবাৰৰ বাবে মহিলা ফুটবল বিশ্বকাপ অনুষ্ঠিত হোৱাৰ পশ্চাৎ প্ৰতি চাৰি বৰ্ষৰ অন্তৰত এই প্ৰতিযোগিতা নিয়মীয়াকৈ অনুষ্ঠিত হৈ আহিছে। প্ৰতিয়োগিতাখনিৰ অষ্টম সংস্কৰণ ৭ জুনত আৰম্ভ হৈ ৭ জুলাইত সফলতাৰে সামৰনি পৰে।

যোগ্যতা অৰ্জ্জনকাৰী দেশঃ ৬খন ফিফা কনফেডাৰেচনৰ ২৪খন দেশ (নৱাগত দেশ ইটালীয়েকত দিয়া হৈছে) ক্ৰমে- **CAF** (*ফৰাচীঃ* Confederation **A**fricaine de **F**ootball, *ইংৰাজীঃ* Confederation of **A**frican **F**ootball)ঃ নাইজেৰিয়া, কেমেৰুণ, *দক্ষিণ আফ্ৰিকা*; **AFC** (**A**sian **F**ootball **C**onfederation)ঃ অষ্ট্ৰেলিয়া, জাপান, দক্ষিণ কোৰিয়া, চীন, থাইলেণ্ড; **CONMEBOL** (*স্পেনীয়ঃ* **Con**federation Sud**ame**ricana de Fut**bol**, *পৰ্টুগীজঃ* **Con**federacao Sul-**Americana** de Fut**bol**, (*ইংৰাজীঃ* South American Dootball Confederation)ঃ ব্ৰাজিল, আৰ্জেণ্টিনা, *চিলি*; **CONCACAF** (**Con**federation of North, **C**entral **A**merica & **C**aribbean **A**ssociation **F**ootball)ঃ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, *জামাইকা*; **UEFA** (**U**nion of **E**uropean **F**ootball **A**ssociation)ঃ জাৰ্মানী, ইংলেণ্ড, ফ্ৰান্স, নেডাৰলেণ্ডচ, চুইডেন, নৰৱে, স্পেইন, ইটালী, *স্কটলেণ্ড* আৰু **OFC** (**O**cenian **F**ootball **C**onfederation)ঃ নিউ জীলেণ্ড। প্ৰতিযোগিতাখনিৰ মেচসমূহ ৯খন চহৰৰ ৯খন ষ্টেডিয়ামত ক্ৰমে- ডেচিনেচ-চাৰপিউ (পাৰ্ক অ'লিম্পিক লীঅ'নাইচ), পেৰীচ (পাৰ্ক ডেচ প্ৰিন্সেচ), নাইচ (এলিয়েঞ্জ ৰিভিইৰা), ৰেনেচ (ৰোৱাজহন পাৰ্ক), লে হেভৰী (ষ্টেড অচিয়েনী), ভেলিঞ্চিনেচ (ষ্টেড ডু হেইনাউট), ৰেইমচ (ষ্টেড আগষ্ট-ডেলাউনী), মণ্টপেলিয়েৰ (ষ্টেড ডে লা মছন) আৰু গ্ৰেন'ব্‌ল ডেচ এল্পচত খেলোৱা হৈছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰই গ্ৰুপ লীগত থাইলেণ্ডক ১৩-০, চিলিক ৩-০, চুইডেনক ২-০, দ্বিতীয় ৰাউণ্ডত স্পেইনক ২-১, কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সক ২-১, চেমি ফইনেলত ইংলেণ্ডক ২-১ আৰু নেডাৰলেণ্ডচে গ্ৰুপ লীগত নিউ জীলেণ্ডক ১-০, কেমেৰুণক ৩-১, কানাডাক ২-১, দ্বিতীয় ৰাউণ্ডত জাপানক ২-১, কোৱাৰ্টাৰ ফাইনেলত ইটালীক ২-০, চেমি ফইনেলত চুইডেনক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেললৈ উপনীত হয়। তৃতীয় স্থান নিৰ্ণায়ক মেচত চুইডেনে ইংলেণ্ডক ২-১ গ'লত পৰাস্ত কৰে। ডেচিনেচ-চাৰপিউৰ পাৰ্ক অ'লিম্পিক লীঅ'নাইচ ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰ ২ (ৰেপিয়নী ৬১' (পেণাল্টী), লেভেলী ৬৯')এ নেডাৰলেণ্ডচ ০ক পৰাস্ত কৰি চতুৰ্থ তথা সৰ্ব্বাধিক বাৰ বিশ্বকাপ বিজয়ী হোৱাৰ কৃতিত্ব অৰ্জ্জন কৰে।

প্ৰতিযোগিতাখনৰ ৫২খন মেচত ১৪৬টা (গড়ে ২.৮১ গ'ল) গ'ল ৯১গৰাকী খেলুৱৈয়ে (৮টা আত্মঘাটী গ'লসহ) অৰ্জ্জন কৰে। সৰ্ব্বাধিক ৬টাকৈ গ'ল কৰে ইংলেণ্ডৰ ইলীন হোৱাইট, আমেৰিকা যুক্তৰাষ্ট্ৰৰ এলেক্স মৰ্গেন আৰু মেগান ৰেপিনয়ীয়ে। ৰেপিনয়ীয়ে "গ'ল্ডেন বুট" আৰু "গ'ল্ডেন বল"ও অৰ্জ্জন কৰে।

প্ৰতিযোগিতাখনিৰ ইতিহাসত স্থাপিত হোৱা কেইটিমান মুখ্য অভিলেখ তলত উল্লেখ কৰিলো।

- এই পৰ্য্যন্ত অংশ গ্ৰহণকাৰী দল: ৩৬
- মুঠ মেচ: ২৮৪
- দ্ৰ মেচ: ৩৯
- মুঠ গ'ল: ৯১৭ (গড়ে ৩.২২)
- এটা সংস্কৰণত সৰ্ব্বাধিক মুঠ গ'ল: ১৪৬ (গড়ে ২.৮১) দুবাৰকৈ- ২০১৫ আৰু ২০১৯
- সৰ্ব্বাধিকবাৰ অংশগ্ৰহণকাৰী দল: প্ৰতিটো সংস্কৰণতে অংশগ্ৰহণকাৰী- ব্ৰাজিল, জাৰ্মানী, জাপান, নাইজেৰিয়া, নৰৱে, চুইডেন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।
- সৰ্ব্বাধিক মেচ (দলীয়): ৫০ আমেৰিকা যুক্তৰাষ্ট্ৰ
- সৰ্ব্বাধিক বিজয়: ৪০ আমেৰিকা যুক্তৰাষ্ট্ৰ
- সৰ্ব্বনিম্ন বিজয়: ০ আৰ্জেণ্টিনা, ক'ষ্টা ৰিকা, ইকুৱেডৰ, ইকুৱাটৰিয়েল গুৱেনা, আইভৰী ক'ষ্ট, জামাইকা, মেক্সিকো, নিউ জীলেণ্ড, স্কটলেণ্ড আৰু দক্ষিণ আফ্ৰিকা
- সৰ্ব্বাধিক দ্ৰ: ৭ চীন
- সৰ্ব্বাধিক পৰাজয়: ১৯ নাইজেৰিয়া
- সৰ্ব্বাধিক গ'ল (সপক্ষে): ১৩৮ আমেৰিকা যুক্তৰাষ্ট্ৰ
- সৰ্ব্বাধিক গ'ল (বিপক্ষে): ৬৩ নাইজেৰিয়া
- এটা সংস্কৰণত সৰ্ব্বাধিক সপক্ষে গ'ল: ২৬ আমেৰিকা যুক্তৰাষ্ট্ৰ, ২০১৯
- এটা সংস্কৰণত সৰ্ব্বাধিক বিপক্ষে গ'ল: ২০ থাইলেণ্ড, ২০১৯
- এখনত সৰ্ব্বাধিক গ'ল: ১৩-০ আমেৰিকা যুক্তৰাষ্ট্ৰ বনাম থাইলেণ্ড, ২০১৯
- সৰ্ব্বাধিক সংস্কৰণত অংশগ্ৰহণ: ৭ ফৰমিগা (ব্ৰাজিল, ১৯৯৫-২০১৯)
- সৰ্ব্বাধিক মেচত অংশগ্ৰহণ: ৩০ ক্ৰিষ্টিন লিলী (আমেৰিকা যুক্তৰাষ্ট্ৰ, ১৯৯১-২০০৭)
- সৰ্ব্বকালৰ সৰ্ব্বাধিক গ'ল (ব্যক্তিগত): ১৭ মাৰ্টা (ব্ৰাজিল, ২০০৩-২০১৯)
- এটা সংস্কৰণত সৰ্ব্বাধিক গ'ল (ব্যক্তিগত): ১০ মিছেল এৰ্কেৰ্চ (আমেৰিকা যুক্তৰাষ্ট্ৰ, ১৯৯১)
- এখন মেচত সৰ্ব্বাধিক গ'ল (ব্যক্তিগত): ৫ টাকৈ মিছেল এৰ্কেৰ্চ (আমেৰিকা যুক্তৰাষ্ট্ৰ, চাইনীজ তাইপেইৰ বিৰুদ্ধে ১৯৯১) আৰু এলেক্স মৰ্গেন (আমেৰিকা যুক্তৰাষ্ট্ৰ, থাইলেণ্ডৰ বিৰুদ্ধে ২০১৯)

ভ্ৰাম্যভাষ: ৯৮৫৪২৫৯৪৮৬
ই-মেইল: taposh.boruwah@gmail.com

## যুগবাৰ্তাৰ কথা

◆ ৰাজনীতি, ধৰ্ম, সম্প্ৰদায়, ব্যক্তি আদিৰ প্ৰতি উদ্দেশ্য প্ৰণোদিত আক্ৰোশযুক্ত সমালোচনামূলক লেখাৰ বিপৰীতে গঠনমূলক, চিন্তাশীল,মৌলিকতা থকা প্ৰবন্ধহে যুগবাৰ্তাৰ বাবে প্ৰেৰণ কৰিব।

◆ যিকোনো বিষয়ৰ শৈক্ষিক বিশ্লেষণমুক্ত লেখাই যুগবাৰ্তাত অগ্ৰাধিকাৰ পাব।

◆ বিভিন্ন অঞ্চলৰ সংস্কৃতিবান ব্যক্তিৰ কৰ্মজীৱনৰ পৰিচয় প্ৰকাশৰ বাবে ফটোসহ চমু লেখা প্ৰেৰণ কৰিব।

## মহাবিদ্যালয়ত জুন মাহত আয়োজিত বিভিন্ন অনুষ্ঠানৰ কিছু মুহূৰ্ত
















**KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY**

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**

**CINNAMARA COLLEGE STUDY CENTRE**

**চিনামৰা মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ**

**তলত দিয়া পাঠ্যক্ৰমসমূহৰ বাবে নামভৰ্তি প্ৰক্ৰিয়া চলি আছে**

Online Admission will be started from 1st July for the following courses:

♦ BA (Pass course and Major course) (6 Semesters), ♦ BA in Journalism and Mass Communication (6 Semesters), ♦ BBA (6 Semesters), ♦ BCA (6 Semesters)
♦ BCom (6 Semesters), ♦ Bachelor of Social Works (BSW) (6 Semesters)
♦ MA (Assamese, English, Political Science, Sociology) (4 Semesters)
♦ MBA (4 Semesters), ♦ MCom (4 Semesters)
♦ Post Graduate Diploma in Computer Application (PGDCA)
♦ Diploma in Journalism & Mass Communication (1 Year)
♦ Diploma in Creative Writing (1 Year)

**Contact No: 9435247949 / 8638245341**

**DIBRUGARH UNIVERSITY**

**DIRECTORATE OF OPEN AND DISTANCE LEARNING**

**CINNAMARA COLLEGE STUDY CENTRE**

**Courses Offered:**

1. BA (Major course): Assamese, Political Science, Sociology, Economics
2. BA (Pass Course): Education, Economics, Political Science, Economics
3. MA (Economics, Education, English, Political Science, Sociology)

**Contact No: 90853 39300 / 81348 15096**



মুখ্য উপদেষ্টা ঃ আনন্দ শইকীয়া

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু পি, জি, ইণ্ডিয়া প্ৰাইভেট লিমিটেড, পুলিবৰ, যোৰহাট-৬ মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮,
ফোন ঃ ৭৫৭৬৮৬৫৯০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক)
সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া, (অবৈতনিক)